www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

❐ PRGI REGD. NO. (Title) : ASSASS01389

# অসম বাৰ্তা

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৬৭ ❐ মঙ্গলবাৰ ❐ ৫ আগষ্ট, ২০২৫ চন ❐ ১৯ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 167 ❐ Tuesday ❐ 5th August, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

'কৰো বুলি কোনেও প্ৰতিভাৰ সৃষ্টি কৰিব নোৱাৰে। ইয়াক কেৱল সঠিক পথেৰে আগুৱাই নিবহে পাৰি। -এইছ্‌জি ৱেইলছ'



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শোকপ্ৰকাশ

## ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু ছ'ৰেনৰ মৃত্যু

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ আগষ্ট ঃ** ৰাজ্যসভাৰ সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চাৰ অন্যতম প্ৰতিষ্ঠাপক শিবু ছ'ৰেনৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। এমাহৰো অধিক সময় দিল্লীৰ ছাৰ গংগা ৰাম হস্পিতালত ▸▸৬ পৃষ্ঠাত

■ বিটিআৰ দখলৰ লক্ষ্য ■ কৌশলগত স্থিতিৰে টঙালি বান্ধিছে বিজেপিয়ে

# দুৰ্গা পূজাৰ পূৰ্বেই বিটিআৰ নিৰ্বাচন

❐ মই মুখ্যমন্ত্ৰী হোৱাৰ পিছৰে পৰা বিটিচিত এটাও গুলীবৰ্ষণ, বোমা বিস্ফোৰণৰ ঘটনা ঘটা নাই ঃ মুখ্যমন্ত্ৰী ❐

**অসম বাৰ্তা, বাক্সা, ৪ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন (বিটিআৰ)-ৰ পৰিষদীয় নিৰ্বাচনৰ সময়সীমাৰ বিষয়ে ৰাজনৈতিক দলসমূহৰ মাজত চৰ্চা তুংগত উঠিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এই নিৰ্বাচন সকলো ৰাজনৈতিক দলৰ বাবে একপ্ৰকাৰ ছেমিফাইনেলৰ স্থান লাভ কৰিছে। কংগ্ৰেছ দলে ইতিমধ্যে শাসকীয় বিজেপিৰ বিৰুদ্ধে এক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ ঘোষণা কৰিছে। বিজেপিও পিছপৰি থকা নাই। বিটিচিৰ ক্ষমতা দখলৰ লক্ষ্যৰে দলটোৱে নিজৰ প্ৰস্তুতি তীব্ৰতৰ কৰিছে। এই পৰিস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিটিআৰৰ নিৰ্বাচনৰ সম্ভাব্য সময়ৰ বিষয়ে এক গুৰুত্বপূৰ্ণ ইংগিত প্ৰদান কৰিছে। বাক্সা জিলা বিজেপিৰ উদ্যোগত অদালবাৰীত আয়োজিত মুছলপুৰ পৰিষদীয় সমষ্টিৰ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "আগষ্টৰ ২০ৰ পৰা ▸▸৬ পৃষ্ঠাত



### গেলাবিল মৰেল পুলিচিঙৰ ঘটনা
## আৰক্ষীৰ হাতত আন এজন অভিযুক্ত

**অসম বাৰ্তা, সৰুপথাৰ, ৪ আগষ্ট ঃ** গোলাঘাট জিলাৰ গেলাবিলত সংঘটিত মৰেল পুলিচিঙৰ ঘটনাৰ প্ৰতিক্ৰিয়া এতিয়াও অব্যাহত ▸▸৬ পৃষ্ঠাত

### খোৱাং চাৰিআলিত ভয়ংকৰ পথ দুৰ্ঘটনা
## দুজন নিহত, ছজন আহত

**অসম বাৰ্তা, ডিব্ৰুগড়, ৫ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং চাৰিআলিৰ নৱনিৰ্মিত উৰণ সেতুৰ ওপৰত ▸▸২ পৃষ্ঠাত

### ৭ আৰক্ষী নিলম্বিত, ৫ বাংলাদেশী গ্ৰেপ্তাৰ
## লালকিল্লাৰ নিৰাপত্তাত ত্ৰুটি

**অসম বাৰ্তা, মহানগৰ, ৫ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ কেইদিনমান পূৰ্বে লালকিল্লাৰ নিৰাপত্তা ব্যৱস্থাত গুৰুতৰ ▸▸২ পৃষ্ঠাত

হত্যাৰ বাবদ দুই চুপাৰি কিলাৰক দিলে সোণৰ গহনা আৰু

### ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে কেলেংকাৰী আৰু মাফিয়াৰাজ



## কংগ্ৰেছৰ চৰকাৰ হ'লে দুখীয়াৰ মাজত বিতৰণ হ'ব অবৈধভাৱে অধিগ্ৰহণ কৰা ভূমি ঃ গৌৰৱ গগৈ

**অসম বাৰ্তা, গুৱাহাটী, ৪ আগষ্ট ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে ঘোষণা কৰিছে যে কংগ্ৰেছৰ চৰকাৰ ক্ষমতালৈ আহিলে প্ৰথম কেবিনেট বৈঠকতেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ সহযোগীসকলৰ দ্বাৰা অবৈধভাৱে অধিগ্ৰহণ কৰা ভূমি দুখীয়া জনসাধাৰণৰ মাজত বিতৰণ কৰা হ'ব। দেওবাৰে গুৱাহাটীত অনুষ্ঠিত দিনব্যাপী বৰ্ধিত কাৰ্যনিৰ্বাহক সভাৰ সমাপ্তিত গৌৰৱ গগৈয়ে এই প্ৰতিশ্ৰুতি প্ৰকাশ কৰে। তেওঁ ▸▸৬ পৃষ্ঠাত




ৰাহুল গান্ধীক উচ্চতম ন্যায়ালয়ৰ কঠোৰ সমালোচনা

## প্ৰকৃত ভাৰতীয় হ'লে এনে কথা নক'লেহেঁতেন

**অসম বাৰ্তা, নতুন দিল্লী, ৪ আগষ্ট ঃ** কংগ্ৰেছ নেতা তথা বিৰোধী দলৰ নেতা ৰাহুল গান্ধীৰ চীনৰ দ্বাৰা ভাৰতীয় ভূখণ্ড দখলৰ বিষয়ে কৰা মন্তব্যৰ বাবে উচ্চতম ন্যায়ালয়ে সোমবাৰে তেওঁক কঠোৰভাৱে সতৰ্ক কৰিছে। ন্যায়াধীশ দীপাংকৰ দত্ত আৰু এ জি মছিহৰ দ্বাৰা গঠিত বিচাৰপীঠে গান্ধীৰ মন্তব্যৰ বিষয়ে শুনানি গ্ৰহণ কৰি কয়, "আপোনাৰ হাতত কোনো বিশ্বাসযোগ্য তথ্য আছেনে? তথ্যৰ অভাৱত এনে বক্তব্য কিয় দিয়ে? যদি আপুনি প্ৰকৃত ভাৰতীয় হয়, ▸▸৬ পৃষ্ঠাত



### আজিৰ কলম
## আমেৰিকাত অসমীয়াৰ দপ্‌দপনি

**ৰবীন মৰাণ**

অসমৰ তিনিচুকীয়া জিলাৰ এখন ভিতৰুৱা গাঁৱৰ পৰা ওলাই গৈ আমেৰিকাত জিনেটিক ছাইনটিষ্ট হিচাপে দপদপাই থকা স্বনামধন্য ড° ৰুবুল মাউতে বিজ্ঞানৰ নতুন উদ্ভাৱনী কৰ্মৰে পুনৰ উজ্জ্বলি উঠিছে। ড° ৰুবুল মাউট হাৰ্ভাৰ্ড মেডিকেল স্কুলৰ গৱেষণা ফেল' ▸▸৬ পৃষ্ঠাত

পঞ্চম টেষ্ট মেচত ইংলেণ্ডক ৬ ৰাণত পৰাজয় ভাৰতৰ

## চিৰাজ-কৃষ্ণৰ আক্ৰমণত ধৰাশায়ী ইংলেণ্ড, শৃংখলাত ভাৰতৰ সমতা

**অসম বাৰ্তা, অনলাইন ডেস্ক, ৪ আগষ্ট ঃ** লণ্ডনৰ ওভালত অনুষ্ঠিত পঞ্চম টেষ্ট মেচত ▸▸৬ পৃষ্ঠাত



### স্থানীয় সংখ্যালঘু গাঁৱত নগা সম্প্ৰদায়ৰ লোকৰ বিচৰণ বৃদ্ধি
## ৰেংমা বানাঞ্চলত উচ্ছেদৰ পিছত নগাৰ আগ্ৰাসনৰ আশংকা

শংকিত স্থানীয় খিলঞ্জীয়া বাসিন্দা

**অসম বাৰ্তা, সৰুপথাৰ, ৪ আগষ্ট ঃ** অসমৰ উৰিয়ামঘাটত ৰাজ্যৰ সৰ্ববৃহৎ উচ্ছেদ অভিযানৰ পিছতো বুলড'জাৰৰ গতি স্তব্ধ হোৱা নাই। ৰেংমা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ১১, ০০০ বিঘা ভূমি অবৈধ দখলৰ পৰা মুক্ত কৰাৰ পিছত এতিয়া দক্ষিণ নামবৰ বনাঞ্চলতো উচ্ছেদ কাৰ্যসূচী অব্যাহত আছে। কিন্তু এই অভিযানৰ সমান্তৰালভাৱে স্থানীয় সংখ্যালঘু গাঁৱত নগা সম্প্ৰদায়ৰ লোকৰ বিচৰণ বৃদ্ধি ▸▸৬ পৃষ্ঠাত

## নাহৰকটীয়াৰ অইলৰ ৰিগত কৰ্মচাৰীৰ মৃত্যু

### তেল খনন কৰি থকা প্ৰকাণ্ড পাইপ বাগৰি মৃত্যু



নাহৰকটীয়া, এটাৰ পাছত আন এটা অঘটন সংঘটিত হৈছে ▸▸৬ পৃষ্ঠাত

### শ্ৰদ্ধাৰ্ঘ্য
## দিলেশ্বৰ তাঁতীলৈ

**ৰাজীৱ বৰা**

২০২১ চনৰ কথা। তাঁতীদেৱ অসুস্থ হৈ থকাৰ বাবে তেখেতৰ খবৰ এটি লোৱাৰ উদ্দেশ্যেৰে চাহ নগৰী ডুমডুমাৰ নিলগৰ বৰহাপজান কেচৰুগুৰিস্থিত তেখেতৰ বাসগৃহত গৈ ▸▸২ পৃষ্ঠাত

অসম ৰাজ্যিক মহিলা আয়োগৰ নতুন অধ্যক্ষা, সদস্যা নিযুক্ত


## আঙুৰলতা ডেকা অসম ৰাজ্যিক মহিলা আয়োগৰ নতুন অধ্যক্ষা

**অসম বাৰ্তা, গুৱাহাটী, ৪ আগষ্ট ঃ** অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা হিচাপে আঙুৰলতা ডেকাক তথা কবিতা ৰয় শইকীয়া আৰু নীলিমা ব্ৰহ্মক আয়োগৰ সদস্যা হিচাপে নিযুক্তি প্ৰদান কৰা হৈছে। এই তিনিওগৰাকী মহিলাই আগন্তুক তিনি বছৰৰ বাবে আয়োগৰ দায়িত্ব পালন কৰিব। ▸▸৬ পৃষ্ঠাত



## বিটিআৰ নিৰ্বাচনৰ পূৰ্বে বি.পি.এফ.ৰ ২২ প্ৰাৰ্থীৰ নাম ঘোষণা

**অসম বাৰ্তা, ওদালগুৰি, ৪ আগষ্ট ঃ** আগন্তুক বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন (বিটিআৰ) নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)-এ ২২টা পৰিষদীয় ▸▸২ পৃষ্ঠাত



## শৰাইঘাট সৰোবৰ উদ্যান উদ্বোধন মুখ্যমন্ত্ৰীৰ
### উচ্চ ন্যায়ালয়ৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ গৰাকীলৈ ক্ষতিপূৰণ



**অসম বাৰ্তা, আমিনগাঁও, ৪ আগষ্ট ঃ** অসমৰ পৰ্যটন ক্ষেত্ৰত আন এক নৱতম ▸▸৬ পৃষ্ঠাত

## সংখ্যালঘুসকলে আমাৰ থলুৱা লোক সকলৰ ওপৰত অত্যাচাৰ কৰি আহিছে

কংগ্ৰেছ আৰু AIUDFয়ে সংখ্যালঘু সম্প্ৰদায়ক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, গুৱাহাটী, ৪ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংখ্যালঘু মুছলমান সম্প্ৰদায়ৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি কৈছে যে তথাকথিত সংখ্যালঘু গোটে "লাভ জিহাদ" আৰু "লেণ্ড জিহাদ"ৰ জৰিয়তে ৰাজ্যৰ খিলঞ্জীয়া জনগোষ্ঠীৰ ওপৰত অত্যাচাৰ চলাইছে। সোমবাৰে সংবাদ ▸▸৬ পৃষ্ঠাত





# ৭ ছেপ্তেম্বৰত সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, লীলাবাৰী, ৩ আগষ্ট ঃ** লখিমপুৰৰ সামাজিক ক্ষেত্ৰখন সৱলীকৰণ কৰি সমাজ জীৱন, জাতীয় জীৱন সমৃদ্ধিশালী কৰাৰ লক্ষ্য আৰু উদ্দেশ্যেৰে আয়োজিত সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ শীৰ্ষক কাৰ্যসূচী ভাগ প্ৰতিবছৰৰ দৰেই এইবেলিও অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিজ্ঞপ্তিৰ জৰিয়তে সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সাধাৰণ সম্পাদক, বিশিষ্ট যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচ, বিত্ত সম্পাদক, ছাত্ৰ নেতা বিকাশ দত্ত আৰু প্ৰচাৰ সম্পাদক অকমান শইকীয়াই উল্লেখ কৰে যে- সামাজিক ক্ষেত্ৰখন সৱলীকৰণ কৰি সমাজ জীৱন, জাতীয় জীৱন সমৃদ্ধিশালী কৰাৰ লক্ষ্য আৰু উদ্দেশ্যেৰে গঠিত সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ অনুষ্ঠানটি অহা ৭ ছেপ্তেম্বৰ (২১ ভাদ) দেওবাৰে লখিমপুৰ জিলাৰ লখিমপুৰ চহৰৰ বৰমূৰীয়া তিনি আলিস্থিত টোল আদৰ্শ প্ৰাথমিক বিদ্যালয় প্ৰেক্ষাগৃহ প্ৰাংগণত পুৱা ১০.৩০ বজাৰ পৰা পাছবেলা ২.৩০ বজালৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে অনুষ্ঠিতব্য সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ শীৰ্ষক অনুষ্ঠানটিত অংশগ্ৰহণ কামনা কৰিছে। কাৰ্যসূচী অনুসৰি পুৱা ১০.৩০ বজাৰ পৰা ২৩ গৰাকী শিক্ষাবিদ, কবি, সাহিত্যিক, গীতিকাৰ, সংগীত শিল্পী, ক্ৰীড়াবিদ, প্ৰবীণ মুক্তি যুঁজাৰু, উপদেষ্টা, সমাজসেৱক মণ্ডলীয়ে বন্তিপ্ৰজ্বলন, স্মৃতি তৰ্পন, গছ পুলি ৰোপণৰ মাংগলিক কৰ্ম কেইভাগ সমাপনৰ অন্তত সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ সভাপতি, শশীধৰ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা মুকলি সভাত লখিমপুৰ জিলাখনৰ বহু কেইগৰাকী জ্যেষ্ঠ শিক্ষাবিদ, কবি, সাহিত্যিক, নাট্যকাৰ, কণ্ঠশিল্পীৰ উপৰিও কেইবাগৰাকী প্ৰথিতযশা গীতিকাৰ, কবি, সংগীত শিল্পী, চিত্ৰ-ভাস্কৰ্য শিল্পী, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বৰেণ্য ব্যক্তিয়ে আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰিব। বিচিত্ৰ জ্ঞান, তথ্য সমৃদ্ধ সাৰগৰ্ভ চুটি-চুটি বক্তব্য, কথা, গীত, কবিতাৰে জীপাল মন্ত্ৰমুগ্ধ পৰিৱেশত ডিব্ৰুগড়, যোৰহাট, ধেমাজী, লখিমপুৰ জিলাৰ ভালেকেইগৰাকী জ্যেষ্ঠ শিক্ষাবিদৰ উপৰি প্ৰথিতযশা কবি, সংগীত শিল্পী, নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক, লেখক, সাহিত্যিক, সাংবাদিক, সমাজসেৱী, প্ৰবীণ মুক্তি যুঁজাৰু, ক্ৰীড়াবিদ, প্ৰকৃতিপ্ৰেমী, চিত্ৰ-ভাস্কৰ্য শিল্পী ইত্যাদি বিশিষ্ট, গণ্য-মান্য ব্যক্তিসকলে অতিথিৰ আসন শুৱনি কৰিবলগীয়া সদৌ লখিমপুৰ জিলা নাগৰিক সমাজৰ চতুৰ্থ বাষিক প্ৰতিষ্ঠা দিৱস আৰু প্ৰীতিৰ এসাঁজ শীৰ্ষক ৰুচিশীল অনুষ্ঠানটি আয়োজনত সৰ্বতো প্ৰকাৰৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা আগবঢ়াই সামাজিক সংগঠনটিক সদিচ্ছামূলক সহৃদয় বদান্যতাৰে উৎসাহ-উদ্দীপনা যোগাই আগুৱাই নিবলৈ তথা নাগৰিক সমাজে পত্ৰৰে নিমন্ত্ৰণ জনাইছে। সবিশেষ জানিবলৈ ৮৬৩৮৭-০৬৩৪২ নম্বৰত যোগাযোগ কৰিবলৈ সংশ্লি-ষ্টলে ৰাইজক অনুৰোধ জনাইছে।

# ধুবুৰীৰ গৌৰীপুৰ থানাত সমুখত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, গৌৰীপুৰ, ৩ আগষ্ট ঃ** ধুবুৰীৰ গৌৰীপুৰত থানাৰ সমুখত ৰাষ্ট্ৰীয় বজৰং দলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি থানা ঘেৰাওঁ কৰে। উল্লেখ্য যে এমাহ আগতে মধুশৌলমাৰী গাঁৱৰ পৰা অপহৰণ হৈছিল দুগৰাকীকৈ হিন্দু ছোৱালী। আৰু সেই ক্ষেত্ৰত পৰিয়ালৰ লোকে গৌৰীপুৰ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰাৰ লগতে ধুবুৰী জিলা আৰক্ষী অধিক্ষকক অভিযোগ দিয়ে, কিন্তু এমাহ পাৰ হোৱাৰ পিছতো পৰিয়ালৰ লোকে কোনো ন্যায় নোপোৱাত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ আৰু ৰাষ্ট্ৰীয় বজৰং দল গৌৰীপুৰ প্ৰখণ্ডৰ পৰা গৌৰীপুৰ থানা ঘেৰাওঁ কৰি গৌৰীপুৰৰ থানাৰ সমুখত ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰে। সংগঠনটো নেতা কৰ্মী সকলে জানিবলৈ দিয়া মতে প্ৰায় এমাহ সময় উকলি যোৱাৰ পিচতো আৰক্ষী প্ৰশাসনৰ পৰা আজিলৈকে কোনো খবৰ লাভ নকৰাত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি গৌৰীপুৰ থানাৰ আৰক্ষী বিষয়াৰ বিৰুদ্ধে অভিযোগ তুলি এই প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। আৰু লগতে সংগঠনটোৰ নেতা কৰ্মীয়ে ছোৱালী দুজনীক উদ্ধাৰ কৰি পৰিয়ালৰ লোকক গতাই দিয়াৰ বাবে তিনিদিনৰ সময়সীমা বান্ধি দিয়ে, গৌৰীপুৰ তথা ধুবুৰী জিলা প্ৰশাসনক। আৰু তিনিদিনৰ ভিতৰত অপহৃত দুই যুৱতীক উদ্ধাৰ কৰি ঘূৰাই আনিব নোৱাৰিলে পৰৱৰ্তী সময়ত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ উক্ত সংগঠনৰ দুটাৰ নেতা কৰ্মীয়ে। কিন্তু গৌৰীপুৰ আৰক্ষীয়ে ছোৱালী দুজনীক উদ্ধাৰৰ আশ্বাস দিয়াৰ পিছত হে পৰিস্থিতি নিয়ন্ত্ৰণ লৈ আহে।

# দিলেশ্বৰ তাঁতীলৈ

উপস্থিত হওঁ। ৭৭ বছৰীয়া তাঁতীদেৱৰ সৈতে তেখেতৰ চোতালতে বহি প্ৰায় ৩ ঘণ্টা সময় বাৰ্তালাপ কৰোঁ। তেখেতৰ বৰ্ণাঢ্য ৰাজনৈতিক জীৱনৰ বহুখিনি কথাই তেখেতে কৈ গৈছিল। তেখেতৰ খবৰ ল'বলৈ যোৱাৰ বাবে তেখেতে সন্তোষ প্ৰকাশ কৰে। কাৰণ, মানুহবোৰ আজিকালি ক্ৰমাৎ স্বাৰ্থপৰ হ'বলৈ ধৰিছে।

তাঁতীদেৱ সাধাৰণভাৱে জীৱন-যাপন কৰা মানুহ। নিৰহংকাৰী, আত্মাভিমানী, দূৰদৰ্শী, অধ্যয়নপুষ্ট তাঁতীদেৱে সততাক আগস্থান দিছিল। সৎ আৰু নিকা ভাৱমূৰ্তিৰ বাবে ৰাজনীতিত বিশেষ পৰিচিতি লাভ কৰা কৰা তাঁতীদেৱে একেৰাহে ২৭ বছৰ ধৰি বিধায়ক আছিল। একেৰাহে ৬ বাৰকৈ অসম বিধানসভালৈ নিৰ্বাচিত হোৱা তাঁতীদেৱে হিতেশ্বৰ শইকীয়াৰ মন্ত্ৰীসভাত শ্ৰম মন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৮-২০০৫ চনলৈ ১২৫ নং ডুমডুমা বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰা তাঁতীদেৱে ২০০৯-১৮ চনলৈ অসম চাহ মজদুৰ সংঘৰ সাধাৰণ সম্পাদকো আছিল।

তাঁতীদেৱ ১৯৭১-৭৮ চনলৈ অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সহকাৰী সম্পাদক আছিল। ইয়াৰ পূৰ্বে তেখেতে প্ৰায় এবছৰ সোণাৰি মহাবিদ্যালয়ত অৰ্থনীতি বিভাগৰ প্ৰবক্তা হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল। ছাত্ৰ অৱস্থাতে অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা)ৰ সৈতে জড়িত হৈ পৰা তাঁতীদেৱে ১৯৬৭-৬৮ চনত ছাত্ৰ সংগঠনটোৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্বত আছিল। ১৯৬৯ চনত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল।

১৯৮২-২০২০ চনলৈকে অসম চাহ মজদুৰ সংঘৰ ডুমডুমা শাখাৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা তাঁতীদেৱে সুদীৰ্ঘ দিন ৰাজনীতিৰ সৈতে জড়িত হৈ থাকিলেও তেখেত লোক-সংস্কৃতিৰ গৱেষক হিচাপেও সুপৰিচিত আছিল। চাহ জনগোষ্ঠীৰ লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক, ৰাজ্যৰ প্ৰাক্তন শ্ৰম মন্ত্ৰী প্ৰয়াত দিলেশ্বৰ তাঁতীয়ে কেইবাখনো গ্ৰন্থও ৰচনা কৰি থৈ গৈছে। বিশিষ্ট ৰাজনীতিক, শ্ৰমিক নেতা দিলেশ্বৰ তাঁতীয়ে ছাত্ৰ অৱস্থাৰ পৰাই লোক-সংস্কৃতিৰ সন্দৰ্ভত গৱেষণামূলক কৰ্মত ব্ৰতী হৈ আহিছিল। তেখেতে ১৯৯৪ চনত "ঝুমইৰ গীতৰ মাজে মাজে", ২০০৩ চনত "অসমৰ চাহ জনগোষ্ঠীৰ লোকগীতৰ কিছু আভাস", ২০১৩ চনত "চাহ জনগোষ্ঠীয় লোকগীতৰ সমীক্ষা" নামৰ তিনিখন গ্ৰন্থ ৰচনা কৰিছিল। ২০১৯ চনত ডুমডুমা শাখা সাহিত্য সভাই শিক্ষাবিদ প্ৰকাশ দত্তৰ সম্পাদনাত "দিলেশ্বৰ তাঁতীৰ ৰচনা সম্ভাৰ" নামেৰে তেখেতৰ পূৰ্ব প্ৰকাশিত তিনিখন গ্ৰন্থৰ একত্ৰ সংকলন এখন প্ৰকাশ কৰি উলিয়ায়। চাহ জনগোষ্ঠীৰ বিবিধ লোকগীত সম্পৰ্কে গভীৰ অধ্যয়ন তথা প্ৰণালীবদ্ধ চিন্তা-চৰ্চাৰে বিভিন্ন সময়ত বিভিন্ন তত্ত্বগধূৰ প্ৰবন্ধ-পাতিও লিখি উলিওৱা তাঁতীদেৱ আছিল লোক-সংস্কৃতিপ্ৰিয়। লগতে এগৰাকী ভাল লোকগীতৰ শিল্পী লগতে লোকনৃত্য আৰু লোকবাদ্য শিল্পীও।

জনপ্ৰিয় শ্ৰমিক নেতা দিলেশ্বৰ তাঁতীদেৱ কিমান জনপ্ৰিয় আছিল সেইকথা এটা ঘটনাৰ পৰাই অনুমান কৰিব পাৰি। এবাৰ তেখেতে নিজ সমষ্টিৰ এখন সভাত অংশ লোৱাৰ উদ্দেশ্যেৰে এখন বাগিচাৰ মাজেৰে এম্বেচাডৰ গাড়ীৰে গৈ থাকোঁতে সেই সময়ত বাগিচাত চাহপাত চিঙি থকা একাংশ পুৰুষ আৰু মহিলা চাহ শ্ৰমিকে দৌৰি আহি গাড়ী ৰখাই তাঁতীদেৱৰ দুভৰি পানীৰে ধুৱাই সেৱা যাচিছিল। প্ৰিয় শ্ৰমিক নেতাগৰাকীৰ প্ৰতি কিমান ভালপোৱা আৰু শ্ৰদ্ধা-ভক্তি থাকিলে এনেকৈ চৰণ চুই শ্ৰদ্ধা যাচিব পাৰে সেয়া উক্ত ঘটনাই প্ৰমাণ। অসমৰ ৰাজনীতিত হয়তো ই এক নোহোৱা-নোপোজা ঘটনা বুলিব পাৰি। তেতিয়া অৱশ্যে আজিৰ দৰে নিউজ চেনেল, পৰ্টেল আদি নথকাৰ বাবে ঘটনাটো ৰজনজনোৱা নাছিল। অৱশ্যে জনাই জানে ঘটনাটোৰ বিষয়ে।

প্ৰয়াত শ্ৰমিক নেতা দিলেশ্বৰ তাঁতীৰ আজি(৩ আগষ্ট) তৃতীয় মৃত্যুবাৰ্ষিকী। ৭৮ বছৰ বয়সত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যুক আঁকোৱালি লোৱা তাঁতীদেৱৰ জন্ম হৈছিল ১৯৪৪ চনৰ ২ ফেব্ৰুৱাৰীত তৈল নগৰী ডিগবৈৰ নিলগৰ পাৰৈৰ আগবন্ধা গাঁৱত। তেখেতৰ পিতৃ ডিগবৈৰ আই অ' চিত কৰ্মৰত আছিল। সেইসূত্ৰে ডিগবৈতে তেখেতৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল। তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৯ চনত এম এ ডিগ্ৰী লাভ কৰা তাঁতীদেৱে ১৯৭১ চনত বৰহাপজানৰ শুকানগুৰি চাহ বাগিচাৰ কমলা চাৱাচীক বিয়া কৰাইছিল।

তাঁতীদেৱে লোক-সংস্কৃতিক সদায়েই আগস্থান দিয়াৰ লগতে প্ৰাণভৰি ভাল পাইছিল। তাঁতীদেৱে সভাই-সমিতিয়ে নিজৰ ভাষণৰ মাজতেই সময়-সুবিধা পালেই ঝুমইৰ তথা লোকগীত আদি পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়াইছিল। জীৱনকালত তেখেতে সিচৰিত হৈ থকা চাহ জনগোষ্ঠীৰ বিভিন্ন গীত-মাত আদি উদ্ধাৰ কৰিছিল। সহজ-সৰল আৰু গুৰু-গম্ভীৰ স্বভাৱৰ অধিকাৰী তাঁতীদেৱ গভীৰ অধ্যয়নপুষ্ট আৰু জ্ঞানপিপাসু আছিল।

তেখেতে কৈছিল যে তাহানিৰ ৰাজনীতিৰ সৈতে আজিৰ ৰাজনীতিৰ যথেষ্টখিনি প্ৰভেদ আছে। ৰাজনীতিৰ সমান্তৰালকৈ ভাষা-সংস্কৃতিৰ প্ৰতিও দায়বদ্ধ হব পাৰিব লাগিব। সংস্কৃতিবান তথা সুসাহিত্যিক দিলেশ্বৰ তাঁতীয়ে কৈছিল যে মানুহে তেখেতক ৰাজনীতিবিদ হিচাপে নহয়, এগৰাকী লোকশিল্পী হিচাপেহে মনত ৰাখিব বুলি তেওঁৰ বিশ্বাস। তেখেতৰ ৰাজনীতিৰ আদৰ্শ নেতা কোন বুলি সোধাত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া তেখেতৰ আদৰ্শ নেতা বুলি কৈছিল।

প্ৰয়াত দিলেশ্বৰ তাঁতীয়ে চাহ শ্ৰমিকৰ ভৱিষ্য নিধিৰ চেয়াৰমেন হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। শ্ৰম মন্ত্ৰিত্বৰ কালছোৱাত তেখেতে এবাৰ হাংগেৰীৰ ৰাজধানী বুডাপেষ্টত অনুষ্ঠিত এক আন্তৰ্জাতিক চেমিনাৰত অসমক প্ৰতিনিধিত্ব কৰিছিল। শ্ৰম মন্ত্ৰী হৈ থাকোঁতে তেখেতৰ প্ৰচেষ্টাতে প্ৰথমবাৰৰ বাবে চাহ বাগিচাৰ চাহ শ্ৰমিকৰ ঘৰত বিজুলী সংযোগৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। চাহ মজদুৰ সংঘৰ সাধাৰণ সম্পাদক হৈ থাকোঁতে সংঘৰ দাবী অনুসৰিয়েই চাহ শ্ৰমিকৰ দৈনিক মজুৰি ১৬৭ টকালৈ বৃদ্ধি হৈছিল। তেখেতৰ শ্ৰম মন্ত্ৰীৰ কালছোৱাতে অসমৰ মুঠ ১০০ গৰাকী চাহ জনগোষ্ঠীৰ শিক্ষিত যুৱকে যোগ্যতাৰ ভিত্তিত শিক্ষকৰ চাকৰিত নিযুক্তি লাভ কৰিছিল। ব্যতিক্ৰমী ৰাজনীতিক প্ৰয়াত দিলেশ্বৰ তাঁতীদেৱৰ আজি তৃতীয় মৃত্যুবাৰ্ষিকী উপলক্ষে তেখেতক শ্ৰদ্ধা নিবেদিছোঁ।।

# খোৱাং চাৰিআলিত

আজি পুৱা সংঘটিত এটা মৰ্মান্তিক পথ দুৰ্ঘটনাত দুজন ব্যক্তিৰ মৃত্যু হৈছে। নিহত দুজনৰ পৰিচয় খোৱাং চাহ বাগিচাৰ গাড়ীচালক প্ৰণৱ দাস আৰু মণিপথাৰৰ বাসিন্দা ৰাহুল পাটৰ হিচাপে নিশ্চিত হৈছে। তথ্য অনুসৰি, গুৱাহাটীৰ পৰা আহি থকা এখন নৈশ বাছে উৰণ সেতুৰ সমীপত ৰৈ থকা দুখন বাহনৰ সৈতে তীব্ৰভাৱে সংঘৰ্ষ কৰে। এই দুখন বাহনত থকা যাত্ৰীসকল "বলবম" তীৰ্থযাত্ৰাৰ পৰা ঘূৰি আহিছিল। দুৰ্ঘটনাৰ ফলত ছয়জন ব্যক্তি গুৰুতৰভাৱে আহত হৈছে, আৰু তেওঁলোকক তৎক্ষণাৎ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হৈছে। উল্লেখযোগ্য যে, দুৰ্ঘটনাগ্ৰস্ত বাহন দুখনত শিশুসহ মুঠ ১৩জন যাত্ৰী আছিল। দুৰ্ঘটনাৰ তীব্ৰতাৰ ফলত ঘটনাস্থলীতেই দুজনৰ মৃত্যু হয়, আৰু বাকী আহতসকলৰ চিকিৎসা চলি আছে। প্ৰত্যক্ষদৰ্শীৰ মতে, নৈশ বাছখন অতি দ্ৰুত গতিত চলি আছিল, যাৰ ফলত চালকে নিয়ন্ত্ৰণ হেৰুৱাই ৰৈ থকা বাহন দুখনৰ সৈতে সংঘৰ্ষ কৰে। স্থানীয় লোকে দুৰ্ঘটনাৰ পিছত তৎক্ষণাৎ উদ্ধাৰ কাৰ্যত সহায় কৰে আৰু পুলিচক অৱগত কৰে। পুলিচে ঘটনাস্থলত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে আৰু দুৰ্ঘটনাৰ সঠিক কাৰণ নিৰূপণৰ বাবে তদন্ত চলি আছে। ২০২৫ চনৰ প্ৰথম ছয় মাহত দুৰ্ঘটনাৰ হাৰ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। গৱেষণা সংস্থা 'চেভ দ্য ৰ'ড'ৰ তথ্য অনুসৰি, জানুৱাৰীৰ পৰা জুনলৈকে দেশত ১৭, ৯৫৭টা দুৰ্ঘটনা সংঘটিত হৈছে, য'ত ২, ৭৭৮জন নিহত আৰু ১৭, ৮২৬জন আহত হৈছে। এই পৰিসংখ্যাই পথ নিৰাপত্তাৰ ক্ষেত্ৰত অধিক কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ইংগিত দিয়ে। দুৰ্ঘটনাৰ পিছত স্থানীয় প্ৰশাসনে ঘটনাস্থল পৰিদৰ্শন কৰি আহতসকলৰ চিকিৎসাৰ ব্যৱস্থা নিশ্চিত কৰিছে। নৱনিৰ্মিত উৰণ সেতুৰ নিৰাপত্তা ব্যৱস্থাৰ ওপৰতো প্ৰশ্ন উত্থাপিত হৈছে, কিয়নো এনে দুৰ্ঘটনাই সেতুৰ নিৰ্মাণৰ মান আৰু পথ নিৰাপত্তাৰ বিষয়ে উদ্বেগ সৃষ্টি কৰিছে। খোৱাং চাৰিআলিৰ এই মৰ্মান্তিক দুৰ্ঘটনাই স্থানীয় জনগণৰ মাজত শোকৰ ছাঁ পেলাইছে। নিহতৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপনৰ লগতে আহতসকলৰ আশু সুস্থতাৰ কামনা কৰা হৈছে। এই ঘটনাই পথ নিৰাপত্তা আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। প্ৰশাসনৰ পৰা আশা কৰা হৈছে যে ভৱিষ্যতে এনে দুৰ্ঘটনা ৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# বিটিআৰ নিৰ্বাচনৰ পূৰ্বে

সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। এই ঘোষণাৰ জৰিয়তে দলটোৱে নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ কৰিছে। ঘোষিত প্ৰাৰ্থীৰ তালিকাত ভৈৰৱকুণ্ড সমষ্টিৰ বাবে প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰী, ধনশ্ৰী বিধানসভা সমষ্টিৰ বাবে বৰ্তমানৰ পাৰিষদ ফ্ৰেছ মোছাহাৰী আৰু খৈৰাবাৰী সমষ্টিৰ বাবে লৌমশ্ৰাও দৈমাৰীৰ নাম অন্তৰ্ভুক্ত হৈছে। প্ৰাৰ্থী তালিকা ঘোষণাৰ পিছত সন্ধিয়াৰ ভাগত ৰিহন দৈমাৰী ওদালগুৰিৰ বিপিএফৰ কাৰ্যালয়ত উপস্থিত হয়। দলৰ নেতা-কৰ্মীসকলে তেওঁক উষ্ম আদৰণি জনায়। সাংবাদিকৰ সৈতে কথা পাতি ৰিহন দৈমাৰীয়ে কয়, "মই বিপিএফৰ সকলো নেতা-কৰ্মীক ধন্যবাদ জনাইছো। প্ৰাৰ্থীৰ নাম ঘোষণাৰ পিছত মোক যি আদৰণি জনোৱা হৈছে, তাৰ বাবে মই কৃতজ্ঞ। মই নিশ্চিত যে এইবাৰ ভৈৰৱকুণ্ড সমষ্টিত আমি জয়লাভ কৰিম।" তেওঁ আৰু কয়, "আমাৰ লক্ষ্য হৈছে বিটিআৰত চৰকাৰ গঠন কৰা। এইবাৰ আমি অভিজ্ঞ নেতাসকলক প্ৰাৰ্থী হিচাপে নিৰ্বাচিত কৰাৰ সিদ্ধান্ত লৈছিলো, আৰু সেই অনুসৰি শীৰ্ষ নেতৃত্বই প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিটিআৰৰ উন্নয়নৰ বাবে অভিজ্ঞ নেতৃত্বৰ প্ৰয়োজন। আমি এইবাৰ অভিজ্ঞতাসম্পন্ন লোকৰ দ্বাৰা চৰকাৰ গঠন কৰিম, যাতে সকলো জাতি-জনগোষ্ঠীৰ উন্নয়ন নিশ্চিত কৰিব পাৰো।" বিপিএফৰ ঘোষণা অনুসৰি, ওদালগুৰি জিলাৰ তিনিটা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী হিচাপে ৰিহন দৈমাৰী (ভৈৰৱকুণ্ড), ফ্ৰেছ মোছাহাৰী (ধনশ্ৰী), আৰু লৌমশ্ৰাও দৈমাৰী (খৈৰাবাৰী)ক নিৰ্বাচিত কৰা হৈছে। দলটোৰ এই ঘোষণাই নিৰ্বাচনৰ প্ৰস্তুতিৰ ক্ষেত্ৰত নতুন গতি সঞ্চাৰ কৰিছে। বিটিআৰত বিপিএফ আৰু ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)-ৰ মাজত মিত্ৰতাৰ সম্ভাৱনাৰ বিষয়ে চৰ্চা চলি থকাৰ মাজতে বিপিএফৰ এই হঠাৎ প্ৰাৰ্থী ঘোষণাই মিত্ৰতাৰ প্ৰসঙ্গক প্ৰায় নিশ্চিতভাৱে শেষ কৰি দিয়াৰ ইংগিত দিয়ে। ৰাজনৈতিক বিশে-ষকসকলৰ মতে, বিপিএফৰ এই পদক্ষেপে নিৰ্বাচনী পৰিস্থিতিত নতুন মাত্ৰা যোগ কৰিব পাৰে। ৰিহন দৈমাৰীৰ নেতৃত্বত বিপিএফৰ প্ৰাৰ্থী তালিকা ঘোষণা আৰু তেওঁৰ চৰকাৰ গঠনৰ প্ৰত্যয়ে বিটিআৰ নিৰ্বাচনৰ ৰাজনৈতিক পৰিস্থিতিক অধিক উত্তপ্ত কৰি তুলিছে। অভিজ্ঞ নেতাসকলক প্ৰাৰ্থী হিচাপে নিৰ্বাচনৰ সিদ্ধান্তৰ জৰিয়তে দলটোৱে বিটিআৰৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্যৰ ওপৰত গুৰুত্ব দিছে। আগন্তুক দিনত বিপিএফৰ এই কৌশল আৰু অন্যান্য দলৰ প্ৰতিক্ৰিয়াই নিৰ্বাচনৰ ফলাফলৰ দিশ নিৰ্ধাৰণ কৰিব।

# লালকিল্লাৰ নিৰাপত্তাত

গাফিলতি ধৰা পৰিছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত লালকিল্লাৰ নিৰাপত্তাত নিয়োজিত ৭জন আৰক্ষী, য'ত কনিষ্টবল আৰু হেড কনিষ্টবল অন্তৰ্ভুক্ত, তেওঁলোকক নিলম্বন কৰা হৈছে। প্ৰতি বছৰৰ দৰে ১৫ আগষ্টত দিল্লীৰ লালকিল্লাত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই উপলক্ষে সমগ্ৰ দেশতে নিৰাপত্তা কটকটীয়া কৰা হৈছে। কিন্তু শনিবাৰে দিল্লী আৰক্ষীৰ স্পেচিয়েল চেলৰ এটা দলে মক ড্ৰিলৰ অংশ হিচাপে নকল বোমাৰ সৈতে লালকিল্লাৰ চৌহদত প্ৰৱেশ কৰে, আৰু নিৰাপত্তাৰক্ষীয়ে তাক ধৰা পেলাব নোৱাৰে। এই ত্ৰুটিয়ে নিৰাপত্তা ব্যৱস্থাৰ দুৰ্বলতা উন্মোচন কৰে। উপ-আয়ুক্ত ৰাজা বাষ্থীয়াই জানিবলৈ দিয়ে যে এই ড্ৰিলৰ উদ্দেশ্য আছিল স্বাধীনতা দিৱসৰ পূৰ্বে নিৰাপত্তাৰ পৰীক্ষা। কিন্তু অনুশীলন দলৰ সহজ প্ৰৱেশে ব্যৱস্থাৰ আসোঁৱাহ প্ৰকাশ কৰে। ফলত সাতজন আৰক্ষীৰ বিৰুদ্ধে তাৎক্ষণিক নিলম্বনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বিভাগীয় তদন্ত আৰম্ভ হৈছে। নিৰাপত্তা ব্যৱস্থা পুনৰীক্ষণ, কৰ্মীৰ পুনৰ নিয়োগ, আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ নিৰ্দেশ জাৰি কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে, লালকিল্লাত বলপূৰ্বক প্ৰৱেশৰ চেষ্টা কৰা ৫জন বাংলাদেশী অবৈধ অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। তেওঁলোকৰ বয়স ২০-২৫ বছৰৰ ভিতৰত, আৰু দিল্লীত শ্ৰমিক হিচাপে কাম কৰিছিল। তেওঁলোকৰ পৰা বাংলাদেশী নথি-পত্ৰ উদ্ধাৰ হৈছে, আৰু জেৰা অব্যাহত আছে।

# গেলেকীৰ লক্ষ্মীজান চাহ বাগিচাত আটছা নেতাৰ জঘন্য কাণ্ড, এজাহাৰ দাখিল

**অসম বাৰ্তা, গেলেকী, ৪ আগষ্ট ঃ** মানৱ সমাজক লজ্জানত কৰা ঘটনা সংঘটিত কৰিলে এজন আটছা নেতাই। গেলেকী আৰক্ষী থানাৰ অন্তৰ্গত লক্ষ্মীজান চাহ বাগিচাৰ ৪ নং লাইনত সংঘটিত হৈছে এই ঘটনা। লক্ষ্মীজান চাহ বাগিচাৰ আটছাৰ প্ৰাথমিক গোটৰ সভাপতি দুৰ্গা হালোৱাইৰ বিৰুদ্ধে এগৰাকী মহিলাক চৰিত্ৰ হননৰ চেষ্টা চলোৱাৰ গুৰুত্বৰ অভিযোগ উঠিছে। ঘটনাৰ বিৱৰণী অনুসৰি যোৱা শুক্ৰবাৰে দিনৰ প্ৰায় ১১ মান বজাত ঘৰত কোনো নথকাৰ সুযোগ লৈ বলপূৰ্বকভাৱে এগৰাকী বিবাহিত মহিলাক চৰিত্ৰ হননৰ চেষ্টা চলাইছিল অভিযুক্ত দুৰ্গা ওৰফে প্ৰিন্স হলোৱাই নামৰ যুৱকজনে। ঠিক সেই সময়ত মহিলা গৰাকীয়ে চিঞৰ বাখৰ কৰাত ঘৰৰ ওচৰতে থকা মহিলা গৰাকী স্বামী উপস্থিত হয়হি। তেতিয়াই সেই স্থানৰ পৰা পলায়ন কৰে অভিযুক্ত দুৰ্গা হালোৱাই ওৰফে প্ৰিন্স হালোৱাই। বৰ্তমান ভুক্তভোগী পৰিয়ালে গেলেকী থানাত এখন এজাহাৰ দাখিল কৰিছে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত। ইফালে এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা জনাই দূষীক কঠোৰতম শাস্তিৰ দাবী কৰি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা গেলেকী আঞ্চলিক সমিতিয়ে। ইতিমধ্যে এজাহাৰৰ ভিত্তিত গেলেকী আৰক্ষীয়ে যুৱকজন প্ৰথমে আটক কৰে পৰৱৰ্তী সময়ত গেলেকী আৰক্ষী থানাৰ গোচৰ নম্বৰ ২৯/২০২৫ বি, এ, এছৰ অধীনৰ ৩২৯ (৩) /৭৪/৭৫ ধাৰাত এটা গোচৰ ৰোজো কৰি অভিযুক্তক আদালতলৈ প্ৰেৰণ কৰিছে।

# চাপৰৰ হাতিপোতাত নিশা উত্তপ্ত পৰিস্থিতি
# লাল মাটি কঢ়িয়াই অনা অভাৰলোড ডাম্পাৰ ধৰি গতাই দিলে বন বিভাগক

**অসম বাৰ্তা, চাপৰ, ৩ আগষ্ট ঃ** বিলাসীপাৰা সমজিলাৰ শালকোচা আঞ্চলিক বন বিষয়াৰ অধীনস্থ তথা চাপৰ থানাৰ অন্তৰ্গত হাতিপোতাৰ মছকাগুৰিত নিশা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। গাঁৱলীয়া পথেৰে অভাৰলোডিং ডাম্পাৰেৰে লাল মাটি কঢ়িয়াই অনাত ৰাইজে আটক কৰি শালকোছা আঞ্চলিক বন বিষয়াক বুজাই দিয়ে। প্ৰাপ্ত অভিযোগ মতে, শালকোচা আঞ্চলিক বন বিষয়াৰ অধীনস্থ তথা শালকোচা আৰক্ষী চকীৰ অধীনস্থ বিভিন্ন ইটা ভাটাত দিনে নিশাই চলিছে অবৈধ লাল মাটি কঢ়িওৱা ডাম্পাৰ। শালকোচা আঞ্চলিক বন বিষয়া তথা আৰক্ষী প্ৰশাসনক মেনেজ কৰি বিনা দিধাই চলাই গৈছে অবৈধ ভাবে লাল মাটি খনন। কালি এটি ইটা ভাটাই পুৱাৰ পৰা নিশা ৯ বজালৈকে গাঁৱলীয়া পথেৰে অবৈধ ভাবে লাল মাটি কঢ়িয়াই আনি আছিল। পথৰ দুৰৱস্থা দেখি তথা নিশা ৯ বজালৈকে মাটি কঢ়িয়াই অনাত স্থানীয় ৰাইজে এখন লাল মাটি ভৰ্তি অভাৰলোডিং ডাম্পাৰ আটক কৰি শালকোচা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত খবৰ দিয়ে। পিছত বন বিভাগৰ কৰ্মচাৰী আহি অভাৰলোডিং AS-16AC-4474 নম্বৰৰ ডাম্পাৰখন জব্দ কৰি বন বিষয়াৰ কাৰ্যালয়লৈ লৈ যায়। যি সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে বনাঞ্চলৰ ভূমি সংৰক্ষণ কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে তেনে সময়তে এই ধৰণৰ খনন কাৰ্যই সকলোৰে চকু কপালত তুলিছে। উল্লেখ্য যে বন ধ্বংস কৰি অবৈধ ভাৱে দিনে নিশাই হাতিপোতাৰ নিউ সৰল ইটা উদ্যোগত ডাম্পাৰেৰে অভাৰলোড ভাৱে লাল মাটি খনন কৰাৰ অভিযোগ কৰে স্থানীয় ৰাইজে। শালকোচা আঞ্চলিক বন বিভাগৰ লগত জড়িত হৈ বনাঞ্চলৰ লাল মাটি অবৈধ ভাৱে একাংশ দালালে খনন কৰাৰ অভিযোগ। ইপিনে স্থানীয় সচেতন ব্যক্তি জাহিদুল ইছলামে অভিযোগ কৰা মতে অবৈধ মাটি খননৰ বিৰুদ্ধে মাত মতাৰ বাবে একাংশ মাটিৰ দালালে বিভিন্ন ধৰণৰ ভয় ভাবুকি প্ৰদান কৰে। অবৈধ মাটি খননৰ লগত জড়িত থকা মাটিৰ দালালৰ বিৰুদ্ধে উচিত ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীৰ ওচৰত অনুৰোধ জনায় স্থানীয় ৰাইজে।

## 'সৰ্পবান্ধৱ' সৌৰভ বৰকটকীৰ নাগচম্পা অভিযান
# সেউজ বিপ্লৱত বৈজ্ঞানিক আৰু জৈৱ বৈচিত্ৰ্যৰ নতুন দিশ

**অসম বাৰ্তা, দিচাংমুখ, ৪ আগষ্ট ঃ** অসমত পৰিৱেশ সংৰক্ষণ আৰু উদ্ভিদৰ জৈৱ বৈচিত্ৰ্যৰ প্ৰতি জনসচেতনতা সৃষ্টি কৰাৰ ক্ষেত্ৰত এক নিভৃত সাধক ৰূপে পৰিচিত 'সৰ্পবান্ধৱ' সৌৰভ বৰকটকী পুনৰ এক অনন্য অভিযানত নিজকে নিয়োজিত কৰিছে। এইবাৰ তেওঁৰ লক্ষ্য নাগচম্পা গছ - সৌন্দৰ্য্য আৰু ঔষধি গুণৰে সমৃদ্ধ এই বিশেষ গছৰ সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰ। ইতিমধ্যে ২০২২ চনত শিৱসাগৰৰ পিয়লি ফুকন উদ্যানত নাগচম্পা গছ পুলি ৰোপণ কৰিছিল বৰকটকীয়ে। বৰ্তমানে সেই গছবোৰৰ অৱস্থা পৰ্যবেক্ষণ কৰিবলৈ তেওঁ পুনৰ উপস্থিত হয় শিৱসাগৰত। গছজোপাৰ স্বাস্থ্য, বৃদ্ধি আৰু স্থানীয় পৰিবেশৰ লগত সাদৃশ্যৰ ক্ষেত্ৰত তেখেতে স্বহস্তে অধ্যয়ন অব্যাহত ৰাখিছে। সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰি বৰকটকীয়ে কয় যে- "নাগচম্পা কেৱল এখন উদ্যানৰ শোভা বা সুগন্ধিৰ গছ নহয়; ইয়াৰ ঔষধি গুণ, হাৰ্বেল চিকিৎসা আৰু প্ৰাকৃতিক পথ্যৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ। মানুহে একেটা গছত কিমান ধৰণৰ উপকাৰ পায়, সেয়া জানিলেহে প্ৰকৃতিৰ ওপৰত বিশ্বাস আৰু মৰম জন্মে। "সৌৰভ বৰকটকীয়ে ২০১৭ চনৰ পৰাই সম্পূৰ্ণ ব্যক্তিগত খৰচত নাগচম্পা, চন্দন, আগৰ, চাৰ পাতধৰা, জয়পাল, মহুয়া, কুৰচি, বনকচু আদিসহ বহু মূল্যবান আৰু দুৰ্লভ উদ্ভিদৰ ৰোপণ কৰি আহিছে। চৰকাৰী অনুদান বা কোনো সংস্থাৰ সহায়তা নথকাৰ সত্ত্বেও তেওঁ পৰিৱেশ তথা জৈৱ প্ৰকৃতি সংৰক্ষণত একাগ্ৰভাৱে নিয়োজিত হৈ আছে। উল্লেখযোগ্য যে, সাপ প্ৰতি মৰম আৰু সজাগতাৰ বাবে 'সৰ্পবান্ধৱ' উপাধি লাভ কৰা সৌৰভ বৰকটকী কেৱলমাত্ৰ জীৱ বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত নহয়, মানৱ-প্ৰকৃতিৰ সহাবস্থাৰ এক যুগান্তকাৰী বাৰ্তা সমাজলৈ দি আহিছে।

# বৰপেটাৰোডৰ জি এল চৌধুৰী মহাবিদ্যালয়ৰ নৱ নিযুক্ত অধ্যক্ষাক আদৰণি

**অসম বাৰ্তা, বৰপেটাৰোড, ৪ আগষ্ট ঃ** সমন্বয় নগৰী বৰপেটাৰোড স্থিত জি এল চৌধুৰী মহাবিদ্যালয়ত ২৯ জুলাইত যোগদান কৰা পূৰ্ণ পৰ্যায়ৰ অধ্যক্ষা ড° জেউতি তালুকদাৰক ১ আগষ্টত মহাবিদ্যালয়ৰ শিক্ষক- কৰ্মচাৰী গোটে আনুষ্ঠানিকভাৱে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উষ্ম আদৰণী জনায়। উল্লেখ্য যে নৱ নিযুক্ত অধ্যক্ষ গৰাকীক বৰপেটা ৰোড প্ৰেছ ক্লাব, বৰপেটা ৰোড সাহিত্য সভা, জি, এল, চি, মহাবিদ্যালয়ৰ বড়ো ষ্টুডেণ্টছ লিটাৰেৰী এণ্ড কালচাৰেল ছ'ছাইটি, ছাত্ৰ একতা সভা, এলুমনি এচোছিয়েশ্যন আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আন্তৰিকতাৰে সম্বৰ্দ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰি তেখেতক আগন্তুক সময়ত সহায়ৰ হাত আগবঢ়াব বুলি মত প্ৰকাশ কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মলিন চন্দ্ৰ ডেকা, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষদ্বয় জগন্নাথ বৰ্মন, ড° জয়া বিশ্বাস কুণ্ড নৱ নিযুক্ত অধ্যক্ষাক শুভকামনা জ্ঞাপন কৰি উপদেশমূলক আশিস প্ৰদান কৰে। সভাত অৱসৰপ্ৰাপ্ত অধ্যাপকদ্বয় পূৰ্ণ বাহাদুৰ ছেত্ৰী আৰু সঞ্জীৱ কুমাৰ দাসো উপস্থিত থাকে। সভাৰ শেষত অধ্যক্ষা ড° তালুকদাৰে উক্ত অনুষ্ঠানৰ বাবে অভিভূত হৈ পৰা বুলি মন্তব্য কৰে আৰু জ্যেষ্ঠসকলৰ পৰামৰ্শ আৰু শিক্ষক-কৰ্মচাৰীৰ সহায়- সহযোগত মহাবিদ্যালয়খনক আগুৱাই লৈ যাব বুলি প্ৰতিশ্ৰুতি দি এটি সাৰুৱা ভাষণ আগবঢ়ায়।


**LOST**

I have lost my HSLC Admit card/ Certificate/ Marks-Sheet bearing Regn. No.- 13/PR/0104/191808/17, Roll-B19-379, No- 0092, Year 2019 and HS Final Admit card / certificate/ Marks-Sheet bearing Regn. No.- 111322, Session -2019-20, Roll- 0716 No- 10069.

Name: Shanti Borah
C/O: Bolo Borah
Rupti Borah
Vill : Phulani
P.O.: Phulani
P.S.: Jengraimukh
Dist : Majuli


# গোৰেশ্বৰৰ দুই মেধাবী শিক্ষাৰ্থীৰ কাষত সাহস হিচাপে থিয় হ'ল যুৱনেতা মৃদুল প্ৰীতম ডেকা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৪ আগষ্ট ঃ** নতুনকৈ গঠিত হোৱা গোৰেশ্বৰ সমষ্টিৰ দুগৰাকী মেধাসম্পন্ন শিক্ষাৰ্থীৰ ওচৰত সাহস হিচাপে থিয় দিলে গোৰেশ্বৰৰ স্থানীয় যুৱক তথা বিজেপি দলৰ এগৰাকী অদম্য, কৰ্মোদ্যমী যুৱনেতা মৃদুল প্ৰীতম ডেকা। জীৱন যুঁজত হাৰ নমনা এগৰাকী অক্লান্ত তৰুণী, আৰ্থিক অনাতনৰ মাজতো প্ৰজ্ঞাৰ





আলোকেৰে নিজক উজ্জ্বলাই তুলিবলৈ সক্ষম হোৱা গোৰেশ্বৰৰ টেঙাঝাৰৰ মেধাৱী শিক্ষাৰ্থী অস্মিতা কলিতাৰ ওচৰত সাহস হিচাপে থিয় দিলে যুৱনেতা মৃদুল প্ৰীতম ডেকা। এইবেলি সৰ্বভাৰতীয় NEET পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ MBBS পাঠ্যক্ৰমত চৰকাৰী শিক্ষানুষ্ঠানত পঢ়াৰ সুযোগ লাভ কৰিছে অস্মিতাই। অস্মিতাই মাতৃ কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ পিছতো নিজৰ মনোবল অটুট ৰাখি এইবাৰৰ NEET পৰীক্ষাত সফলতা লাভ কৰি অঞ্চলটোৰ নাম উজ্জ্বলায় তোলাত গোৰেশ্বৰৰ কৰ্মোদ্যমী যুৱ নেতা মৃদুল প্ৰীতম ডেকাই অস্মিতাৰ পৰিয়ালটোৰ কাষত থিয় হৈ তেওঁলোকক সাহস প্ৰদান কৰে। ইয়াৰ লগতে ছাত্ৰী গৰাকীৰ অধ্যয়নত সহায় হোৱাকৈ এটা টেবলেট আগবঢ়াই যুৱনেতা মৃদুল প্ৰীতম ডেকাই। আনহাতে CEE-JEE পৰীক্ষাত উত্তীৰ্ণ হৈ মৃণাল কলিতা নামৰ আন এগৰাকী ছাত্ৰয়ো গোৰেশ্বৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। যথেষ্ট আৰ্থিক অনাতনৰ মাজতো একাগ্ৰতাৰ বলত সফলতা অৰ্জন কৰা ছাত্ৰ গৰাকীৰ ঘৰতো উপস্থিত হৈ পৰিয়ালটোৰ সাহস হিচাপে থিয় দি গোৰেশ্বৰৰ যুৱ নেতা মৃদুল প্ৰীতম ডেকাই তেওঁলৈ অধ্যয়নৰ উপযোগী হোৱাকৈ এটা টেবলেট আগবঢ়াই। ইয়াৰ লগতে ছাত্ৰ গৰাকীক প্ৰয়োজন হোৱা এখন চাইকেল দিয়াৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে যুৱনেতা মৃদুল প্ৰীতম ডেকাই। এনেদৰে গোৰেশ্বৰৰ যুৱনেতা মৃদুল প্ৰীতম ডেকাই দুখীয়া মেধাসম্পন্ন শিক্ষাৰ্থী দুগৰাকীক সহযোগিতা কৰা কাৰ্যৰ বাবে গোৰেশ্বৰৰ সচেতন ৰাইজে নেতাগৰাকীলৈ ধন্যবাদ জ্ঞাপন কৰিছে আৰু তেওঁৰ এনেধৰণৰ সামাজিক কাৰ্যৰ দ্বাৰা অনাগত সময়ত গোৰেশ্বৰ ৰাইজে আৰু অধিক উপকৃত হব বুলি আশা প্ৰকাশ কৰিছে।

## উদুলি-মুদুলি জামুগুৰি গৰখীয়া থান প্ৰাংগণ
# সাত শতাধিক শৰাইৰে উজ্জ্বলি উঠিল নগাঁৱৰ জামুগুৰিৰ গৰখীয়া থান
## ৩১ তম্ বাৰ্ষিক আৰু শৰাইৰ এদিন মহোৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৪ আগষ্ট ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৱৰ্তী জামুগুৰি ঐতিহ্যমণ্ডিত ৩৫০ বছৰীয়া সাৰ্বজনীন গৰখীয়া থানত বিগত বছৰ সমূহৰ দৰে এইবাৰো ৩১তম বাৰ্ষিক সেৱা গৰখীয়া সবাহ আৰু শৰাইৰ এদিন উৎসৱভাগ আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সম্পন্ন হয়। আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে পুৱা ৮ বজাত ভক্তপ্ৰাণ সেৱকী সকলে আগবঢ়োৱা শৰাই উছৰ্গা সম্পন্ন হয়। পুৱা ৯: ৩০ বজাত পাঠাচাৰ্য্য দুলাল ভাগৱতীৰ দায়িত্বত কীৰ্তন পাঠ অনুষ্ঠানৰ পাছতে পুৱা ১০ বজাত খোল আৰু নাম প্ৰসংগ, পুৱা ১১ বজাত কীৰ্তন পাঠ, ১১: ৩০ বজাত গোপাল ভোগ পৰিৱেশন, ১১: ৪৫ বজাত আপ্যায়ন, ১২বজাত মহানাম আৰম্ভ হয়। আনহাতে, যোৱা কালি পুৱা ৭বজাত পৰিৱেশ নিকাকৰণ, ৭: ৩০বজাত মণিকূটত বন্তি প্ৰজ্বলনেৰে গৰখীয়া সবাহ আৰু শৰাইৰ এদিন উৎসৱৰ শুভাৰম্ভ হোৱাৰ পাছতে পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰে উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি পুষ্পেন্দ্ৰ হাজৰিকাই। পুৱা ৯: ৩০ বজাত স্মৃতি তৰ্পণ কৰে থান পৰিচালনা সমিতিৰ সভাপতি থানেশ্বৰ নাথে। পুৱা ১০বজাত কীৰ্তন পাঠৰ শুভাৰম্ভ কৰে পাঠাচাৰ্য্য মুনিন্দ্ৰ নাথে। পুৱা ১০: ৩০ বজাৰ পৰা নামাচাৰ্য অনন্ত নাথৰ লগতে গায়ন হেমকান্ত নাথ আৰু বায়ন মুহিধৰ নাথৰ নেতৃত্বত খোল আৰু নাম প্ৰসংগ সম্পন্ন হোৱাৰ পাছতে ১১: ৩০ বজাত আপ্যায়নৰ পাছত দুপৰীয়া ১বজাৰ পৰা ভাগৱত পাঠ উদ্বোধন কৰে বিনন্দ চন্দ্ৰ বৰদলৈয়ে। উল্লেখ যে আজিৰ এই শৰাই এদিন কাৰ্যসূচীত অঞ্চলৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ দ্বাৰা উৎসৰ্গিত শৰাই সংখ্যা হৈছে প্ৰায় সাত শতাধিক। ইয়াৰ পাছতে সন্ধিয়া ৬: ৩০ বজাত সমূহীয়া বন্তি প্ৰজ্বলন সম্পন্ন হয়। নিশা ১০ বজাত ভাগৱত পাঠৰ সামৰণি পাছতে ১০: ৩০ ৰ পৰা আপ্যায়ন সম্পন্ন হয় বুলি উৎসৱ উযদাপন সমিতিয়ে জানিবলৈ দিছে।

# নগাঁৱত পথ সুৰক্ষা সজাগতামূলক মটৰ চাইকেল ৰেলীৰ সন্দৰ্ভত সংবাদমেল



**অসম বাৰ্তা, নগাঁও, ৪ আগষ্ট ঃ** নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই আগন্তুক ৩ আগষ্টত নগাঁও জিলা প্ৰশাসনৰ অন্তৰ্গত জিলা পথ সুৰক্ষা সমিতিৰ উদ্যোগত পথ সুৰক্ষাৰ সম্পৰ্কত আয়োজিত সজাগতামূলক বাইক ৰেলীৰ সন্দৰ্ভত এখনি সংবাদমেল সম্বোধন কৰে। সংবাদমেলত জিলা আয়ুক্ত গৰাকীয়ে এই বৰ্ষৰ জানুৱাৰী মাহৰ পৰা ৩১ জুলাইত জিলাখনত সংঘটিত হোৱা পথ দুৰ্ঘটনাৰ এক পৰিসংখ্যা দাঙি ধৰি কয় যে, বৰ্তমানলৈকে জিলাখনত ৬৮৮টা পথ দুৰ্ঘটনা সংঘটিত হৈছে আৰু এই দুৰ্ঘটনা সমূহত ১৪১ গৰাকীৰ মৃত্যু হৈছে আৰু ৯৭৭ গৰাকী লোক আঘাতপ্ৰাপ্ত হৈছে। আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে যে, এই দুৰ্ঘটনা সমূহৰ অধিকাংশই হেলমেট পৰিধান নকৰা আৰু সুৰাপান কৰি তীব্ৰ গতিত বাইক চলোৱাৰ পৰিপ্ৰেক্ষিতত সংঘটিত হৈছে। এই দুৰ্ঘটনা সমূহ প্ৰতিৰোধৰ বাবে জিলা পথ সুৰক্ষা সমিতিয়ে দুৰ্ঘটনা সংঘটিত হ'বপৰা চিহ্নিত এলেকা সমূহত পথ সুৰক্ষা ব্যৱস্থা সমূহ কটকটীয়া কৰিছে। লগতে বৰ্তমান এই বাৰিষাকালত পথত বৰষুণৰ পানী জমা হোৱাৰ ফলত সংঘটিত হ'ব পৰা দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে পথৰ গাঁত সমূহ মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নৱ প্ৰজন্মক যান-বাহন আইন আৰু পথ সুৰক্ষা বিষয়ৰ ওপৰত সজাগতা বৃদ্ধিৰ উদ্দেশ্যেৰে আয়োজিত এই বাইক ৰেলীটি অহা কালিলৈ পুৱা ৯-০০ বজাত জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাংগণৰ পৰা আৰম্ভ হৈ কলিয়াবৰৰ বাগৰি হৈ পুনৰ নগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাংগণত সমাপ্ত হব। উল্লেখযোগ্য যে, এই বাইক ৰেলীত অংশগ্ৰহণকাৰী সকলে যাত্ৰা পথত জখলাবন্ধাৰ বাছ আস্থানত এখন পথ সজাগতা সভাটো অংশগ্ৰহণ কৰিব। ৩আগষ্টত অনুষ্ঠিত হবলগীয়া এই পথ সুৰক্ষা সজাগতামূলক বাইক ৰেলীত জিলাবাসী ৰাইজৰ অংশগ্ৰহণ আৰু সহযোগিতা জিলা আয়ুক্ত ডাঙৰীয়াই আন্তৰিকতাৰে আহ্বান কৰিছে। আজিৰ এই সংবাদ মেলত অতিৰিক্ত জিলা আয়ুক্ত সুদীপ নাথ, জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা নগাঁও, হোজাই পথ সংমণ্ডলৰ অধীক্ষক অভিযন্তা গোবিন্দ সিং, জিলা তথ্য আৰু জনসংযোগ বিষয়া মন্দিৰা চায়েঙীয়া আৰু জিলাখনৰ সংবাদকৰ্মী সকল উপস্থিত থাকে।



অসমত চলি থকা অবৈধ উচ্ছেদৰ বিৰুদ্ধে ধৰ্মঘট

# অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ প্ৰতিবাদত কঁপিল নতুন দিল্লীৰ যন্ত্ৰৰ-মন্ত্ৰৰ

**অসম বাৰ্তা, ডবকা, ৪ আগষ্ট ঃ** অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অসমত চলি থকা অবৈধ উচ্ছেদৰ বিৰুদ্ধে নতুন দিল্লীৰ যন্ত্ৰৰ-মন্ত্ৰৰত আজি এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অসমৰ বিভিন্ন প্ৰান্তত চলি থকা অমানৱীয় উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ লগতে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ প্ৰতিবাদত কঁপিল দিল্লীৰ আকাশ বতাহ। হাতে হাতে প্লে'কাৰ্ড লৈ বিভিন্ন শ্লোগানেৰে কঁপাই তোলে প্ৰতিবাদস্থলী। ভূমিহীন লোকক অবৈধ উচ্ছেদ বন্ধ কৰক, উচ্ছেদৰ পূৰ্বে ভাৰতীয় নাগৰিকক পুনৰ সংস্থাপন দিয়ক, উচ্ছেদ হোৱা লোকসকলক তাৎক্ষণিক সংস্থাপন দিয়ক, অবৈধ পুছ বেক বন্ধ কৰক, শিশু আৰু মহিলা সুৰক্ষা নিশ্চিত কৰক আদি ধ্বনিৰে প্ৰতিবাদস্থলী উত্তাল কৰি তুলে। অনাগত দিনত অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ দাবী সমূহ মানি নললে ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে ৰে'ল পথো অৱৰোধ কৰাৰ হুংকাৰ প্ৰদান কৰে।

# লাওখোৱা প্ৰাথমিক শিক্ষাখণ্ডত বাল্য বিবাহৰ বিৰুদ্ধে সজাগতা সভা

**অসম বাৰ্তা, ৰূপহীহাট, ৪ আগষ্ট ঃ** লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ কাৰ্যালয়ত আজি বাল্য বিবাহৰ বিৰুদ্ধে এক সজাগতা সভা অনুষ্ঠিত হয়। বাল্যবিবাহৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ লোককে এই সামাজিক ব্যাধিৰ বিৰুদ্ধে সক্ৰিয়ভাৱে প্ৰশিক্ষণ প্ৰদান কৰাৰ উদ্দেশ্যেৰে কলিয়াবৰ সম-জিলা প্ৰশাসন, জিলাৰ শিশু সুৰক্ষা গোট আৰু ক'চি লোক মঞ্চৰ যুটীয়া উদ্যোগত সভাখন অনুষ্ঠিত হয়। লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ সভা কক্ষত আয়োজিত উল্লিখিত প্ৰশিক্ষণ কাৰ্যসূচীত লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া কৰ্মচাৰী, চিআৰচিচি সকল, প্ৰধান শিক্ষকসকৰ, শিঙিমাৰী গাঁও পঞ্চায়তৰ উপ সভানেত্ৰীৰ লগতে বহু গণ্যমান্য ব্যাক্তি উপস্থিত থাকে। উক্ত সজাগতা সভাত কচি ৰ উদ্যোগতা সকলে বাল্য বিবাহ ৰোধ কৰাৰ কাৰণে এক তত্ত্বগধুৰ ভাষণ দিয়ে। সভাৰ অন্তত লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া মেহেবুব আহমেদ লস্কৰে কয় যে বাল্য বিবাহ হৈছে সমাজৰ এক ব্যাধি স্বৰূপ। ইয়াক ৰোধ কৰিবলৈ হলে আমি সকলোৱে মাৰ বান্ধি



থিয় হব লাগিব। লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ প্ৰতিটো স্কুলতে বাল্য বিবাহৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীক সজাগতা অনাৰ চেষ্টা কৰিব বুলি মন্তব্য কৰে বিষয়া গৰাকীয়ে। বাল্য বিবাহ সম্পৰ্কে লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত প্ৰত্যেকখন স্কুলতে প্ৰাৰ্থনাৰ সময়ত ছাত্ৰ-ছাত্ৰীক বুজাবলৈ প্ৰধান শিক্ষকসকলক আহ্বান জনাই শিক্ষা বিষয়া গৰাকীয়ে।

# নগাঁৱৰ ধিং মহাবিদ্যালয়ৰ নৱনিৰ্মিত মূল প্ৰৱেশদ্বাৰ মুকলি মন্ত্ৰী কেশৱ মহন্তৰ



**অসম বাৰ্তা, নগাঁও, ৪ আগষ্ট ঃ** নগাঁও জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান ১৯৬৫ চনতে স্থাপিত তথা ৬০ টি বছৰ অতিক্ৰম কৰি হীৰক জয়ন্তী বৰ্ষ গৰকা ধিং মহাবিদ্যালয়ৰ নৱনিৰ্মিত মূল প্ৰৱেশদ্বাৰ খনি আজি ইং ২ আগষ্ট ২০২৫ তাৰিখে, আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই। উক্ত উদ্বোধনী অনুষ্ঠানত নগাঁও-বটদ্ৰৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়া, জিলা আয়ুক্ত, দেৱাশিস শৰ্মা, প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বিমান হাজৰিকা, গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মৃগাংক শইকীয়া, ধিং চক্ৰ বিষয়া সৌৰভ দাস, অঃঅঃসেঃ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল, মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ- ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, উক্ত কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ধিং মহাবিদ্যালয়তে আয়োজিত চিত্ৰ প্ৰদৰ্শনী আৰু অসম মুকুটা উন্নয়ন সমবায় সমিতি লিমিটেডৰ তত্ত্বাৱধানত উৎপাদিত মুকুতাৰ এখনি মুকুতা প্ৰদৰ্শনী অনুষ্ঠানতো জিলা আয়ুক্ত গৰাকীয়ে অংশগ্ৰহণ কৰে।

## নলবাৰী জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি সুৰেশ মহন্তৰ বিয়োগ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৪ আগষ্ট ঃ** নলবাৰী জিলাৰ বিশিষ্ট সমাজকৰ্মী, ৰাজনীতিবিদ সুৰেশ মহন্তৰ কালি সন্ধিয়া ৬.৪৫ মিনিটত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত মহন্তৰ বয়স আছিল ৮০ বছৰ। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত পতিত নোৱাপাৰা গাঁৱত জন্মগ্ৰহণ কৰা সুৰেশ মহন্তই যাঠিৰ দশকতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ভূতত্ত্ব বিজ্ঞান বিভাগত উত্তীৰ্ণ হৈ কামৰূপ জিলাৰ নগৰবেৰাস্থিত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰিছিল। পিছলৈ তেওঁ অধ্যাপকৰ পদ ত্যাগ কৰি সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰাৰ লগতে আজীৱন সমাজ সেৱাৰ লগত নিজকে জড়িত কৰিছিল। নাৰায়ণপুৰ হাইস্কুলৰ প্ৰতিষ্ঠাপক সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰা মহন্তই মুকালমুৱাস্থিত মধ্যম বৰক্ষেত্ৰী বহুমুখী সমবায় সমিতিৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। সদ্যপ্ৰয়াত মহন্তই ১৯৯১ চনত বৰক্ষেত্ৰী সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী আৰু সমৰ্থক হিচাপে আন্দোলনত জড়িত মহন্ত অগপ দলৰ বৰক্ষেত্ৰীৰ অগ্ৰণী কৰ্মী আছিল। পিছলৈ নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা মহন্তৰ শেষকৃত্য নলবাৰী চহৰৰ ৰাজহুৱা শ্মশানত সমাপন কৰা হয়। মহন্তৰ মৃত্যুত সমগ্ৰ নলবাৰী জিলাতে শোকৰ ছাঁ পৰিছে।

## বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভৱানী প্ৰসাদ শৰ্মাৰ মৃত্যু

**অসম বাৰ্তা, বিশ্বনাথ, ৪ আগষ্ট ঃ** বিশ্বনাথ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভৱানী প্ৰসাদ শৰ্মাৰ আজি পুৱা ২.৩০ বজাত গলিয়াৰ নিজা বাসভৱনত মৃত্যু ঘটে। ১৯৭২ চনৰ পৰা ২০০৮ চনলৈকে তেওঁ সততা, নিষ্ঠা আৰু অধ্যৱসায়ৰ সৈতে ৰাজনীতি বিজ্ঞান বিষয়ৰ অধ্যাপক হিচাপে বিশ্বনাথ মহাবিদ্যালয়ত কৰ্মনিৰ্বাহ কৰি অসংখ্য গৱেষক, শিক্ষাৰ্থী আৰু সচেতন নাগৰিক গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল শৰ্মাই। প্ৰাক্তন কটনিয়ান হিচাপে তেওঁ শিক্ষাক্ষেত্ৰত উচ্চ আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছিল। তেওঁৰ মৃত্যুত বিশ্বনাথ মহাবিদ্যালয় শিক্ষক গোট, বিভিন্ন দল সংগঠন তথা অঞ্চলবাসীয়ে গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ গলিয়াৰ বাসভৱনত আজি বিধায়ক প্ৰমোদ বৰঠাকুৰ বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ চিন্তা মণি শৰ্মাকে ধৰি অধ্যাপকসকল, শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী, আত্মীয়-স্বজন আৰু বহু শ্ৰদ্ধাৱান ৰাইজে উপস্থিত থাকি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

গৰৈমাৰীত ভূমি পট্টাদাৰৰ সংবাদমেল

# চাম্পুপাৰাত মাটি পট্টাৰ নামত ৰাজহ চক্ৰ নূপুৰ বৰাৰ বিৰুদ্ধে অনা অভিযোগ অগ্ৰাহ্য

**অসম বাৰ্তা, গৰৈমাৰী, ৪ আগষ্ট ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত চাম্পুপাৰা গাঁৱত মাটি পট্টাৰ নামত গৰৈমাৰী ৰাজহ চক্ৰ বিষয়া নূপুৰ বৰাৰ বিৰুদ্ধে অনা অভিযোগ সন্দৰ্ভত আজি চাম্পুপাৰা গাঁৱৰ মাটিৰ পট্টাদাৰসকলে গৰৈমাৰীত এখনি সংবাদমেলৰ আয়োজন কৰে। উক্ত সংবাদমেল যোগে মাটি পট্টাৰ নামত গৰৈমাৰী ৰাজহ চক্ৰ বিষয়াৰ বিৰুদ্ধে অনা অভিযোগ অসত্য বুলি কোৱাৰ উপৰি ম্যাদী লাভ কৰা পট্টাদাৰ সকলক উচ্ছেদ কৰাৰ অভিসন্ধি ৰচনা কৰাৰ বাবে আৰু চক্ৰ বিষয়া নূপুৰ বৰাক মিছা অপবাদ দিয়াৰ উদ্দেশ্যলৈ এনেকুৱা মিছা অভিযোগ দিয়া হৈছে বুলিও সংবাদমেলযোগে পট্টাদাৰ সকলে জানিবলৈ দিয়ে। সংবাদমেল যোগে জনোৱা মতে যোৱা কিছুদিন ধৰি গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত নিজৰ মুনাফা আদায় কৰিবলৈ গৈ বিফল হোৱা কিছু লোকে চক্ৰ বিষয়াক বেয়া পাই দুৰ্নীতিৰ তথ্য নোহোৱাকৈ ৰাজহ চক্ৰ বিষয়াৰ বদনাম কৰাৰ উদ্দেশ্যলৈ সামাজিক মাধ্যমত মিছা প্ৰচাৰ আৰু হকে বিহকে চক্ৰ বিষয়াৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত অভিযোগ দি ৰাজহ চক্ৰ কাৰ্যালয়ৰ সুনাম বিনষ্ট কৰি পেলাইছে। ইয়াৰোপৰি উক্ত লোকগনে চক্ৰ বিষয়াৰ বিৰুদ্ধে মিছা অভিযোগ দিয়াৰ ফলত বিভাগীয় কৰ্তৃপক্ষক সেই অভিযোগৰ উত্তৰ দিবলৈ গৈ চক্ৰ বিষয়াই সময় দিবলগীয়া হোৱাত সাধাৰণ ৰাইজৰ কাম কাজ প্ৰায় বন্ধ হৈ পৰিছে। ফলত গৰৈমাৰী ৰাজহ চক্ৰ কাৰ্যালয়ত ৰাজহ বিভাগৰ কাম কাজৰ ক্ষেত্ৰত সাধাৰণ ৰাইজ সমস্যাত পৰিছে। মুখ্যমন্ত্ৰী তথা জিলা উপায়ুক্তলৈ অভিযোগকাৰীয়ে চক্ৰ বিষয়া নূপুৰ বৰাই মুখ্যমন্ত্ৰীৰ অভিলাযী আঁচনি মিছন বসুন্ধৰাক অংগুষ্ঠ দেখুৱাই এফালৰ পৰা চৰকাৰী ভূমি একাংশ অসাধু লোকক পোনপোটীয়াকৈ পট্টন দি কোটি কোটি টকা আত্মসাৎ কৰা বুলি যি অভিযোগ উত্থাপন কৰিছিল সেয়া মিছা আৰু মনেসজা অভিযোগ আছিল বুলি আজি তথ্য সহকাৰে চাম্পুপাৰাৰ ভূমি পট্টাদাৰ সকলে সংবাদমেল যোগে জানিবলৈ দিয়ে। উল্লেখ্য গৰৈমাৰী মৌজাৰ চাম্পুপাৰা গাঁৱৰ চৰকাৰী ১৬০ নং দাগৰ ৩০০ বিঘা চৰকাৰী জমি ১৯৭৭ চনত কামৰূপ জিলাৰ ভূমি উপদেষ্টা সমিতিৰ পৰা আবণ্টন লাভ কৰে। আবণ্টন অনুযায়ী ২০১৯চনত সেই সময়ৰ চক্ৰ বিষয়া ধ্ৰুবজ্যোতি হাতী বৰুৱাই লাট মণ্ডলৰ প্ৰতিবেদন অনুযায়ী ৪৯টা পৰিয়ালৰ নামত ৫৭ বিঘা ৩ কঠা ৬.৫ লেছা জমি একচনা পট্টা দিব পৰা যায় বুলি জিলা উপায়ুক্তলৈ আবেদন কৰে। উক্ত আবেদন পৰীক্ষা নিৰিক্ষা কৰি জিলা উপায়ুক্তই আবণ্টিত জমি একচনা পট্টা হিচাপে অনুমোদন দিয়ে। পৰ্যায়ক্ৰমে একচনা পট্টা লাভ কৰা পৰিয়ালৰ আবেদন অনুযায়ী গৰৈমাৰী মৌজাৰ চাম্পুপাৰা গাওৰ ১৬০ নং দাগৰ পৰা (ক) স্বাহজাহান আলী ১ বিঘা ২ কঠা ১০ লেচা, দাগ নং ৩০৩ (খ) ছামছুল হক, ১ বিঘা ২ কঠা ১০ লেচা, দাগ নং ৩০২ (গ) সোণা উল্লাহ ২ বিঘা, দাগ নং ৩০১ (ঘ) খুদেজা খাতুন ২ বিঘা, দাগ নং ৩০০, আৰু (ঙ) যোগেন্দ্ৰ কলিতা ১৫৮ নং দাগত ১ বিঘা, ১৬১ নং দাগত ২ কঠা ১০ লেচা, ১৬২ নং দাগত ৪ কঠা, ১৬৩ নং দাগত ৪ কঠা, ১৬৪ নং দাগত ১ বিঘা ১০ লেচা, ১৬৫ নং দাগত ৩ বিঘা, ১৬৬ নং দাগত ৩ বিঘা ১ কঠা, ১৬৭ নং দাগত ২ কঠা, ১৬৮ নং দাগত ৩ কঠা ২ লেচা, ১৬৯ নং দাগত ১ কঠা ৫ লেচা, ১৭০ নং দাগত ৩ কঠা, ১৭১ নং দাগত ৪ কঠা, ১৭২ নং দাগত ৩ কঠা ৩ লেচা, ১৭৩নং দাগত ৩ কঠা ২ লেচা, ১৭৪ নং দাগত ২ কঠা, ১৭৫ নং দাগত ১ কঠা ৫ লেচা, ১৭৬নং দাগত ১ বিঘা, ১৭৬ নং দাগত ১ কঠা, ১৭৭ নং দাগত ১ কঠা ১০ লেচা, ১৭৮ নং দাগত ১ কঠা ১৫ লেচা সৰ্বমুঠ ২২ বিঘা ৪ কঠা ২ লেচা ভূমি উপৰিউক্ত ব্যক্তিসকলৰ নামত বিভাগীয় অনুমতি সাপেক্ষে SDLACৰ Approval মতে ম্যাদী হয়। কিন্তু এটা চক্ৰই বৰ্তমানৰ গৰৈমাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী কাৰ্যালয়ত হকে বিহকে মিছা অভিযোগ দিয়ে। লগতে চাম্পুপাৰা গাঁৱৰ মাটি ম্যাদীৰ নামত চক্ৰ বিষয়া নূপুৰ বৰাই কৌটি কৌটি টকা সংগ্ৰহ কৰা বুলি মিছা অভিযোগ উত্থাপন কৰে। ফলত আজি মিছা অভিযোগ দাখিল কৰা অভিযোগকাৰীৰ ওপৰত খৰ্গহস্থ হৈ চাম্পুপাৰা গাঁৱত ম্যাদী লাভ কৰা লোকে এখনি সংবাদমেলৰ আয়োজন কৰে। অভিযোগকাৰীসকলে ম্যাদী লাভ কৰা পট্টাদাৰ সকলক উচ্ছেদ কৰাৰ অভিসন্ধি ৰচনা কৰাৰ বাবে আৰু চক্ৰ বিষয়া নূপুৰ বৰাক মিছা অপবাদ দিয়াৰ উদ্দেশ্যলৈ এনেকুৱা মিছা অভিযোগ দিয়া হৈছে বুলিও সংবাদমেলযোগে পট্টাদাৰসকলে জানিবলৈ দিয়ে।

# বিটিচিৰ যমদুৱাৰৰ মাকটাইগাঁৱত বিপিএফৰ যুৱ, মহিলা-বিএছইউৰ যৌথ উদ্যোগত প্ৰচাৰ সভা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৪ আগষ্ট ঃ** বিপিএফৰ দখলত থকা বিটিচিৰ ৪ নম্বৰ যমদুৱাৰ সমষ্টিত বিপিএফৰ সম্ভাব্য প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীৰ বিজয় সুনিশ্চিত কৰাৰ বাবে বুথ আৰু ব্লক পৰ্যায়ত দলৰ মহিলা-যুৱ আৰু ছাত্ৰ সংগঠনে ঘৰে ঘৰে গৈ প্ৰচাৰ চলাই আছে। বিপিএফৰ তিনিটা শাখা সংগঠনৰ উদ্যোগত আজি যমদুৱাৰ সমষ্টিৰ মাকটাইগাঁৱত এখন দলীয় সভা অনুষ্ঠিত হয়। উক্ত সভাত জিলা মহিলা বিপিএফৰ সভানেত্ৰী প্ৰগতি ব্ৰহ্ম, সাধাৰণ সম্পাদিকা মফিদা বেগম, কেন্দ্ৰীয় সমিতিৰ সদস্যা শিখা সিংহ, প্ৰচাৰ সম্পাদক কমলা গোৱালা, যুৱ বিপিএফৰ কেন্দ্ৰীয় সম্পাদক জিকেন ৰাৱী, জিলা বি এছ ইউৰ সভাপতি ফিৰজ বসুমতাৰী আৰু উপ সভাপতি প্ৰদীপ বসুমতাৰীৰ লগতে যমদুৱাৰ সমষ্টিৰ বিপিএফৰ অনেক নেতা কৰ্মী উপস্থিত থাকে। যমদুৱাৰ সমষ্টিৰ পৰা সদায় বিপিএফৰ প্ৰাৰ্থীয়ে জয়লাভ কৰি আহিছে। যোৱা বেলিও বিপিএফৰ প্ৰাৰ্থী জয়লাভ কৰিছিল যদিও তেওঁ পাছত আন দলত গুচি যায় কিন্তু ৰাইজ বিপিএফৰ লগতে আছে। এইবেলি পূৰ্বতকৈ অধিক ভোটত বিপিএফৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীৰ জয়লাভ নিশ্চিত বুলি দাবী কৰে বিপিএফৰ শাখা সংগঠনৰ নেতৃবৃন্দই। উক্ত সভাত বিপিএফৰ সভাপতি



তথা বিটিচিৰ প্ৰাক্তন চীফ হাগ্ৰামা মহিলাৰীয়ে ঘোষনা কৰা পাঁচটা গেৰাণ্টিৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰি যমদুৱাৰ সমষ্টিৰ পৰা বিপিএফৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীক বিপুল ভোটত জয়ী কৰাবলৈ সকলো জাতি-জনগোষ্ঠীৰ ৰাইজক আহ্বান জনায়।

# বিশ্বনাথ প্ৰশাসনৰ উদ্যোগত নাট কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, বিশ্বনাথ, ৪ আগষ্ট ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু বিশ্বনাথ জিলা প্ৰশাসনৰ সহযোগত যোৱা ১৫ জুলাইৰ পৰা বিধানসভা সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা বৰ্ণমৰ নাট কৰ্মশালাৰ যোৱা ৩১ জুলাইত সফল সামৰণি ঘটে। বিশ্বনাথ বিধানসভা সমষ্টিৰ এই ১৫ দিনীয়া কৰ্মশালা বিশ্বনাথ চাৰিআলিৰ বৰ্ণম আখৰা গৃহত অনুষ্ঠিত হোৱাৰ লগতে সামৰণি অনুষ্ঠান অনুষ্ঠিত হয় স্থানীয় কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত। এই সামৰণি অনুষ্ঠান উদ্বোধন কৰে বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। বৰ্ণমৰ সম্পাদক কুশল ডেকাই আঁত ধৰা অনুষ্ঠানত বিধায়কে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰাৰ লগতে জ্যেষ্ঠ নাট্যশিল্পী চিত্ত শইকীয়াৰ উপস্থিতিত বৰ্ণমৰ সভাপতি তথা বিশ্বনাথৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰে বৰ্ণমৰ কৰ্মৰাজীৰ বিষয়ে উল্লেখ কৰে। বৰ্ণমৰ নৃত্যশিল্পী অংকুৰ মনি কপিলৰ সত্ৰিয়া নৃত্যৰে আৰম্ভ হোৱা সামৰণি অনুষ্ঠানত গণেশ সিং ৰ পৰিচালনাত 'বেটি বচাওঁ বেটি পঢ়াও' শীৰ্ষক মূকাভিনয়ৰ অনুষ্ঠান পৰিৱেশন কৰাৰ লগতে অতিথি প্ৰশিক্ষক হিচাবে উপস্থিত থাকি অসীম কুমাৰ নাথৰ পৰিচালনাত ক্ৰমে 'পোত যোৱা কাহিনী' আৰু 'বিড়াল তপস্বী' নামৰ নাটক দুখন পৰিবেশন হোৱাৰ উপৰিও বৰ্ণমৰ প্ৰশিক্ষক ক্ৰমে তপন গোস্বামী, গণেশ সিং আৰু মিতালী ৰয় দাসৰ পৰিচালনাত 'শেষ নোহোৱা সাধু' নাটকখন মঞ্চস্থ হয়। মুঠ ৩২ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই নাট কৰ্মশালাৰ সামৰণি অনুষ্ঠানত বিশ্বনাথৰ দৰ্শকৰ দ্বাৰা প্ৰশংসিত হোৱাৰ উপৰিও অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানৰ সামৰণিত সকলো প্ৰশিক্ষাৰ্থীক জিলা আয়ুক্তৰ দ্বাৰা স্বাক্ষৰিত প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।

# দুলীয়াজানৰ সন্মিলিত সাংবাদিক মঞ্চৰ উদ্যোগত কৰ্মৰত্ন জগত চন্দ্ৰ বৰুৱাৰ জন্মদিনত ওপজা দিনৰ সুবাস" উদ্‌যাপন



**অসম বাৰ্তা, দুলীয়াজান, ৪ আগষ্ট ঃ** দুলীয়াজানৰ সন্মিলিত সাংবাদিক মঞ্চৰ উদ্যোগত বিশিষ্ট শিক্ষাবিদ, পথিকৃত সাংবাদিক, লেখক তথা জাতীয়তাবাদৰ প্ৰবক্তা কৰ্মৰত্ন জগত চন্দ্ৰ বৰুৱাৰ জন্মদিন উপলক্ষে "ওপজা দিনৰ সুবাস" উদ্‌যাপন কৰা হয়। মঞ্চৰ সভাপতি জয়ন্ত ভুএগ্ৰাই আদৰণি ভাষণ আৰু সভাপতিত্ব কৰা উক্ত সভাত সমাজকৰ্মী শংকৰজ্যোতি বৰুৱাৰ ব্যৱস্থাপনাত ড০ অজিৎ শইকীয়া আৰু মনোজ দত্তৰ সম্পাদনাত প্ৰকাশ কৰা উলিওৱা হয় জগত চন্দ্ৰ বৰুৱাৰ অভিনন্দন গ্ৰন্থ 'ঐশানু'। এই গ্ৰন্থখনি উন্মোচন কৰে দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ সুৰেন্দ্ৰ নাথ গগৈয়ে। কঠালগুৰি দুৰৰি সামুহিক কেন্দ্ৰত কালি আয়োজিত এই অনুষ্ঠানত ডিব্ৰু মহাবিদ্যায়লৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি বক্তব্য আগবঢ়াই। সন্মিলিত সাংবাদিক মঞ্চৰ সম্পাদক প্ৰাঞ্জল শইকীয়াই শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজান প্ৰেছ ক্লাব, টাই ভাষাৰ শিক্ষয়িত্ৰী আৰু কণ্ঠশিল্পী দেৱজ্যোতি ফুকন, মাহমৰা প্ৰেছ ক্লাবৰ উপ সভাপতি দেৱজিত চাউৰক, দুলীয়াজান সাহিত্য সভা, লেখিকা সংস্থা, অইল ঠিকাদাৰ সন্থা, জ্যেষ্ঠ নাগৰিক সন্মিলন কঠালগুৰী শাখা, টিপলিং ঘাট হাইস্কুলৰ ১৯৯৫ শিক্ষান্ত বৰ্ষৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী, অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য আদিত্য গোস্বামী, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ জ্যোতিপ্ৰসাদ কোঁৱৰ, অমৰজ্যোতি যুৱ সংঘ, দুলীয়াজান যুৱ সংঘকে আদি একুৰিতকৈ অধিক অনুষ্ঠান প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে জগত চন্দ্ৰ বৰুৱাৰ ওপজা দিনত শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে।

## সম্পাদকীয়

# এছএছচিৰ বিশৃংখল পৰীক্ষা ব্যৱস্থা আৰু পৰীক্ষাৰ্থীৰ ভৱিষ্যত

দেশজুৰি ষ্টাফ চিলেকচন কমিচন (এছএছচি)ৰ পৰীক্ষাৰ বিশৃংখল পৰিচালনাৰ বিৰুদ্ধে শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ বিক্ষোভে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে- চৰকাৰী নিযুক্তি প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰ্ভৰযোগ্যতা ক'ত? ২০২৫ চনৰ ২৪ জুলাইৰ পৰা ১ আগষ্টলৈ অনুষ্ঠিত এছএছচিৰ ফেজ-১৩ পৰীক্ষাত দেখা দিয়া কাৰিকৰী ত্ৰুটি, পৰীক্ষা কেন্দ্ৰৰ অব্যৱস্থাপনা আৰু পৰীক্ষাৰ্থীসকলৰ প্ৰতি অসংবেদনশীলতাৰ ঘটনাই এখন গণতান্ত্ৰিক দেশত নাগৰিকৰ অধিকাৰৰ প্ৰতি থকা দায়বদ্ধতাৰ অভাৱকে স্পষ্ট কৰি তুলিছে। পৰীক্ষাৰ্থীসকলে সন্মুখীন হোৱা সমস্যাবোৰ কোনো ক্ষুদ্ৰ ব্যৱস্থাপনাজনিত ত্ৰুটি নহয়; ই এখন ৰাষ্ট্ৰীয় অনিয়মৰ চিত্ৰ। পৰীক্ষা কেন্দ্ৰত উপস্থিত হৈয়ো বহু পৰীক্ষাৰ্থীয়ে পৰীক্ষা বাতিলৰ খবৰ পাইছে। কিছুমান কেন্দ্ৰত ছাৰ্ভাৰ ক্ৰেছ, কম্পিউটাৰৰ ত্ৰুটি, নামৰ ভুল আদিয়ে পৰীক্ষাৰ পৰিৱেশ অস্থিৰ কৰি তুলিছে। আনকি ২৩০০ কিলোমিটাৰ দূৰৰ পৰা অহা পৰীক্ষাৰ্থীয়েও এই বিশৃংখলতাৰ বলি হ'বলগীয়া হৈছে। বছৰজুৰি পৰিশ্ৰম কৰা, কষ্ট সহ্য কৰা হাজাৰ হাজাৰ যুৱক-যুৱতীৰ আশা-আকাংক্ষাক ইয়াতে ধূলিসাৎ কৰি দিয়া হৈছে। এছএছচিয়ে পৰীক্ষা পৰিচালনাৰ দায়িত্ব এডুকুইটি নামৰ এটা বেচৰকাৰী সংস্থাক অৰ্পণ কৰিছে, যাক বহু ৰাজ্যত ইতিমধ্যে ক'লা তালিকাভুক্ত কৰা হৈছে। এই সংস্থাৰ আন্তঃগাঁথনিৰ অভাৱ, পৰীক্ষা কেন্দ্ৰৰ অস্বচ্ছতা আৰু নিৰীক্ষক নিয়োগৰ অনিয়মে পৰীক্ষাৰ গুৰুত্বক সন্দেহৰ মুখত পেলাইছে। পূৰ্বে টাটা কনছালটেন্সি ছাৰ্ভিচেছ (টিচিএছ)ৰ দৰে বিশ্বস্ত সংস্থাই এই পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিছিল। কিন্তু বৰ্তমানৰ দায়িত্বশীল সংস্থাই পৰীক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ সৈতে কি ধৰণৰ খেল খেলিছে, সেয়া স্পষ্ট। প্ৰতিবাদকাৰীসকলৰ ওপৰত আৰক্ষীৰ হেঁচা-হেঁচিকৈ কাৰ্য্য আৰু লাঠিচাৰ্জে চৰকাৰৰ অসহিষ্ণুতাৰেই পৰিচয় দাঙি ধৰিছে। দিল্লীৰ যন্তৰ-মন্তৰত শিক্ষক নীতু মেমক লাঠিৰে প্ৰহাৰ কৰাৰ দৃশ্যই ৰাষ্ট্ৰীয় বিবেকক জোকাৰি দিবলৈ যথেষ্ট। এনে অমানৱিক কাৰ্য্যৰ বিৰুদ্ধে কঠোৰ নিন্দা আৰু তদন্ত হোৱা উচিত। এছএছচিৰ দৰে গুৰুত্বপূৰ্ণ সংস্থাই যদি পৰীক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ সৈতে এনেদৰে ছলনা কৰে, তেন্তে ইয়াৰ প্ৰতি ৰাষ্ট্ৰই গুৰুত্বসহকাৰে চাব লাগিব। চৰকাৰে অবিলম্বে এই সমস্যাৰ সমাধানৰ বাবে প্ৰত্যক্ষ হস্তক্ষেপ কৰক। পৰীক্ষাৰ্থীসকলৰ পৰিশ্ৰম, তেওঁলোকৰ সপোন আৰু আশা-আকাংক্ষাক সন্মান জনোৱাটো এখন সুস্থ সমাজৰ দায়িত্ব। এয়া কেৱল পৰীক্ষাৰ প্ৰশ্ন নহয়; এয়া এখন দেশৰ যুৱশক্তিৰ প্ৰতি থকা ন্যায়ৰ প্ৰশ্ন।

> আন্তৰ্জাতিক পুঁজিৰ আগ্ৰাসনৰ বিৰুদ্ধে মানুহ বিক্ষুব্ধ হৈছে, কিন্তু এই বিক্ষোভ যাতে সংগঠিত ৰাজনৈতিক বিক্ষোভলৈ ৰূপান্তৰিত নহয় তাৰ বাবে শাসক গোষ্ঠীয়ে সমাজৰ মূল সমস্যাসমূহক আঁতৰত ৰাখি অগৌণ সমস্যাসমূহক মুখ্য সমস্যা হিচাপে দাঙি ধৰিবলৈ ন ন বিষয় বা ইছুৰ সৃষ্টি কৰিছে। কাল্পনিক ইছুবোৰত বিভিন্ন তথ্য আৰু ৰহণ সানি সেইবোৰকেই মুখ্য বুলি বুলি সমাজত বিয়পাই দিয়া হৈছে। এইবোৰ মিছাক সঁচা প্ৰতিপন্ন কৰিবলৈ বিভিন্ন প্ৰযুক্তি, বিভিন্ন সামাজিক মাধ্যম, ইউ-টিউব, কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক-ৰাজনৈতিকভাৱে প্ৰতিস্থিত চতুৰ প্ৰবক্তা আদিক ব্যৱহাৰ কৰা হৈছে। বৰ্তমান তিনিটা মূল সমস্যাই আমাৰ সাধাৰণ গাঁৱলীয়া মানুহক জুৰুলা কৰিছে- কৰ্মসংস্থানহীনতা, ভূমিহীনতা আৰু ক্ৰয়ক্ষমতাহীনতা।

# কাৰ্বন ক্ৰেডিট আৰু ইয়াৰ ভৱিষ্যত

**দেৱজিৎ বৰুৱা**

বৰ্তমান সময়ত অসম চৰকাৰৰ অধীনত চলি থকা বন্যভূমি পুনৰুদ্ধাৰ অভিযানৰ সময়তে এটা কথা মনলৈ আহিছে যে এই নানান কাৰণত আইনীভাৱেই হওক বা বে আইনীভাৱেই হওক, যথেষ্ট পৰিমাণে বনাঞ্চলৰ সংকোচনৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰসাৰণৰ বাবে লক্ষাধিক গছ-গছনি কাটিব লগা হৈছিল। তাৰেই ফল আমি তাৎক্ষণিকভাৱে ভুগিবলগীয়া হৈছে। এই খৰাং বতৰৰ লগতে উৎকট গৰম সেই প্ৰকৃতি ধ্বংসযজ্ঞৰেই প্ৰমাণ।

একবিংশ শতিকাৰ আটাইতকৈ জৰুৰী প্ৰত্যাহ্বানসমূহৰ ভিতৰত জলবায়ু পৰিৱৰ্তন অন্যতম। সেউজ গৃহ গেছ (GHG) নিৰ্গমন বৃদ্ধিৰ বাবে বিশ্বৰ উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে সমগ্ৰ বিশ্বৰ দেশসমূহে নিজৰ কাৰ্বন ফুটপ্ৰিণ্ট হ্ৰাস কৰিবলৈ বহনক্ষম আৰু বজাৰ-চালিত সমাধান বিচাৰিছে। তেনে এটা ব্যৱস্থা হৈছে কাৰ্বন ক্ৰেডিটৰ ধাৰণা, যিয়ে কেৱল নিৰ্গমন হ্ৰাস কৰাত প্ৰৰোচনা কৰাই নহয়, সেউজ অৰ্থনীতিৰ বিকাশতো সহায় কৰে। ভাৰতত কাৰ্বন ক্ৰেডিট বজাৰখনে গতি লাভ কৰিছে আৰু ভৱিষ্যতৰ বাবে ইয়াৰ যথেষ্ট সম্ভাৱনা আছে।

**কাৰ্বন ক্ৰেডিট কি?**

কাৰ্বন ক্ৰেডিট হৈছে এনে অনুমতি যিয়ে ধাৰীক এক টন কাৰ্বন ডাই অ'ইড বা সমতুল্য পৰিমাণৰ আন এটা সেউজ গৃহ গেছ নিৰ্গত কৰিবলৈ অনুমতি দিয়ে। যিবোৰ সংস্থা বা চৰকাৰে নিজৰ নিৰ্গমন নিৰ্দিষ্ট সীমাৰ তলত হ্ৰাস কৰে, সেইবোৰে নিজৰ উদ্বৃত্ত ক্ৰেডিট আনক বিক্ৰী কৰিব পাৰে যিয়ে নিজৰ সীমা অতিক্ৰম কৰে, যাৰ ফলত পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে বজাৰভিত্তিক পদ্ধতিৰ সৃষ্টি হয়। কাৰ্বন ক্ৰেডিটৰ ব্যৱসায় হয় কম্প্লায়েন্স বজাৰত (আন্তঃৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় নিয়মৰ অধীনত) বা স্বেচ্ছামূলক বজাৰত (য'ত ব্যৱসায়ীসকলে নৈতিক বা ব্ৰেণ্ড-সম্পৰ্কীয় কাৰণত অংশগ্ৰহণ কৰে)। বিশ্বব্যাপী কাৰ্বন ক্ৰেডিট বজাৰত ভাৰতৰ স্থান বিশেষকৈ কিয়'ট' প্ৰট'কলৰ দ্বাৰা স্থাপিত স্বচ্ছ উন্নয়ন ব্যৱস্থা (চিডিএম)ৰ অধীনত ভাৰত বিশ্বজুৰি কাৰ্বন ক্ৰেডিট প্ৰদানকাৰী দেশসমূহৰ ভিতৰত অন্যতম। নবীকৰণযোগ্য শক্তি প্ৰকল্প (সৌৰ, বতাহ, আৰু জৈৱবস্তু), বনানীকৰণ, আৰু শক্তি দক্ষতা পদক্ষেপৰ জৰিয়তে ভাৰতীয় কোম্পানীসমূহে লাখ লাখ কাৰ্বন ক্ৰেডিট উৎপন্ন কৰিছে, যিবোৰ ঔদ্যোগিক ৰাষ্ট্ৰসমূহক বিক্ৰী কৰি তেওঁলোকৰ নিৰ্গমনৰ লক্ষ্য পূৰণ কৰাত সহায় কৰিছে। বৰ্তমানলৈকে ভাৰতে চিডিএমৰ অধীনত পঞ্জীয়ন কৰা প্ৰকল্পৰ সংখ্যাৰ ক্ষেত্ৰত বিশ্বজুৰি তৃতীয় স্থানত আছে, যিয়ে স্বচ্ছ শক্তি আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত নিজৰ শক্তিশালী সম্ভাৱনা প্ৰদৰ্শন কৰিছে। নীতিগত পৰিৱেশ আৰু চৰকাৰী পদক্ষেপ কাৰ্বন ব্যৱসায়ৰ কৌশলগত মূল্যক স্বীকৃতি দি ভাৰত চৰকাৰে ২০২৩ চনত কাৰ্বন ক্ৰেডিট ট্ৰেডিং আঁচনি (চিচিটিএছ) আৰম্ভ কৰিছিল, যাৰ লক্ষ্য আছিল ঘৰুৱা কাৰ্বন বজাৰ সৃষ্টি। এই কাঠামোটো নিৰ্গমনৰ লক্ষ্য নিৰ্ধাৰণ কৰি আৰু সত্তাসমূহক ক্ৰেডিটৰ ব্যৱসায় কৰিবলৈ অনুমতি দি শক্তি, তীখা, চিমেণ্ট, আৰু পৰিবহণৰ দৰে মূল খণ্ডসমূহত GHG নিৰ্গমন নিয়ন্ত্ৰণ কৰিবলৈ ডিজাইন কৰা হৈছে। এই ৰূপায়ণৰ বাবে ব্যুৰো অৱ এনাৰ্জি ইফিচিয়েন্সি (বিইই) আৰু কেন্দ্ৰীয় বিদ্যুৎ নিয়ন্ত্ৰণ আয়োগ (চিই আৰচি) কেন্দ্ৰীয়। পেৰিছ চুক্তিৰ অধীনত ভাৰতৰ ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত অৱদান (এনডিচি)সমূহেও অভিলাষী লক্ষ্য নিৰ্ধাৰণ কৰে, য'ত ২০৩০ চনৰ ভিতৰত নিৰ্গমনৰ তীব্ৰতা ২০০৫ চনৰ মাত্ৰাৰ ৪৫ শতাংশ হ্ৰাস কৰাকে ধৰি। এই লক্ষ্যসমূহ দক্ষতাৰে পূৰণ কৰাত কাৰ্বন ক্ৰেডিটে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

**ভাৰত ৰাজহ আহৰণৰ সুযোগঃ** কাৰ্বন ক্ৰেডিট ব্যৱসায়ে স্বচ্ছ প্ৰযুক্তি, কৃষি, আৰু বনজগতত নিয়োজিত ভাৰতীয় ব্যৱসায়ীসকলৰ বাবে যথেষ্ট ৰাজহ কঢ়িয়াই আনিব পাৰে। সেউজ উদ্ভাৱন: বজাৰে উদ্যোগসমূহক নবীকৰণযোগ্য শক্তি, বৈদ্যুতিক গতিশীলতা, আৰু বহনক্ষম কৃষিত বিনিয়োগ কৰিবলৈ প্ৰৰোচিত কৰিব।

**গ্ৰাম্য উন্নয়ন ঃ** বন আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ ক্ষেত্ৰত সম্প্ৰদায়ভিত্তিক প্ৰকল্পই গ্ৰাম্য অঞ্চলত জীৱিকাৰ ব্যৱস্থা কৰাৰ লগতে ঋণৰ সৃষ্টি কৰিব পাৰে।

**গ্লোবেল লিডাৰশ্বিপঃ** আন্তঃৰাষ্ট্ৰীয় কাৰ্বন বজাৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ভাৰতে বিশ্ব সেউজ অৰ্থনীতিত নিজকে নেতা হিচাপে স্থান দিব পাৰে। আগন্তুক প্ৰত্যাহ্বানসমূহ সম্ভাৱনা থকাৰ পিছতো কেইবাটাও বাধা আছে: ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ মাজত সজাগতা আৰু কাৰিকৰী ক্ষমতাৰ অভাৱ। নিৰ্গমন হ্ৰাসৰ পৰীক্ষণ আৰু নিৰীক্ষণ জটিল আৰু ব্যয়বহুল হ'ব পাৰে। বজাৰৰ অস্থিৰতা আৰু মূল্য নিৰ্ধাৰণৰ অনিশ্চয়তাই অংশগ্ৰহণক বাধা দিব পাৰে। ঘৰুৱা বজাৰত আস্থা গঢ়ি তুলিবলৈ নিয়ন্ত্ৰণৰ স্পষ্টতা আৰু স্বচ্ছতাক আৰু অধিক শক্তিশালী কৰাৰ প্ৰয়োজন। আগন্তুক পথ ভাৰতত কাৰ্বন ক্ৰেডিটৰ ভৱিষ্যত আশাব্যঞ্জক যেন লাগে যদিহে শক্তিশালী আন্তঃগাঁথনি, বিনিয়োগকাৰী-বন্ধুত্বপূৰ্ণ নীতি, আৰু অধিক সজাগতাৰ দ্বাৰা সমৰ্থিত হয়। ব্লকচেইন আৰু এআইৰ দৰে




প্ৰযুক্তিয়ে কাৰ্বন অফছেটৰ স্বচ্ছ অনুসৰণ আৰু পৰীক্ষণ নিশ্চিত কৰাত সহায় কৰিব পাৰে। তদুপৰি, বিশ্বৰ কাৰ্বন বজাৰৰ সৈতে সহযোগিতা আৰু ব্যক্তিগত খণ্ডৰ সংযোগ বৃদ্ধিৰ মূল চাবিকাঠি হ'ব। নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্ব, ইয়াৰ যুৱ কৰ্মশক্তি, আৰু বিশ্বব্যাপী চুক্তিৰ অধীনত ইয়াৰ পৰিৱেশ সম্পৰ্কীয় প্ৰতিশ্ৰুতিসমূহে এক সমৃদ্ধিশালী কাৰ্বন বজাৰ গঢ়ি তোলাৰ এক অনন্য সুযোগ প্ৰদান কৰে যিয়ে কেৱল নিৰ্গমন হ্ৰাস কৰাই নহয়, অৰ্থনৈতিক পৰিৱৰ্তনকো ধাৱমান কৰে।

কাৰ্বন ক্ৰেডিটে ভাৰতৰ জলবায়ু কাৰ্য্য কৌশলত এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে প্ৰতিনিধিত্ব কৰে। নীতিগত সমৰ্থন, উদ্ভাৱন, আৰু বজাৰ বিকাশৰ সঠিক মিশ্ৰণৰ দ্বাৰা ভাৰতে নিজৰ জলবায়ু প্ৰত্যাহ্বানসমূহক সেউজ বৃদ্ধিৰ সুযোগলৈ ৰূপান্তৰিত কৰিব পাৰে। কাৰ্বন ক্ৰেডিট বজাৰখনে কেৱল পৰিৱেশৰ লক্ষ্য পূৰণ কৰাত সহায় কৰাই নহয়, ভাৰতীয় অৰ্থনীতিক অধিক বহনক্ষম আৰু স্থিতিস্থাপক ভৱিষ্যতৰ দিশত পুনৰ গঢ় দিয়াৰ সম্ভাৱনাও আছে।

এই সকলো ব্যৱসায়িক ভৱিষ্যতৰ কথা ভাৱিয়েই চাগে ৰিলায়েন্স কোম্পানীয়ে ভাণ্টাৰা আৰম্ভ কৰিছে। ভাণ্টাৰা হৈছে অনন্ত আম্বানিয়ে আৰম্ভ কৰা ৩ হাজাৰ একৰ প্ৰাণী উদ্ধাৰ আৰু পৰিৱেশ পুনৰুদ্ধাৰ প্ৰকল্প, গুজৰাটৰ ৰিলায়েন্সৰ জামনগৰ শোধনাগাৰ চৌহদৰ ভিতৰত অৱস্থিত। ইয়াক চাৰিটা ভেটিৰ ওপৰত নিৰ্মাণ কৰা হৈছে: উদ্ধাৰ, পুনৰ্বাসন, পুনৰুজ্জীৱন, আৰু পুনৰ বন্যাকৰণ। এই অভয়াৰণ্যখনত লাখ লাখ গছ, জলাশয় আৰু উদ্ধাৰ কৰা বন্যপ্ৰাণী আছে, যাৰ ফলত ই বিশ্বৰ সৰ্ববৃহৎ ব্যক্তিগত সংৰক্ষণ পদক্ষেপ।

তথাপি তেওঁলোকৰ পৰিকল্পনা সমূহৰ অলপ আভাস উল্লেখ কৰিছো।

**কাৰ্বন ক্ৰেডিটৰ লুকাই থকা সুযোগ· ঃ**

ভাণ্টাৰাক ৰাজহুৱাভাৱে মানৱীয় আৰু পৰিৱেশগত অভিযান হিচাপে পৰিৱেশন কৰা হৈছে যদিও ইয়াৰ কাৰ্বন ক্ৰেডিট বজাৰতো অপৰিসীম সম্ভাৱনা আছে।

**কাৰ্বন নিষ্কাশন ঃ** ভাণ্টাৰাৰ গছ আৰু জলাশয়ে প্ৰাকৃতিকভাৱে কাৰ্বন ডাই অ'ইড শোষণ কৰে, যাক পৰিমাণ নিৰ্ণয় কৰি কাৰ্বন ক্ৰেডিটলৈ ৰূপান্তৰিত কৰিব পাৰি।

**ব্যৱসায়যোগ্য সম্পত্তি ঃ** এই ক্ৰেডিটসমূহ প্ৰদূষক উদ্যোগসমূহক বিক্ৰী কৰি তেওঁলোকৰ নিৰ্গমন ক্ষতিপূৰণ কৰিব পাৰি, যাৰ ফলত ৰিলায়েন্সৰ বাবে এক নতুন ৰাজহৰ ধাৰা সৃষ্টি হ'ব।

**কৌশলগত সময় ঃ** ভাৰতে ২০২৬ চনৰ ভিতৰত ব্যক্তিগত আৰু ৰাজহুৱা সত্তাসমূহৰ বাবে কাৰ্বন ক্ৰেডিট ট্ৰেডিং আঁচনি (চিচিটিএছ) আনুষ্ঠানিকভাৱে আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে, যাৰ ফলত ভাণ্টাৰা এই স্থানত প্ৰথম পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

# নিয়ম নে অত্যাচাৰ ?

**উজ্জ্বলা বৰদলৈ**

বোৱাৰী জীৱন আৰম্ভ হোৱাৰ দিন ধৰি বহু নিষেধাজ্ঞাৰ সন্মুখীন হৈ আহিছো। অৱশ্যে অকল যে মোৰ লগতেই এনে হৈছে সেয়া সত্য নহয়, সত্য সেয়াহে যে আশী শতাংশ বোৱাৰীৰ ওপৰত ন্যস্ত হয় এনে অহেতুক নিয়ম - নীতি - নিষেধাজ্ঞাৰ। এনেবোৰ নীতি - নিয়মৰ বাবেই বিবাহিত নছোৱালীজনীয়ে কিন্তু চকুৰে সৰিয়হ ফুল দেখে বিবাহৰ পাছতেই, যাৰফলত নিৰবে চকুলো টুকে নতুবা খঙত একো নাই হৈ নিজৰ মানুহজনকে কিবা কিবি কয়। কিন্তু সময় বাগৰাৰ লগে লগে তাৰেই একাংশই যদি সেই নীতি - নিয়ম (?) - নিষেধাজ্ঞাৰ ভক্ত হৈ পৰে আন একাংশ হৈ পৰে সেইবোৰৰ তীব্ৰ বিদ্ৰোহী। কিন্তু পৰৱৰ্তী সময়ত ভক্তই হওক বা বিদ্ৰোহী যিয়েই হওক এই নিষেধাজ্ঞা - নিয়ম - অনিয়ম (? ) আদিবোৰৰ বাবে বিবাহোত্তৰ সোণালী সময়খিনি যে নৰকসদৃশ হৈ পৰে এয়া সকলোৰে জ্ঞাত আন এক সত্য।

এগৰাকী নতুনকৈ বিয়া হৈ অহা ছোৱালীৰ ওপৰত যি যি নিয়ম বা অনিয়ম বা নিষেধাজ্ঞা আৰোপ কৰা হয়, ভালদৰে চালি - জাৰি চালে দেখিব সেইবোৰৰ আধাখিনিয়েই নিয়ম বুলি নকৈ অত্যাচাৰ বুলিলে বেছি শুৱাব নেকি? এবাৰ ভাবি চাওক, যিমানেই শীত নহঁওক কিয় "বোৱাৰীৰ ভৰিত চেন্দেল কিয়?" নতুবা "বোৱাৰী মানুহে গৰম পানীৰে গা ধোৱেনে?" আদিবোৰক আপুনি নিয়ম বুলিব নে অনিয়ম অৰ্থাত অত্যাচাৰৰ এক গইনা বুলিব! তদুপৰি গিৰিহঁতৰ খোৱা থালতে যেতিয়া ভাতকেইটা খাবলৈ দিব, আৰু নাখাঁও বুলিলেই গিৰীয়েকক কি শ্ৰদ্ধা কৰিব বুলি কথা শুনাব তেতিয়া তাক আপুনি নিয়ম বুলিব পাৰিবনে? প্ৰচণ্ড গৰম, গৰমত থাকিব নোৱাৰি মতা মানুহে য'ত নেকি গেঞ্জিটোও খুলি দলিয়াই তেতিয়াও কিন্তু বোৱাৰীৰ মুৰত ওৰণি থাকিবই লাগিব, গেছতেই হওক বা জুইতেই হওক ভাত সিজাবই লাগিব, কিয়নো পাকঘৰ যেন অকল মাইকী মানুহৰ কাৰণেহে সৃষ্টি হৈছে, অথচ ইয়াত উৎপাদিত খাদ্যৰ সৰহভাগ যায় কিন্তু পুৰুষৰ পেটলৈহে, তথাপি পাকঘৰত পুৰুষে কাম কৰাটো নিষেধ। এইবোৰ নিয়ম নে নিয়মৰ নামত এজনী বোৱাৰীৰ ওপৰত চলা অত্যাচাৰ তাক ভাবি চোৱাৰ সময় আহি পৰিল। কিয়নো দিনৰ এসাজ ভাত পুৰুষসকলে বনালেও একো নাযায়, নহয় জানো! নে গৰম - ঠাণ্ডা আদিবোৰৰ পৰা কেৱল বোৱাৰীসকলকহে ৰেহাই দিয়াটো অনুচিত? এইবোৰ জানো নিয়ম হ'ব পাৰে, আছে জানো এইবোৰৰ কিবা বিজ্ঞানসন্মত কাৰণ?

আমাৰ সমাজত প্ৰচলিত বহু নিয়মৰ গুৰিতে একো একোটা বৈজ্ঞানিক কাৰণ নিহিত হৈ থাকে। এইবোৰক আমি পালন কৰিব পাৰিলে আমাৰ নিজলৈয়ে ভাল। কিন্তু, নিয়ম ৰ গইনা লৈ অনিয়মক বৰ্তাই ৰখা, তাকো মাথোঁ একোগৰাকী নিৰ্দিষ্ট মহিলাৰ ওপৰত, তাক নিশ্চয় অত্যাচাৰ বুলিলে ভুল নহ'ব।

এতিয়া লেতেৰা - চাফাৰ কথাকেই কওঁ। বাহি চোতাল লেতেৰা, গতিকে পুৱাতেই পুৰুষ বা নাৰী কোনো এজনে সৰাটো স্বাস্থ্যসন্মত কথা। কিন্তু সেইবুলি ধোৱা মেখেলাখন বাৰীৰ চুকত মেলাটোত কি বৈজ্ঞানিক কাৰণ নিহিত থাকিব পাৰে? য'ত নেকি লেতেৰা হ'লেও পুৰুষৰ অন্তৰ্বাস পৰ্য্যন্ত আলহীৰ চকুত পৰাকৈ মেলাটো একো অপৰাধ নহয়। আৰু 'চুৱা' নামৰ বস্তুটোক কোনোবাই আজিলৈকে দেখা পাইছেনে বাৰু? বাহি বাচনত চুৱা থাকে, গতিকে সেইখিনি ধুলে গা ধুব লাগে। ইয়াত হয়টো অলপ বৈজ্ঞানিক যুক্তি নিহিত হৈ আছে কিয়নো নুধোৱা বা আধা পৰিষ্কাৰ কৰাকৈ যেতিয়া বাচন এখিনি ৰাতিৰেপৰাই পেলাই থোৱা হয়, তেতিয়া তাত বে'ৰীয়া বা ভাইৰাচৰ উপস্থিতত নিশ্চয়কৈ বাঢ়িব, যাৰ বাবে সেইবোৰ ধুই নিজক পৰিষ্কাৰ কৰাটো স্বাস্থ্যসন্মত। কিন্তু এগৰাকী নাৰী মাহেকৰ মুৰত 'চুৱা' হ'ল বুলি তাইক তলত শুবলৈ দিয়া অথবা পৰিষ্কাৰ কৰ্মবোৰৰপৰা নিলগত ৰখাটো কিমান যুক্তিসংগত! কিয়নো সকলো ভাইৰাচ বা বে'ৰীয়াই তেজৰ উপস্থিতিৰ দিশে গতি কৰে, তেনেস্থলত যদি এগৰাকী ঋতুস্ৰাৱ হৈ থকা মহিলাক তলত শুবলৈ দিয়ে নতুবা কেঁচা মাছ - মঙহখিনি বাচিবলৈ দিয়ে সেয়া জানো ভাল? তেওঁক 'চুৱা'ৰ নামত জিৰণি দিছে যেতিয়া সম্পূৰ্ণকৈ দিয়ক, কিয়নো এনে সময়ত মহিলাগৰাকী পৰিষ্কাৰ হৈ থকাৰ লগতে তেওঁক আৰামৰো প্ৰয়োজন হয়। কিন্তু তাকে নকৰি 'চুৱা'ৰ নামত নৱজাতকৰ সৈতে মাকজনীক মজিয়াত বিছনা তৰাই শুবলৈ দিয়াটো একেবাৰতে অত্যাচাৰ নহয়নে? কিয়নো মজিয়াৰপৰা ঠাণ্ডা সোমাই কেঁচুৱাকণ অসুস্থও হ'ব পাৰে, নতুবা গৰমৰ দিনত সৰীসৃপৰো ভয় নুই কৰিব নোৱাৰি। তদুপৰি য'ত নেকি চোকা ৰ'দত ধোৱা কাপোৰতো থাকি যোৱা অৱশিষ্ট বে'ৰীয়া মৰি যায় তেনেস্থলত কেৱল মাথোঁ মহিলা বা প্ৰসূতিৰ কাপোৰ বুলিয়েই বাৰীৰ চুকত মেলাটো কিমান যুক্তিসংগত কথা, তদুপৰি বহুজেগাত এতিয়াও নিয়মক দোহাই দি কেঁচুৱা থকা মহিলাকো ব্ৰতৰ নামত ভোকত ৰখা হয়। এবাৰ ভাবক, এইগৰাকীৰ ওপৰতে এটা শিশুৰ নিউট্ৰিচন নিৰ্ভৰ নকৰেনে, মুঠতে নিয়মৰ নামত চলা অত্যাচাৰৰ এই তালিকাখন লিখিলে হয়টো শেষ নহ'ব, কিন্তু অতি পৰিতাপৰ কথা যে আজিও নাৰীসকল নিমাত, প্ৰতিবাদ কৰাৰ সাহসেই নাই তেওঁলোকৰ।

বাহ্মণ বিধবাসকলৰ অম্বুবাচীৰ সময়ত ব্ৰতপালন কৰা দেখিছেনে আপোনালোকে? মই দেখিছিলো সৰুকালতে, এইবাৰ দেখিলো মোৰ মাক পালন কৰা। অতি পৰিতাপৰ কথা যে, শিক্ষিতসকলে বুজিও নুবুজে যে এটা গ্ৰহৰ কেনেকৈ ঋতুস্ৰাৱ হ'ব পাৰে! আচলতে তেওঁলোকে নুবুজা নহয়, বুজে, ভয় কৰে প্ৰতিবাদ কৰিবলৈহে। সেইকাৰণেইটো মহিলাসকলক 'ভয়পাদুৰী' বুলি হাঁহে দহে। তথাপি জানো তেওঁলোকৰ মাজৰ কিমানগৰাকীয়ে সাহস গোটাব পাৰিছে এনেবোৰ অন্যায়ৰ বিপৰীতে মাত দিবলৈ। তদুপৰি ধৰ্মীয় কৰ্মকাণ্ডত যে কিমান অৱহেলিত মহিলাসকল আজিও। দেখিলে খং উঠি আহে। অমুকটো নাপায়, তমুকটো নাপায়, অথচ কিয় নাপায় তাৰ উত্তৰ দিব পাৰিবনে কোৱাজনে!

সকলোতকৈ বেছি পৰিতাপৰ কথা এয়ে যে, মহিলাৰ ওপৰত চলা এনেবোৰ শাৰীৰিক বা মানসিক অত্যাচাৰৰ মুখ্য ভূমিকা কিন্তু আন একোগৰাকী মহিলায়ে গ্ৰহণ কৰে। অৰ্থাত কথাটো হয়টো এনে ধৰণৰ হয় যে মই এসময়ত ভুগিলো যেতিয়া তহঁতক কিয় নুভুগাম। তদুপৰি যিসকল নাৰীৰ শিক্ষা - দীক্ষা নাই তেওঁলোকেটো হাড়ে হিমজুৱে বিশ্বাস কৰে এনে অনিয়মবোৰক। গতিকে তেওঁলোকৰ বাবে এনে নিয়ম পাছৰচামৰ মাজত বৰ্তাই ৰখাটো কৰ্তব্যৰ দৰে হৈ পৰে।

এতিয়া আহো তুলনি বিয়াৰ প্ৰসংগলৈ। ছোৱালী এজনীৰ যেতিয়া প্ৰথম ঋতুস্ৰাৱ হয়, তেতিয়াই তাইক তুলনি হোৱা বুলি কোৱা হয়। আন ভাষাত তুলনি হোৱা মানেই ডাঙৰ হোৱা, অনিয়মৰ ভাৰ এসোপা জাপি দিয়া। নহ'লেনো কি হ'ব পাৰে যে মই নিজে তুলনি হওঁতেও ফলাহাৰ খাই দিন কটাইছিলো, আজিও তুলনি হোৱা ছোৱালীবোৰে কটায়। এয়া এক পৰম্পৰা হেনো। ঠিক আছে এজনী তেৰ / চৈধ্য বুজন ছোৱালীৰ ওপৰত এনে নিয়মক মই অনিয়ম নোবোলো, কিয়টো দুটা দিন ভাত নাখালে কোনো নমৰে। কিন্তু যেতিয়া ছোৱালীজনী সৰু হৈ থাকোঁতেই ঋতুস্ৰাৱ আৰম্ভ হয়, তেতিয়া তাইক কেনেকৈ বুজাব যে আজি ভাত নাই? ঠিক আছে ঘৰৰ সকলোৱে যেতিয়া ভাত নাখায় কণমানি মনটোৱেও কিবা এটা ধৰি ল'ব যে এইকেইদিন আমাৰ ঘৰত ভাত নাই, কিন্তু তাকে নকৰি যেতিয়া আলহী - অতিথিক পেটভৰাই খোৱাই কেৱল মাথোঁ ছোৱালীকনকহে কল - কমলা খাবলৈ দিব তেতিয়া তাইৰ মনত কি প্ৰতিক্ৰিয়া হ'ব এবাৰ ভাবি চাইছেনে? আজিকালি আঠ বছৰ বয়সমানৰ পৰা তুলনি হোৱা দেখা যায়। গতিকে এবাৰ ভাবি চোৱা উচিত, এজনী আঠ/ন বছৰীয়া ছোৱালীৰ বাবে এনে নিয়ম পালন কিমান কঠিন হয়। তাতে আকৌ তুলনি মানেই ডাঙৰ হ'ল বুলি যি ধৰা হয় সেয়াও একেবাৰতে অসত্য কথা। কিয়নো আঠ/ন বছৰত যদিও ছোৱালীজনীৰ শাৰীৰিক পৰিৱৰ্তন আৰম্ভ হৈছে তথাপি মানসিকভাৱে পৰিপক্ক হ'বলৈ তাইক আৰু কেইটামান বছৰ লাগিব। আগৰ দিনত ছোৱালী ইমান কম বয়সতে তুলনি নহৈছিল, গতিকে তুলনি হোৱালৈ অলপ বুজনো হৈ উঠিছিল। যাৰফলত নীতি - নিয়মখিনি কৰিব পাৰিছিল, তদুপৰি তেতিয়া এইটো পৰ্ব কেৱল মাথোঁ মহিলাৰ মাজতে সীমাবদ্ধ আছিল। কিন্তু, আজিকালি তেনে নহয়, ছোৱালী তুলনিও হয় নিচেই সৰুতেই, অথচ আয়োজন বৃহৎকৈ কৰা হয়। বৰ বিয়াৰ দৰে পাৰ্টি দি দিজে মাতি দহক খুওৱাটো যেন এক অঘোষিত প্ৰতিযোগিতাতহে অৱতীৰ্ণ হৈছে আজিকালিৰ মাক - দেউতাক। বাৰু, কাৰোবাৰ ধন আছে, কৰিছে, তাক মই সমালোচনা কৰিবলৈ নাযাওঁ। যাম সেইখিনি ক'বলৈহে যে এই 'তুলনি" বোলা শব্দটোৰ বাবেই এজনী ছোৱালীয়ে কিমান কি ভোগ কৰিব লগীয়া হয়। ইয়াক আপুনি কি ক'ব, নিয়ম নে অনিয়ম? নে নিয়মৰ গইনা লৈ অত্যাচাৰ?

এইসমস্ত নীতি - নিয়ম বা অনিয়মবোৰৰ বাবে মই কিন্তু পুৰুষসকলক দোষ নিদিওঁ, এইবোৰৰ বাবে দোষী কেৱল মাথোঁ আমি মহিলাবোৰ। আমি যদি কওঁ যৌতুকৰ নামত হ'লে একো নিনিও, দৰকাৰ হ'লে বিয়াতেই নবহো, তেতিয়া এজনীৰ পাছত আনজনী ছোৱালী চাই অৱশেষত দৰাঘৰীয়াও ভাগৰি পৰিব, উপায়ান্তৰ হৈ শেষত যৌতুক নোলোৱাকৈয়ে বিয়াও পাতিব। কিন্তু, তাকে নহৈ কথাবোৰ হয় এনেকুৱা যে তাইহে নানে যৌতুক অমুকৰ জীয়েকেটো বহুত আনিব, গতিকে বিয়া তাইৰ লগতেই কৰাটো লাভজনক। আমাৰ মহিলাসকলৰ মাজত একতা নাই, আমাৰ আত্মসন্মানো নাই, আমি ভয়াতুৰ, আমি দুৰ্বল - গতিকে হলা গছত সকলোৱে বাগি মাৰি ৰং চাবই। তথাপি, ইয়াৰ মাজতো কিছু ব্যতিক্ৰম মহিলা নথকা নহয়। যি নেকি স সন্মানেৰে মুৰ দাঙি ঠিয় হৈ আগুৱাই গৈছে সকলো অনিয়মৰ দেৱাল ভাঙি। পাৰে যদি আহক, তেনে ব্যতিক্ৰমী মহিলাৰ খোজত খোজ মিলোৱাৰ এটা চেষ্টা কৰো। আপুনি মোৰ সৈতে একমত নে?




# সেতু ঃ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ

**পলাশ শৰ্মা**

আমি প্ৰত্যেকেই এটা কথা প্ৰায়ে অ-প্ৰকাশ্য ভাৱে অনুভৱ কৰি থাকোঁ "ব্যক্তিত্বৰ কিছু গুণেৰে সমৃদ্ধ জীৱনবোধৰ অন্তৰালত নিহিত হৈ থকা মানুহৰ অন্তৰাত্মাৰ কথাৰে গঢ় লৈ উঠে মানুহৰ সভ্যতা সংস্কৃতিৰ এক বিশাল ইতিহাস। এনেকৈয়ে জীৱনৰ প্ৰাচুৰ্যৰে মানুহ মানুহ হিচাপে হৈ পৰে দৈৱিক গুণৰ অধিকাৰী।" প্ৰতিটো শিশু হৈ পৰে সমাজৰ এক বিশেষ অংগ। কিন্তু সঁচা অৰ্থত আমি সফলতাৰে পাৰিছো জানো আমাৰ শিশুহঁতক সামাজিক ভাৱে দায়বদ্ধ হোৱাৰ অথ'বা ব্যক্তিত্ববোধৰ চেতনাৰে নিজক উদ্ভাষিত কৰাৰ প্ৰেৰণা যোগাব? পৰা নাই চাগে'। আমাৰ দৰে প্ৰতি গৰাকী অভিভাৱকৰ মনৰ মাজত খু-দুৱাই থকা এয়া এক প্ৰাসঙ্গিক চিন্তা।

আমাৰ সফলতাবোৰ বাহ্যিক কিছুমান কাৰকৰ দ্বাৰা জুখিব বিচাৰি, শিশুহঁতক প্ৰভাৱিত কৰাৰ মানসিকতাবোৰ এৰিবৰ হ'ল। প্ৰতি গৰাকী শিশোৱে জন্মগত ভাৱে কিছুমান বিশেষ গুণৰ অধিকাৰী হৈ আহে। সেই গুণ সমূহ সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি, সফলতাৰে আগুৱাই লৈ যাব পৰাটোহে আমাৰ প্ৰকৃত অভিভাৱকত্বৰ পৰিচয়। বৌদ্ধিক বিকাশ মানুহৰ এক জীৱনব্যাপি প্ৰক্ৰিয়া। শৈশৱ কালটো ইয়াৰ আধাৰশিলা। এই সময়ছোৱাত শিশুৰ সৃজনীশীল গুণসমূহৰ দ্ৰুত বিকাশ ঘটে। প্ৰখৰ কল্পনা শক্তিৰ বাবে নতুন জ্ঞান আৰু অভিজ্ঞতা অৰ্জনৰ ক্ষেত্ৰত বিশেষ ভাৱে তৎপৰ হয়। সিহঁতৰ সৰু সৰু সমস্যাবোৰ স্ব-চিন্তাৰে সমাধান কৰাৰ ক্ষেত্ৰত বিশেষ ভাৱে উৎসাহিত হোৱা দেখা যায়। এই গুণসমূহৰ উচিত দিক্- নিৰ্দেশনাৰ জৰিয়তে পৰিচালিত কৰিব পৰাটোত প্ৰকৃত অভিভাৱকত্বৰ পৰিচয় নিহিত হৈ থাকে।

আমি অভিভাৱক সকল কেতিয়াবা কোনো এক অসতৰ্ক মুহূৰ্তত এৰি থৈ অহা আমাৰ অতীতটোলৈ যদি মনত পেলাওঁ, আমি প্ৰত্যেকেই কিছু পৰিমাণে হ'লেও নষ্টালজিয়াত ভোগো। এৰি থৈ অহা আমাৰ শৈশৱ, কৈশোৰ, যৌৱন যেন সাতোৰঙী ৰামধেনুৰ ৰঙেৰে সমৃদ্ধ এক গভীৰ জীৱনবোধৰ প্ৰেৰণা। কিন্তু আজি আমাৰ চাৰিওফালৰ প্ৰতিকুল পৰিৱেশ দেখি, যান্ত্ৰিক সভ্যতাৰ উচ্চতম শিখৰত উপনীত হৈওঁ, এক বিৰাট শুন্যতাত অৱগাহন কৰা যেন অনুভৱ নহয় নে বাৰু? সহৃদয়তাৰ অভাৱ, মানৱতাহীন খবৰবোৰ, মানুহৰ প্ৰতি মানুহৰ ৰুক্ষ ব্যৱহাৰ, অনাকাংখিত প্ৰতিযোগিতাৰ দৌৰত ধাৱমান আমাৰ মানসিকতাবোৰে ক'ম-বেছি পৰিমাণে আমাৰ শিশুহঁতৰ মনবোৰকো ব্যথিত কৰি তুলিছে। দুৰন্ত সময়ৰ এই অহেতুক প্ৰতিযোগিতামূলক পৰিৱেশৰ পৰা আমাৰ ভৱিষ্যত প্ৰজন্মক সফলভাৱে আগুৱাই দি স্ব-প্ৰতিভা আৰু সৃষ্টিশীলতাৰে সমৃদ্ধ কৰি ভৱিষ্যতৰ একোগৰাকী স্বাভিমানী, আত্মমৰ্যদাবোধ সম্পন্ন ব্যক্তি হিচাপে গঢ় দি তোলাটো এগৰাকী অভিভাৱক অভিভাৱিকা হিচাপে আমাৰ নৈতিক দায়িত্ব। তেহে আমি ভৱিষ্যতৰ এখন সুষ্ঠ সৱল সমাজৰ বাৰ্তাবাহক স্বৰূপে সিহঁতৰ প্ৰতি দায়িত্ববোধৰ সেতু গঢ়ি তোলা হ'ব।

## সম্পাদকলৈ চিঠি

# অদৃশ্য জাৱৰবোৰ

**নিবেদিতা হাজৰিকা**

আমি সকলোৱে আমাৰ চৌপাশটো সুন্দৰ কৰি ৰাখিব বিচাৰো। সেইবাবেই দৈনন্দিন জাৱৰ-জোঁথৰ আদিবোৰ সাৰি-মচি চাফা কৰাত গুৰুত্ব দিওঁ, যাতে আমাৰ ঘৰখন, আমাৰ চৌপাশ সুন্দৰ হৈ থাকে। সাধাৰণ যেন লাগিলেও ই এক সুন্দৰ তথা গ্ৰহণযোগ্য কৰ্ম। কিয়নো পেলনীয়া জাৱৰ-জোঁথৰ আদি আমি সংৰক্ষণ নহয়, ইয়াক দূৰ কৰিব বিচাৰো। কিয়নো ই সৌন্দৰ্য ম্লান কৰে। এই ধৰণৰ দৃশ্যমান জাৱৰ -জোঁথৰ আদি আমি পৰাপক্ষত লোক চক্ষুৰ পৰা আঁতৰাই ৰাখিব বিচাৰো বা আঁতৰাই ৰাখো।

বাহ্যিক সৌন্দৰ্য হানি কৰা বা ম্লান পেলোৱা এই সমূহ জাৱৰ -জোঁথৰ দূৰ কৰাৰ ক্ষেত্ৰত আমি সততে সতৰ্ক বা তৎপৰ। কিন্তু আমাৰ মনত আমাৰ অলক্ষিতে বাহ লোৱা বা সংগোপনে লুকাই থকা অদৃশ্য জাৱৰবোৰৰ কথা কেতিয়াবা ভাবি চাইছোনে? ঘৰখনৰ সৌন্দৰ্য ধৰি ৰখাত আমি যিমান সচেতন, তৎপৰ সেই তৎপৰতা বা আগ্ৰহৰ প্ৰতি আমি বহুতেই উদাসীনতা প্ৰদৰ্শন কৰো। আমাৰ মনৰ মাজত অহৰ্নিশে কঢ়িয়াই লৈ ফুৰো খং-ৰাগ, ঈৰ্ষা, আত্মাভিমান, অহংকাৰ, আক্ৰোশ আদিৰ দৰে অনিষ্টকাৰী কিছুমান ৰিপু। যিবোৰে মানুহৰ পৰা মানুহক আঁতৰাই আনে, দূৰত্ব বঢ়ায়।এই ধৰণৰ দূষিত মনোভাববোৰে আমাৰ মনবোৰ লেতেৰা আৰু দূষিত কৰি পেলায় আমাৰ অজানিতে।

জীৱ শ্ৰেষ্ঠ, বিবেচনা শক্তিৰ অধিকাৰী হোৱা স্বত্বেও আমাৰ মনৰ কলুষতা সমূহ দূৰ কৰিব নোৱাৰাটো, দূৰ কৰিব নোখোজাটো এক প্ৰকাৰ উদ্বেগৰ বিষয়। কিয়নো ইয়াৰ পৰা কাৰো উপকাৰ নহয়, বৰঞ্চ লোকচানৰ সম্ভাৱনীয়তাহে অধিক। কিয় আমি কথাবোৰ সহজকৈ ল'ব নোৱাৰো? কিয় আনৰ প্ৰতি হকে-বিহকে পোষণ কৰো বিদ্বেষৰ ভাৱ? কিয় এই জেদ ভাৱ?

জাৱৰ-জোঁথৰ পৰিষ্কাৰ কৰিলে পৰিৱেশটো মুকলি হোৱাৰ দৰে মনৰ মলিনতা সমূহ আঁতৰাই মনটো পৰিষ্কাৰ কৰি ৰাখিব পাৰিলে আমি প্ৰত্যেকেই হৈ উঠিব পাৰিম সুস্থ মনৰ অধিকাৰী।

পেলনীয়া, অব্যৱহৃত বুলি জানিও আমি বহু সময়ত কিছুমান বস্তু গোটাই ৰাখো। যিবোৰে সময়ত সমস্যাৰহে সৃষ্টি কৰে, আৱৰ্জনাৰ ৰূপ লয়। কোনো কামত নহা অথচ বহু সময়ত অসুবিধাৰ কাৰক হৈ পৰা সেই জাঁৱৰ বা আৱৰ্জনা সমূহৰ দৰেই আমি অৰ্থহীনভাৱে আনৰ প্ৰতি মনত যিবোৰ বিষাক্ত ভাৱ লৈ ফুৰো সেই ভাৱে আমাৰ মন-মগজুত যে বেয়া প্ৰভাৱ পেলায় বা মানসিক দিশত বেয়া প্ৰভাৱ সেই কথা ধ্ৰুৱৰূপ।

সাজ-পোছাক আদিৰে আমি বাহ্যিক ভাৱে আধুনিক হ'লেও মনৰ পৰা এই কলুষতা সমূহ দূৰ কৰিব পৰা নাই বা আতঁৰ কৰাৰ প্ৰয়োজনো অনুভৱ নকৰে। ফলত নজনাকৈয়ে সম্পৰ্ক বোৰৰ মাজত দূৰত্বৰ সৃষ্টি হৈছে,আপোন -আপোন ভাৱ নোহোৱা হ'ব ধৰিছে। ইতিবাচক চিন্তাৰ কৰ্ষণ তথা মনন কৰাৰ বিপৰীতে আমি বহুতে স্থুল চিন্তাৰে মনবোৰ বিষাক্ত কৰি তুলি মানসিক সুস্থতা লাভৰ ক্ষেত্ৰত যেন নিজেই নিজৰ হেঙাৰ হৈ পৰিছো।মনৰ মলিনতা সমূহ দূৰ কৰি এটি পৰিষ্কাৰ মনৰ অধিকাৰী হ'বলৈ আমি অন্ত:ত প্ৰয়াস কৰা উচিত যিয়ে মনৰ পৰিধি বৃদ্ধি কৰি অনাবিল সুখ প্ৰদান কৰিব।

## গোৱালপাৰাৰ সিধাবাৰী পঞ্চায়ত সদস্যৰ আনুষ্ঠানিক কাৰ্যভাৰ গ্ৰহণ

**অসম বাৰ্তা, শিমলীতোলা, ৪ আগষ্ট ঃ** গোৱালপাৰাৰ দুধনৈ সমষ্টিৰ অন্তৰ্গত ৬২ নং সিধাবাৰী পঞ্চায়তৰ নৱ গঠিত কমিটিয়ে আজি আনুষ্ঠানিক ভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে। পঞ্চায়ত সভাকক্ষত অনুষ্ঠিত কাৰ্যভাৰ গ্ৰহণ ও সম্বৰ্ধনা অনুষ্ঠানটোত নৱ নিৰ্বাচিত প্ৰতিনিধি সকলে কাৰ্যভাৰ গ্ৰহণ কৰে। নৱ গঠিত পঞ্চায়ত সভাপতি আব্দুল কৰিম সেখৰ লগতে ৯ গৰাকী সদস্য-সদস্যাক আনুষ্ঠানিক ভাৱে সম্বৰ্ধনা জনায়। দলগোমা আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰবক্তা ৰাজমোহন কলিতাৰ সঞ্চালনাত অনুষ্ঠিত সভাত উপস্থিত থাকে মাটিয়া- দলগোমা জিলা পৰিষদৰ সদস্যা মিনাক্ষী গোস্বামী, অৱসৰপ্ৰাপ্ত শিক্ষক কমল মেধি, প্ৰাক্তন পঞ্চায়ত সভাপতি হবিবৰ ৰহমানৰ লগতে আন কেবাজনো বিশিষ্ট অতিথি উপস্থিত থাকে। পঞ্চায়ত সচিব অশোক পাটগিৰিয়ে আঁত ধৰা অনুষ্ঠানটোত নৱ নিৰ্বাচিত প্ৰতিনিধি সকলৰ লগতে আমন্ত্ৰিত অতিথি সকলোকো ফুলাম গামোছাৰে সম্বৰ্ধনা জনায়। সভাত উপস্থিত থকা শতাধিক লোক উপৰিও অতিথি সকলে পঞ্চায়ত উন্নয়নৰ স্বাৰ্থত বিভিন্ন দিশত দিহা-পৰামৰ্শ দিয়াৰ লগতে নৱ গঠিত পঞ্চায়ত কমিটিখনক আদৰণি জনায়।

## আৰক্ষীৰ উদ্যোগত হাজোৰ পাখামেলাত ৰাজহুৱা সভা

# অসামাজিক কাৰ্যকলাপ ৰোধত ৰাইজৰ সহায়ৰ আহ্বান

**অসম বাৰ্তা, হাজো, ৪ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন ঠাইত ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে নানান অসামাজিক কাৰ্যকলাপ। বিশেষকৈ বিগত প্ৰায় এপষেকত নিজ হাজোত সংঘটিত হৈছে দহটাতকৈ অধিক চুৰি কাৰ্যৰ ঘটনা। লগতে এচাম ড্ৰাগছ আসক্ত যুৱকৰ দ্বাৰা সংঘটিত হৈছে বিভিন্ন ধৰণৰ অপৰাধ জনিত ঘটনা। এই অসামাজিক কাৰ্যকলাপ সমূহ ৰোধ কৰি এখন সুস্থ সমাজ গঠন কৰাৰ উদ্দেশ্যে হাজো ৰাইজৰ পৰামৰ্শ বিচাৰি নিশা হাজোৰ ব্যৱসায়িক প্ৰাণকেন্দ্ৰ পাখামেলা চ'কত হাজো আৰক্ষী থানাৰ উদ্যোগত অনুষ্ঠিত কৰা হয় এখন ৰাজহুৱা সভা। হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপম হাজৰিকাৰ পৰিচালনাত অনুষ্ঠিত সভাখনত হাজো অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ ব্যক্তিৰ লগতে স্থানীয় ব্যক্তি সকলে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত হাজো অঞ্চলৰ প্ৰধান সমস্যা হিচাপে মূলতঃ পাখামেলাৰ যান জঁটৰ সমস্যা, হাজোৰ ধৰ্মীয় অনুষ্ঠান সমূহৰ সুৰক্ষাৰ লগতে বিভিন্ন অঞ্চলত সংঘটিত চুৰি কাৰ্যৰ লগতে আন আন কেতবোৰ সমস্যাৰ বিষয়ে আলোচনা কৰা হয়। সভাত আৰক্ষী বিষয়া ৰূপম হাজৰিকাই হাজো অঞ্চলত সঘনাই ঘটি থকা অসামাজিক কাৰ্যকলাপ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাইজক সজাগ হোৱাৰ উপৰিও এখন সুস্থ সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত আৰক্ষীক সহায় কৰিবলৈ আহ্বান জনায়। লগতে আৰক্ষী বিষয়া জনে নিজৰ ব্যক্তিগত ফোন নাম্বাৰ ৰাজহুৱা কৰি যিকোনো অপৰাধমূলক কাম-কাজ চকুত পৰিলে উক্ত নম্বৰত ফোন কৰি আৰক্ষীক জনাবলৈ অনুৰোধ জনায়।



# ৰাষ্ট্ৰপতিৰ 'এট হ'ম' অনুষ্ঠানলৈ আমন্ত্ৰণ দৰঙৰ দেওমৰনৈৰ দীপ্তি চহৰীয়া



**অসম বাৰ্তা, দেওমৰনৈ, ৪ আগষ্ট ঃ** প্ৰায় কুৰি বছৰে কৃষি ক্ষেত্ৰত অদ্বিতীয় ৰূপত সূচনা কৰা এক বৈপ্-ৰিক যাত্ৰাৰ ফলস্বৰূপে দৰঙৰ জলজলীৰ নিকৰ্টৱৰ্তী গৰিয়াপাৰা গাঁৱৰ জীয়ৰি দৰং জিলাৰ প্ৰগতিশীল গ্ৰাম্য মহিলা কৃষি উদ্যোগী দীপ্তি চহৰীয়া লৈ দেশৰ মহামান্য ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে স্বাধীনতা দিৱস উপলক্ষে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত ১৫ আগষ্টৰ সন্ধিয়া ৬: ০০ বজাত অনুষ্ঠিত হ'বলগীয়া 'এট হোম' অভ্যৰ্থনাত অংশগ্ৰহণৰ বাবে এক বিশেষ আমন্ত্ৰণ জনাইছে। অসম আন্দোলনৰ অক্লান্ত সৈনিক, সদৌ অসম ছাত্ৰ সন্থাৰ সেনানী উদয় ভাস্কৰ চহৰীয়া তথা প্ৰয়াত কৃষক যোগেন চহৰীয়াৰ জীয়ৰী দীপ্তি চহৰীয়া "চিৰ সেউজ মহিলা কৃষক উৎপাদক কোম্পানী"ৰ পৰিচালন সঞ্চালিকা হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। তেওঁ গ্ৰাম্য মহিলাসকলক কৃষিত সৰলীকৰণৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগোৱাৰ লগতে তেওঁলোকক অতি সুলভ মূল্যত বীজ, কৃষি সঁজুলি আৰু কীটনাশক, সাৰ যোগান ধৰি আহিছে। বহনক্ষম কৃষি পদ্ধতিৰ জৰিয়তে গাঁৱৰ মহিলা কৃষক সকলৰ উন্নতিৰ বাবে নিষ্ঠা সহকাৰে কাম কৰি অহা বাবেই তেওঁ এই অসাধাৰণ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ৩১ জুলাই বৃহস্পতিবাৰে আবেলি মঙলদৈৰ ডাক পৰিদৰ্শক বিনন্দ চৌধুৰীৰ নেতৃত্বত বিপণন কাৰ্যবাহী পুলক নাথ আৰু ডাকোৱাল সত্যধৰ কলিতাই জলজলীৰ গৰিয়াপাৰা গাঁৱৰ দীপ্তি চহৰীয়াৰ বাসগৃহত আনুষ্ঠানিকভাৱে প্ৰদান কৰে এই আমন্ত্ৰণী পত্ৰখন। ভাৰতীয় কৃষি-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানক সন্মান জনাই উক্ত অনুষ্ঠানলৈ ৰাষ্ট্ৰপতি ভৱনৰ পৰা দেশৰ আঠখন ৰাজ্যৰ আঠজন গ্ৰাম্য কৃষকক আমন্ত্ৰণ জনাইছে। দীপ্তী চহৰীয়া অসমৰ পৰা একমাত্ৰ প্ৰতিনিধি, যাৰ ফলত কৃতিত্ব বিশেষভাৱে উল্লেখযোগ্য। আনহাতে দৰঙৰ মুক্তিযুঁজাৰু পানিৰাম দাসৰ পাছতেই পোনপতীয়াকৈ দেশৰ ৰাষ্ট্ৰপতি ভৱনলৈ আমন্ত্ৰণ লাভ কৰা দ্বিতীয়গৰাকী ব্যক্তি দীপ্তি চহৰীয়া। দৰং জিলাৰ এখন নিস্তব্ধ গাঁৱৰ পৰা ৰাষ্ট্ৰপতি ভৱনৰ সন্মানীয় ৰাষ্ট্ৰপতি ভৱনলৈ প্ৰেৰণাদায়ক যাত্ৰাৰ বাবে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদ দৰং জিলা সমিতি, আপকু দৰং জিলা সমিতি, দৰং জিলা সাহিত্য সভা, মঙলদৈ প্ৰেছ ক্লাৱকে ধৰি বিভিন্ন অনুষ্ঠানে দীপ্তী চহৰীয়ালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

## তিনিচুকীয়াৰ জৱাহৰ নৱোদয় বিদ্যালয়ত ছাত্ৰাবাস মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ ৰঙাজানত থকা জৱাহৰ নবোদয় বিদ্যালয়ত কেন্দ্ৰীয় লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰি উলিওৱা এটা নতুন ছাত্ৰাবাস আজি জিলা আয়ুক্ত স্বপ্নীল পালে আনুষ্ঠানিকভাৱে মুকলি কৰে। তাৰ পিছতে তেওঁ কেন্দ্ৰীয় বিদ্যালয়খনৰ একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী সকলৰ সৈতে মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰে। আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠাৰে অধ্যয়ন কৰাৰ লগতে এজন দায়িত্বশীল নাগৰিক হিচাপে সমাজৰ প্ৰতি অৰিহণা আগবঢ়োৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে, দেশখনক সঠিক দিশত আগবঢ়াই নিয়াৰ বাবে আজিৰ ছাত্ৰ সকলেই নিজকে প্ৰস্তুত কৰিব লাগিব। অনুষ্ঠানৰ পূৰ্বে তেওঁ বিদ্যালয়খনৰ সম্পূৰ্ণ চৌহদটো পৰিদৰ্শন কৰে ইয়াৰ অৱস্থা আৰু সমস্যাৰ বুজ লয়।

## নাহৰকটীয়াত ডিজিটেল লাইব্ৰেৰী নিৰ্মাণাথে ৰাজহুৱা সভা আয়োজন

**অসম বাৰ্তা, নাহৰকটীয়া, ৪ আগষ্ট ঃ** নাহৰকটীয়া, টিংখং, নামৰূপ, দুলীয়াজান মহাবিদ্যালয় বুৰঞ্জী বিভাগ, নাহৰকটীয়া বাসীৰ সহযোগত আৰু NGOৰ উদ্যোগত ডিজিটেল লাইব্ৰেৰী নিৰ্মাণাথে ৰাজহুৱা সভা আয়োজনৰ প্ৰস্তুতি। নাহৰকটীয়া আৰু টিংখং ৰাজহ চক্ৰ ৰ অন্তৰ্গত অৱস্থিত ঐতিহাসিক বুৰঞ্জীপ্ৰসিদ্ধ সম্পদ সমূহক সুৰক্ষা, সংৰক্ষণ, প্ৰচাৰ-প্ৰসাৰ, সৌন্দৰ্য বৰ্দ্ধন, সংবৰ্দ্ধন, ক্ষেত্ৰ উন্নয়ন, ছবি অকা, কুইজ প্ৰতিযোগিতা, কাপোৰ বিতৰণ, চকু পৰীক্ষা শিবিৰ, স্বাস্থ্য পৰীক্ষা, আদি চচাইটি ফৰ বলি মৰা থান চিতা কুণ্ড পৰ্যটন প্ৰকল্প NGOএ যোৱা ইংৰাজী ২০১৮ বৰ্ষৰ পৰাই অসম চৰকাৰৰ বিভিন্ন বিভাগ সমূহক দৃষ্টি আকৰ্ষণ কৰি আহিছে। ইয়াৰ উপৰিও নাহৰকটীয়া মিলন নগৰত অৱস্থিত চৰকাৰী ভূমিত ভৱিষ্যত প্ৰজন্মৰ বাবে, ছাত্ৰ-ছাত্ৰী, পঢ়ুৱৈ ৰাইজৰ সুবিধাৰ্থে আধুনিক বিশ্বৰ ডিজিটেল যুগৰ লগত সমানে আগবাঢ়ি যাব পৰা সকলো সুবিধাযুক্ত থকা লাইব্ৰেৰী ডিব্ৰুগড় জিলাৰ আগশাৰী মহাবিদ্যালয় যেনে - নাহৰকটীয়া, টিংখং, নামৰূপ, দুলীয়াজান মহাবিদ্যালয় বুৰঞ্জী বিভাগ, নাহৰকটীয়া বাসীৰ সহযোগত আৰু NGOৰ উদ্যোগত এটি "ডিজিটেল লাইব্ৰেৰী" নিৰ্মাণাথে এখনি ৰাজহুৱা সভা আহ্বান কৰিছে। এই ডিজিটেল লাইব্ৰেৰী লগতে ভৱিষ্যতে এক লাখ কিতাপ সংগ্ৰহ কৰাৰ লক্ষ্য লোৱা হৈছে। অহা ১০ আগষ্ট দেওবাৰে নাহৰকটীয়া জ্যেষ্ঠ নাগৰিক সন্মিলনৰ কাৰ্যালয়ত অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাত শিক্ষা, ক্ৰীড়া, সাহিত্য লগত জড়িত ব্যক্তি সকলক চমু সম্বৰ্ধনা জনোৱা হ'ব। ৰাজহুৱা সভা লৈ নাহৰকটীয়া বিধায়ক তৰঙ্গ গগৈ, সম জিলা আয়ুক্ত, চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়, কানৈ মহাবিদ্যালয়, টেঙাখাট মহাবিদ্যালয় বুৰঞ্জী বিভাগ, দল সংগঠন আৰু নাহৰকটীয়া বৌদ্ধিক মহলক আমন্ত্ৰণ জনোৱাৰ বিষয়ে জানিব পৰা গৈছে। আয়োজক সমিতিয়ে সকলো ৰাইজৰ উপস্থিতি, সহায় সহযোগ দিহা পৰামৰ্শ একান্তই কামনা কৰিছে।

## অভয়াপুৰীত অভিলাষা হেল্থকেৱাৰৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**অসম বাৰ্তা, অভয়াপুৰী, ৪ আগষ্ট ঃ** স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি স্বাস্থ্য সেৱা আগবঢ়াই অহা অভিলাষা হেল্থকেৱাৰে শনিবাৰে, অভিলাষা হেল্থকেৱাৰৰ অভয়াপুৰীস্থিত কেন্দ্ৰত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিৱিৰৰ আয়োজন কৰিছে। উক্ত শিৱিৰত ৰোগীসকলে এম ডি চিকিৎসকৰ পৰা বিনামূলীয়া পৰামৰ্শ লাভ কৰিব পাৰিব। পুৱা ১০ বজাৰ পৰা বিয়লি ৬ বজালৈ এই শিৱিৰ চলিব। শিৱিৰত সাধাৰণ ৰোগৰ লগতে জটিল ৰোগৰো বিনামূলীয়াকৈ পৰামৰ্শ ল'ব পৰা যাব। ইয়াৰ উপৰিও, শিৱিৰৰ অংশ হিচাপে মধুমেহ, কলেষ্টেৰল আৰু কেলচিয়াম পৰীক্ষাৰ বাবে সুযোগ উপলব্ধ থাকিব, যাৰ ভিতৰত যিকোনো এটাৰ বিনামূলীয়া পৰীক্ষা কৰোৱা হ'ব। এই শিৱিৰত অংশ গ্ৰহণ কৰিব বিচৰা ৰাইজে আগতীয়াকৈ নামভৰ্তি কৰাৰ বাবে ৮৮১১৯৮৫৮৪৮ নম্বৰত যোগাযোগ কৰিব পাৰে। অভিলাষা হেল্থকেৱাৰে এই স্বাস্থ্য পৰীক্ষা শিৱিৰৰ জৰিয়তে পুনৰ সামাজিক দায়বদ্ধতাৰ নিদৰ্শন প্ৰদৰ্শন কৰিছে। স্থানীয় ৰাইজে এই সুযোগৰ সদ্ব্যৱহাৰ কৰাৰ বাবে সকলোকে আহ্বান জনাইছে।

## মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**অসম বাৰ্তা, যোৰহাট, ৪ আগষ্ট ঃ** যোৰহাট সদৰ ডি আই জি পথৰ সদৰ বাগান প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, লেখক-লেখিকাসকলৰ পৰা লেখা আহ্বান কৰা হৈছে। শিক্ষা, ভাষা, নীতি শিক্ষা, খেল, কলা-সংস্কৃতি, ৰস-ৰচনা, শিশু মনোবিজ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তি, পৰিৱেশ আদি বিষয়ৰ প্ৰবন্ধ, গল্প, কবিতা, সাক্ষাৎকাৰ আদি ৩০ নৱেম্বৰৰ ভিতৰত পোৱাকৈ বিজুলী শৰ্মা সম্পাদক, স্মৃতিগ্ৰন্থ উপশমিতি মহাৰজত জয়ন্তী উদযাপন সমিতি সদৰ বাগান প্ৰাথমিক বিদ্যালয়, সদৰ ডি আই জি পথ, ডাক: চিনামৰা, যোৰহাট - ৭৮৫০০৮, দুৰভাষ: ৮৬৩৮৮৯১৩১৪ এই ঠিকনাত প্ৰেৰণ কৰিবলৈ সমিতিৰ সভাপতি ড০ অদিতি বেজবৰুৱাই আহ্বান জনাইছে। প্ৰেৰণ কৰা লেখাসমূহ যথাসম্ভৱ চুটি হোৱাৰ লগতে অমনোনীত লেখা ঘূৰাই পঠোৱা নহয় বুলি সমিতিয়ে জনাইছে। নিৰ্বাচিত লেখাৰ লেখকসকলক ন্যূনতম মাননি আৰু ডাক খৰচ প্ৰদান কৰিব।

# বঙাইগঁৱৰ কছাৰীপেটীত প্ৰাইজমানি ফুটবল খেলৰ শুভ উদ্বোধন

**অসম বাৰ্তা, লেংটিছিঙা, ৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ কছাৰীপেটী যুৱ সংঘৰ উদ্যোগত আৰু অঞ্চলবাসীৰ সহযোগত কালিৰ পৰা কছাৰীপেটী হাই স্কুলৰ খেলপথাৰত প্ৰাইজমানি ফুটবল খেল প্ৰতিযোগিতা খনৰ শুভাৰম্ভ হয়। ১ আগষ্টৰ পৰা ৫ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনত জিলাখনৰ বহুতো প্ৰতিভাশালী দলে অংশগ্ৰহণ কৰিব। অনুষ্ঠানিকভাৱে এই খেলৰ উদ্বোধন কৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা সৃজনগ্ৰাম সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীত্বৰ দাবিদাৰ নুৰ ইছলামে। উদ্বোধনী ভাষণত তেওঁ কছাৰীপেটী যুৱ সংঘৰ অঞ্চলটোৰ ক্ৰীড়া বিকাশৰ ক্ষেত্ৰত অৱদানক বিশেষভাৱে প্ৰশংসা কৰি কয়, "এইধৰণৰ প্ৰতিযোগিতাই যুৱপ্ৰজন্মক শাৰীৰিকভাৱে সুগঠিত কৰাৰ লগতে সামাজিক একতা আৰু ভ্ৰাতৃত্বৰ দিশটো অধিক দৃঢ় কৰি তোলে।" লগতে তেওঁ অঞ্চলটোৰ ক্ৰীড়া সজাগতা আৰু উন্নয়নক লৈ সকলো পক্ষক আগবাঢ়ি অহাৰ আহ্বান জনায়। উল্লেখ্য যে, এই প্ৰতিযোগিতাত বিজয়ী দলসমূহক আৰ্থিক পুৰস্কাৰৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব বুলি আয়োজক সমিতিয়ে জনায়। প্ৰতিদিনে উৎসাহিত দৰ্শকৰ উজ্জ্বল উপস্থিতিয়ে খেলপথাৰখনত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰিছে।



# চিকিৎসা ব্যয়ৰ নামত সৰ্বস্ব হেৰুৱা পুৰণিগুদামৰ এটি দুৰ্ভগীয়া পৰিয়ালৰ কৰুণাগাঁথা

### অসমৰ মুখ্যমন্ত্ৰী আৰু ৰাইজলৈ সহায়ৰ আহ্বান

**অসম বাৰ্তা, পুৰণিগুদাম, ৪ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত পুৰণিগুদাম মিকিৰহাট নিবাসী এটি দুৰ্ভগীয়া পৰিয়ালে চিকিৎসা ব্যয়ৰ নামত সৰ্বস্ব হেৰুৱাই দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগা হৈছে। দুৰ্ভগীয়া এই পৰিয়ালটোৰ কৰুণাগাঁথা সন্দৰ্ভত পোহৰলৈ অহা তথ্য অনুযায়ী পুৰণিগুদাম মিকিৰহাট নিবাসী দীপক বায়ন নামৰ লোকজনৰ পত্নী জয়ামণি বায়ন (৪৯) বিগত দুবছৰৰ পৰা কেঞ্চাৰৰ দৰে এক জটিল ৰোগত আক্ৰান্ত হৈ আছে। পত্নীক চিকিৎসা প্ৰদান কৰাৰ নামত নিজ বাসগৃহসহ ভেটি মাটিকনো বিক্ৰী কৰিব লগা হয় যদিও আজি পৰ্যন্ত পত্নীয়ে আৰোগ্য লাভ কৰা নাই। আয়ুষ্মান কাৰ্ডৰ জৰিয়তে যিখিনি চিকিৎসা ব্যয়ৰ সুবিধা পাইছিল সেয়াই পৰ্যাপ্ত নহয়। কাৰণ ৰোগৰ পৰীক্ষা-নিৰীক্ষা আৰু ঔষধ ক্ৰয়ৰ বাবদ নিজাকৈ টকা খৰচ কৰিব লগা হয়। দীপক বায়নে উপায়ন্তৰ হৈ পত্নীৰ চিকিৎসাৰ নামত নিজৰ ভূ-সম্পত্তি বিক্ৰী কৰাই নহয় সম্প্ৰতি সৰ্বশ্ৰান্ত হৈ পৰিছে দুৰ্ভগীয়া পৰিয়ালটো। চিকিৎসাৰ ক্ষেত্ৰত সহায়-সহযোগিতা বিচাৰি পঞ্চায়ত প্ৰতিনিধিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বড়মপুৰৰ বিধায়ক জিতু গোস্বামী আৰু চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক আবেদন জনাইছিল যদিও আজি চাৰিমাহে একো সঁহাৰি পোৱা নাই। সেয়েহে সংবাদ-মাধ্যমৰ জৰিয়তে উপায়ন্তৰ দীপকে অসমৰ মুখ্যমন্ত্ৰী আৰু সহৃদয় ৰাইজলৈ সহায়ৰ আহ্বান জনাইছে যাতে টকাৰ অভাৱত চাৰিটাকৈ কেমো' পোৱাৰ পৰা বঞ্চিত হৈ থকা পত্নীক উন্নত চিকিৎসা কৰিব পৰা যায়। কোনো সদাশয় ৰাইজে সহায়-সহযোগ কৰিব বিচাৰিলে ৯৫৭৭৩০১৪৬ নম্বৰত যোগাযোগ কৰাৰ লগতে একাউণ্ট নম্বৰ: 35237190344 আৰু IFSC: -SBIN0002119ত সহায় সহযোগ কৰিবলৈ বিনম্ৰতাৰে আহ্বান জনাইছে।

# দিচাংমুখ গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত প্ৰতিনিধিসকলৰ কাৰ্যভাৰ গ্ৰহণ

**অসম বাতা, দিচাংমুখ, ৪ আগষ্ট ঃ** গৌৰীসাগৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত দিচাংমুখ গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি পঞ্চায়ত কৰ্মচাৰী সকলে নৱনিৰ্বাচিত সভাপতি, উপ-সভাপতি আৰু ৱাৰ্ড সদস্য-সদস্যাসকলক আদৰণি আৰু কাৰ্যভাৰ গ্ৰহণ কৰা এখন সভা অনুষ্ঠিত কৰা হয়। নৱনিৰ্বাচিত সভাপতি সঞ্জয় পাংগিঙৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়তৰ জিপিচি নিতু খঙীয়াই। যোগানন্দ মিলিয়ে আঁতধৰা সভাত শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া চতিশ চন্দ্ৰ ঠাকুৰীয়া, গৌৰিসাগৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ডেনিছ দত্ত, অফলাৰ গাঁৱৰ গাঁও প্ৰধান তযুৰাম মিলি, চিতলডুবি গাঁৱৰ জগনাথ গাম, লিগিৰিবাৰী গাঁৱৰ খগেন মিলি, আলিছিগা গাঁৱৰ সেৱানসিং য়েইন, বলমা কৈৱৰ্তৰ মৃদুল দাস, লেপাই জেইলগাঁৱৰ নোমল দাস, লেপাই গাঁৱৰ পৰাগ শইকীয়া, চোমনি গাঁৱৰ পৱিত্ৰ টায়ে, সমাজকৰ্মী মণিকুমাৰ মিলি, সমাজকৰ্মী জিতু হাজৰিকা, সাংবাদিক ৰজনীকান্তপাংগিং, পদ্মকান্ত দাস, গোবিন গগৈয়ে নৱনিৰ্বাচিত প্ৰতিনিধিসকলক দিহা-পৰামৰ্শ দিয়া লগতে পঞ্চায়তখনৰ উন্নয়ন সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত তিনিশতাধিক ৰাইজৰ লগতে পঞ্চায়তৰ স্বীকৃতিপ্ৰাপ্ত অভিযন্তা হিংশু পৱন গগৈ, জিআৰএচ প্ৰাঞ্জল শইকীয়া, ৰাজেন গাম, পুৰু চৰকাৰ, ৰাজভূষণ গগৈ, ৰাহুল গগৈ, বিপুল পাংগিং, মনজিত মিলি, শৰৎ দাসে উপস্থিত থাকে। ইফালে আজি দিচাংমুখ গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি সঞ্জয় পাংগিং, উপ-সভাপতি জিতুমণি শইকীয়া, ৱাৰ্ড সদস্য ডেম্বেশ্বৰ পাংগিং, মনোৰঞ্জন মিলি, ৱাৰ্ড সদস্যা মনিতা মিলি য়েইন, মেনেকা পাংগিং টায়ে, মৃদুলা পাংগিং য়েইন, সোণামণি দাস, অনামিকা ৰাইদিহিঙীয়া, সুৱানীবালা টায়েক পঞ্চায়তৰ কৰ্মচাৰীসকলে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হ'য়।

## গোলোকগঞ্জৰ আগমণিত গৰুসহ বিলাসী বাহন জব্দ আৰক্ষী

**অসম বাৰ্তা, আগমনি, ৪ আগষ্ট ঃ** ধুবুৰী জিলাত গোলকগঞ্জ আৰক্ষীয়ে এক গোপন সুত্ৰে অভিযান চলাই চাৰিটাকৈ চোৰাং গৰু জব্দ কৰে। জানিব পৰা মতে গোলকগঞ্জ থানাৰ আৰক্ষীৰ এটি দলে আজি নিশা অভিযান চলাই পেষ্টাৰঘাটৰ পথত চাৰিটাকৈ চোৰাং গৰু জব্দ কৰিবলৈ সক্ষম হয়। চোৰাং গৰু জব্দ কৰে যদিও চালকজন কাষতে থকা দ খাবৈত জাপ মাৰি পলায়ন কৰে। জব্দকৃত চাৰিচকীয়া বেলোনো বাহনখনৰ নম্বৰ হল এ এচ ০১ ডিজে ৬২০২। এই অবৈধ গো মাফিয়া চক্ৰই বহি: ৰাজ্যৰ চোৰাং পথেৰে চোৰাং গৰু সৰবৰাহ কৰি নদী পথেৰে বাংলাদেশলৈ গৰু চালান কৰি আহিছে। ঈদৰ আগমুহূৰ্তত অসম-পশ্চিমবংগ সীমান্তৰ পৰা লক্ষ্যাধিক গৰুৰ অবৈধ ব্যৱসায়ী ধুবুৰী লৈ আহিছে। আকৌ আজি নিশা ধুবুৰী জিলাৰ গোলকগঞ্জৰ পেষ্টাৰঘাটৰ পথত চাৰিটাকৈ চোৰাং গৰু জব্দ কৰিবলৈ সক্ষম হয়। কিন্তু গো সৰবৰাহকাৰী ৰাতিৰ এন্ধাৰৰ সুযোগ লৈ পলাই যায় উক্ত ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোপন এক খবৰৰ ভিত্তিত নৈশ টহলদাৰী আৰক্ষীৰ দলটো পেষ্টাৰঘাট ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথত খাপপিটি আছিল। নিশা ১২ মান বজাত কোচবিহাৰৰ পৰা গৌৰীপুৰ অভিমুখী এ এচ ০১ ডিজে ৬২০২ নম্বৰৰ বেলোনো বাহনখন সন্মুখত আৰক্ষীৰ দলটোক দেখা পাই বাহন ৰখাই চালকজন পলায়ন কৰে। ইপিনে, বেলোনো খনৰ দুৱাৰ খোলাত মুখ-ভৰি বন্ধা অৱস্থাত চাৰিটা গো-ধন উদ্ধাৰ কৰে। উল্লেখ্য যে সৰবৰাহকাৰীয়ে গৰুকেইটা চোৰাং বেহাত বাংলাদেশলৈ গৰু চালান কৰাৰ উদ্দেশ্যে। কিন্তু উক্ত চোৰাং ব্যৱসায়ত জড়িতক আৰক্ষীয়ে আটক কৰিব নোৱাৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

## 'চিআৰএচডিটি'ৰ উদ্যোগত স্বাধীনতা দিৱস উপলক্ষে অনলাইন বক্তৃতা প্ৰতিযোগিতা

**অসম বাৰ্তা, পাথৰিঘাট, ৪ আগষ্ট ঃ** অসমৰ অন্যতম আগশাৰীৰ সামাজিক সংস্থা "চি, আৰ, এচ, ডি, টি"ৰ উদ্যোগত স্বাধীনতা দিৱস উপলক্ষে অনলাইন বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। বক্তৃতাৰ বিষয় "ভাৰতৰ স্বাধীনতা আন্দোলন আৰু কালপানীৰ বন্দীত্ব"। প্ৰতিযোগিতাখনি অষ্টম শ্ৰেণীৰ পৰা স্নাতক স্তৰৰ বিদ্যাৰ্থীৰ বাবে মুকলি থাকিব।

# শ্ৰীৰামপুৰত 'ফ্ৰেন্ড ৰুটছ ফাউণ্ডেছন' স্বেচ্ছাসেৱী সংস্থা গঠন

### দৰিদ্ৰ আৰু আৰ্তজনৰ সেৱাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত সহায়ৰ লক্ষ্য

**অসম বাৰ্তা, গোসাঁই গাঁও, ৪ আগষ্ট ঃ** গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰত সমাজৰ দৰিদ্ৰ, নিছলা আৰু পিছপৰা লোকৰ সহায়, আৰ্তজনৰ সেৱা আৰু শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি আহিবলৈ 'ফ্ৰেন্ড ৰুটছ ফাউণ্ডেছন' নামৰ এখন বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা গঠন কৰা হৈছে। সংস্থাটিক স্বামী বিবেকানন্দৰ আদৰ্শ অনুসৰণ কৰি গঠন কৰা হৈছে আৰু ইয়াৰ মূল উদ্দেশ্য হৈছে সমাজৰ নিৰুপায় আৰু অসহায় লোকৰ কাষত থিয় দিয়া। সংস্থাটো গঠনৰ কাৰ্যসূচীকালি সন্ধিয়াৰ ভাগত শ্ৰীৰামপুৰ আৰ ষ্টুডেণ্টছ ক্লাব কাম লাইব্ৰেৰীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সভাখনৰ সভাপতিত্ব কৰে ক্লাবৰ সভাপতি তথা গাঁওবুঢ়া মৃণাল কান্তি চক্ৰৱৰ্তীয়ে। সভাত শ্ৰীৰামপুৰ কলোনীৰ একাংশ শিক্ষিত যুৱক আৰু সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰে। বিশিষ্টজনৰ মতামত গ্ৰহণৰ পিছত গঠন কৰা হয় ২১ সদস্যৰ কাৰ্যকাৰী সমিতি, য'ত জীৎ সৰকাৰক সভাপতি, ৰণজয় চন্দক সাধাৰণ সম্পাদক আৰু অমিয় তালুকদাৰক সাংগঠনিক সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। উক্ত সভাত আগবাঢ়ি আহে শ্ৰীৰামপুৰ আৰ ষ্টুডেণ্টছ ক্লাবৰ প্ৰাক্তন সভাপতি আৰু সাংবাদিক পেন্সনাৰ স্বপন কুমাৰ এছ, বৰ্তমানৰ সাধাৰণ সম্পাদক চন্দন দাস, সমাজকৰ্মী উত্তম তালুকদাৰ, বিশ্বজিত চৌধুৰী, ঝণ্টু দত্ত, লগতে স্থানীয় যুৱকৰূপে প্ৰবীৰ মৈত্ৰ ভট্টাচাৰ্য, কেশৱ চক্ৰৱৰ্তী, শিৱ দত্ত, মিঠুন পাল, সুকান্ত চক্ৰৱৰ্তী আদি উপস্থিত থাকে। নৱপ্ৰজন্মৰ এই সুদৃঢ় পদক্ষেপৰ ফলত অঞ্চলটোত সমাজসেৱাৰ এক নতুন দিগন্ত খুলিব বুলি আশা প্ৰকাশ কৰিছে উপস্থিত লোকে।

## চিৰাজ-কৃষ্ণৰ আক্ৰমণত

ভাৰতে ইংলেণ্ডক ৬ ৰাণৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ জয়ৰ দ্বাৰা পৰাস্ত কৰি পাঁচখন মেচৰ শৃংখলাত ২-২ ব্যৱধানত সমতা স্থাপন কৰিছে। মহম্মদ চিৰাজৰ অসাধাৰণ বলিং প্ৰদৰ্শনৰ সৈতে প্ৰসিদ্ধ কৃষ্ণৰ শক্তিশালী সমৰ্থনে ভাৰতৰ এই ঐতিহাসিক জয়ৰ পথ প্ৰশস্ত কৰিছে। ইংলেণ্ডে ৩৭৪ ৰাণৰ লক্ষ্যৰ সন্মুখীন হৈ দ্বিতীয় ইনিংছত ৩৬৭ ৰাণ সংগ্ৰহ কৰি অলআউট হয়। মহম্মদ চিৰাজে ৫টা উইকেট দখল কৰি মেচৰ নায়কৰ ভূমিকা পালন কৰে, আনহাতে প্ৰসিদ্ধ কৃষ্ণই ৪টা উইকেট লাভ কৰি তেওঁক যোগ্য সমৰ্থন প্ৰদান কৰে। সমগ্ৰ শৃংখলাত চিৰাজে ২৩টা উইকেট দখল কৰি সৰ্বাধিক উইকেট লোৱা বলাৰ হিচাপে নিজৰ স্থান সুনিশ্চিত কৰিছে। মেচৰ পঞ্চম দিনত ভাৰতৰ জয়ৰ বাবে মাত্ৰ ৪টা উইকেটৰ প্ৰয়োজন হৈছিল, আনহাতে ইংলেণ্ডৰ লক্ষ্য আছিল ৩৫ ৰাণ। খেলৰ আৰম্ভণিতে ভাৰতীয় বলাৰসকলে দুৰ্দান্ত প্ৰদৰ্শনৰ জৰিয়তে মাত্ৰ ২৯ ৰাণৰ ভিতৰত ৪টা উইকেট তুলি লৈ জয় নিশ্চিত কৰে। চিৰাজে এই ৪ উইকেটৰ তিনিটা দখল কৰে, আনহাতে কৃষ্ণই বাকী এটা উইকেট লাভ কৰে। এই জয়ৰ জৰিয়তে ভাৰতীয় অধিনায়ক শুভমন গিলে ইতিহাস ৰচনা কৰিছে। তেওঁ ওভালৰ খেলপথাৰত টেষ্ট মেচত জয়ী তৃতীয় ভাৰতীয় অধিনায়ক হিচাপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বে ১৯৭১ চনত অজিত ৱাডেকাৰ আৰু ২০২১ চনত বিৰাট কোহলীয়ে এই কৃতিত্ব অৰ্জন কৰিছিল। সমগ্ৰ মেচত চিৰাজে মুঠ ৯টা উইকেট দখল কৰে, য'ত প্ৰথম ইনিংছত ৪টা আৰু দ্বিতীয় ইনিংছত ৫টা উইকেট অন্তৰ্ভুক্ত। প্ৰসিদ্ধ কৃষ্ণইও ৮টা উইকেট লাভ কৰি ভাৰতৰ জয়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। ইংলেণ্ডৰ পক্ষৰ পৰা হেৰী ব্ৰুক (১১১ ৰাণ) আৰু জো ৰুটে (১০৫ ৰাণ) শতক অৰ্জন কৰি চতুৰ্থ উইকেটৰ বাবে ১৯৫ ৰাণৰ শক্তিশালী অংশীদাৰিত্ব গঢ়ি তুলিছিল। এই অংশীদাৰিত্বৰ ফলত এটা সময়ত মেচখন ইংলেণ্ডৰ দখলত থকাৰ দৰে প্ৰতীয়মান হৈছিল। কিন্তু চতুৰ্থ দিনৰ শেষৰ ফালে ভাৰতীয় বলাৰসকলৰ প্ৰত্যাৱৰ্তনৰ ফলত ইংলেণ্ডৰ জয়ৰ সম্ভাৱনা পৰাজয়ত পৰিণত হয়। এই জয়ৰ ফলত পাঁচখন মেচৰ শৃংখলা ২-২ ব্যৱধানত সমতাত শেষ হৈছে। ভাৰতৰ এই প্ৰদৰ্শন শৃংখলাৰ প্ৰতিযোগিতামূলক স্বৰূপৰ প্ৰমাণ দিয়ে, আৰু চিৰাজ-কৃষ্ণৰ বলিং নৈপুণ্যই ভাৰতীয় দলৰ শক্তি প্ৰদৰ্শন কৰিছে। লণ্ডনৰ ওভালত ভাৰতৰ এই জয় শুভমন গিলৰ নেতৃত্বত দলৰ অধ্যৱসায় আৰু চিৰাজ-কৃষ্ণৰ দুৰ্দান্ত প্ৰদৰ্শনৰ ফল। শৃংখলা সমতাত শেষ হোৱাৰ লগে লগে ভাৰতীয় ক্ৰিকেট দলৰ এই কৃতিত্ব ভক্তসকলৰ মাজত উৎসাহৰ সঞ্চাৰ কৰিছে। আগন্তুক দিনত ভাৰতীয় দলৰ এই গতি আৰু আত্মবিশ্বাস আন্তৰ্জাতিক ক্ৰিকেটত তেওঁলোকৰ প্ৰদৰ্শনক নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

## নাহৰকটীয়াৰ অইলৰ

অইল ইণ্ডিয়া লিমিটেডৰ তৈল ক্ষেত্ৰত। কেতিয়াবা যদি পাইপ ফাটি বিস্ফোৰণ হৈছে কেতিয়াবা আকৌ ৰিগ বাগৰি পৰে। এইবাৰ নাহৰকটীয়াৰ বাঁহখাঁতীস্থিত অইল ইণ্ডিয়া লিমিটেডৰ ৰিগত ভয়ংকৰ অঘটন। দুৰ্ঘটনা সংঘটিত হৈ অইল ৰিগত কৰুণ মৃত্যুক সাৱটি ল'লে এগৰাকী কৰ্মচাৰীয়ে। দেওবাৰে নিশা সংঘটিত হয় এই চাঞ্চল্যকৰ ঘটনাটো। নাহৰকটীয়াৰ বাঁহখাঁতীৰ NHK-40 ত থকা অইল ইণ্ডিয়াৰ M-1 ৰিগত চলি আছিল তেল খনন। অন্যান্য কৰ্মচাৰীৰ সৈতে দেওবাৰে নিশা তৈল ৰিগটোৰ ড্ৰিলিং ইনচাৰ্জ হিচাপে কৰ্মৰত নাহৰকটীয়াৰ হুদুপৰা কুঁৱৰীজান গাঁৱৰ কিৰণ গগৈয়েও চলাই নিছিল নিজৰ কৰ্ম। ঠিক তেনে সময়তে তেল খনন কৰি থকা এডাল প্ৰকাণ্ড পাইপ বাগৰি আহি কিৰণ গগৈৰ মূৰৰ ওপৰত পৰি যোৱাত থিতাতে কৰুণ মৃত্যুক সাৱটি লয় কিৰণ গগৈয়ে। এছিয়ান ড্ৰিলিং টেক নামৰ কোম্পানীয়ে ৰিগটোত তেল খননৰ ঠিকা লাভ কৰিছিল। কোম্পানীৰ হৈ দুলীয়াজানৰ মিণ্টু শইকীয়া আৰু আছিক ৰহমান নামৰ ব্যক্তি দুগৰাকীয়ে চলাইছিল এই ৰিগটো। অত্যধিক পুৰণি সা-সৰঞ্জামেৰে ৰিগত তেল খনন চলোৱাৰ ফলত এনে দুৰ্ঘটনা সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ইফালে এই দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতেই ঘটনাস্থলীত উপস্থিত হয় বিধায়ক তৰংগ গগৈয়ে। বিধায়ক গৰাকীয়ে কাৰ গাফিলতিৰ বাবে এনে ঘটনা সংঘটিত হ'ল তাৰ এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত কৰা হ'ব বুলি উল্লেখ কৰি ৰিগত কৰ্মৰত অৱস্থাত কৰুণ মৃত্যুক সাৱটি লোৱা অস্থায়ী কৰ্মচাৰী কিৰণ গগৈৰ পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ দাবী জনায়। উল্লেখ্য যে কিৰণ গগৈ নাহৰকটীয়া মণ্ডল বিজেপিৰ কিষাণ মৰ্চাৰ সভাপতিৰ লগতে দলটোৰ এগৰাকী কাৰ্যকৰ্তা আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোক ছাঁৰ পৰে।

## আঙুৰলতা ডেকা অসম

আঙুৰলতা ডেকাৰ নেতৃত্বত অসম ৰাজ্যিক মহিলা আয়োগে মহিলাৰ ক্ষমতায়ন, সুৰক্ষা, আৰু লৈংগিক সমতাৰ দিশত গুৰুত্বপূৰ্ণ কাম কৰাৰ প্ৰত্যাশা কৰা হৈছে। তেওঁৰ নিযুক্তিয়ে ৰাজ্যৰ মহিলা কল্যাণৰ ক্ষেত্ৰত নতুন গতি সঞ্চাৰ কৰিব বুলি আশা কৰা হৈছে। আঙুৰলতা ডেকাই তেওঁৰ নতুন দায়িত্ব গ্ৰহণ কৰি জনগণৰ সহযোগিতা আৰু সমৰ্থন কামনা কৰিছে। তেওঁ কয়, "এই নিযুক্তিৰ জৰিয়তে মই অসমৰ মহিলাৰ কল্যাণৰ বাবে কাম কৰাৰ সুযোগ পাইছো। আমি সকলোৰে সহযোগিতাৰে মহিলাৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিৱৰ্তন আনিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।" নতুন সদস্যা কবিতা বয় শইকীয়া আৰু নীলিমা ব্ৰহ্মায়ো আয়োগৰ লক্ষ্যসমূহ বাস্তৱায়নৰ বাবে নিজৰ দায়িত্ব সুচাৰুভাৱে পালনৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰিছে। তেওঁলোকৰ অভিজ্ঞতা আৰু নিষ্ঠাই আয়োগৰ কাৰ্যকলাপক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে মহিলাৰ ক্ষমতায়ন আৰু সামাজিক ন্যায়ৰ প্ৰতি গুৰুত্ব দি আহিছে। আঙুৰলতা ডেকাৰ নেতৃত্বত মহিলা আয়োগৰ নতুন দলটোৱে ৰাজ্যৰ মহিলাৰ জীৱনৰ মান উন্নত কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰত্যাশা কৰা হৈছে।

## আৰক্ষীৰ হাতত আন

আছে। এই পৰিস্থিতিত আৰক্ষীয়ে ঘটনাৰ সৈতে জড়িত আন এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ঘটনাত ছাত্ৰ নেতা আৰু বিজেপি নেতাৰ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা কিশোৰজনক প্ৰথমে চিকিৎসালয়ৰ পৰা ঘৰলৈ প্ৰেৰণ কৰা হৈছিল। কিন্তু স্বাস্থ্যৰ অৱনতি হোৱাত তেওঁক পুনৰ চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। দেওবাৰে দিনত কিশোৰজনৰ স্বাস্থ্যৰ উন্নতি হোৱাত তেওঁক ঘৰলৈ যাবলৈ দিয়া হৈছিল। কিন্তু ঘৰত উপস্থিত হোৱাৰ পিছত খাদ্য গ্ৰহণৰ সময়ত তেওঁৰ বুকুত তীব্ৰ বিষৰ সৃষ্টি হয়। ফলত তেওঁক নিশা সৰুপথাৰ সমজিলা অসামৰিক চিকিৎসালয়ত পুনৰ ভৰ্তি কৰা হয়। চিকিৎসকে পৰীক্ষাৰ পিছত শ্বাস-প্ৰশ্বাসজনিত সমস্যা নিৰ্ণয় কৰে আৰু উন্নত চিকিৎসাৰ বাবে তেওঁক শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ভুক্তভোগী কিশোৰজনে কয়, "মই চিকিৎসালয়ৰ পৰা ঘৰলৈ গৈছিলো। কিন্তু ভাত খাবলৈ গৈ বুকুত তীব্ৰ বিষ হ'ল, খাদ্য খাব নোৱাৰিলো। হাতখনো বিষাইছে। বেজিৰ পিছত অলপ ভাল লাগে, কিন্তু কিছু সময়ৰ পিছত পুনৰ বিষ হয়। আমাক নিৰ্যাতন কৰা এজনক গ্ৰেপ্তাৰ কৰা হৈছে, বাকীসকলকো সোনকালে গ্ৰেপ্তাৰ কৰা উচিত।" আৰক্ষীয়ে এই ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। বৰপথাৰৰ গেলাবিল কাণ্ডৰ তিনিজন মূল অভিযুক্তৰ ভিতৰত দুজনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। প্ৰথমে মূল অভিযুক্ত ৰাজু শ্ৰেষ্ঠই বৰপথাৰ আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। তাৰ পিছত দেওবাৰে নিশা আৰক্ষীয়ে আত্মগোপন কৰি থকা অৱস্থাত কৃপাল বৰা নামৰ আন এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ধৃত কৃপাল বৰাৰ ঘৰ দৈয়াংপাৰত বুলি জানিব পৰা গৈছে। তেওঁক বৰপথাৰ থানাত ৰুজু হোৱা Case No -41/25, u/s- 120(2)/123/308(2)/3(5) BNS অধীনত গ্ৰেপ্তাৰ কৰা হৈছে। কিন্তু ঘটনাৰ সৈতে জড়িত অন্যতম অভিযুক্ত ৰঞ্জিত শ্ৰেষ্ঠ আৰু শশাঙ্ক শ্ৰেষ্ঠ এতিয়াও গ্ৰেপ্তাৰ হোৱা নাই। আৰক্ষীয়ে তেওঁলোকক গ্ৰেপ্তাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। গেলাবিলৰ এই বৰ্বৰ ঘটনাৰ প্ৰতিবাদত স্থানীয় মহিলা আৰু বিভিন্ন দল-সংগঠনে বৰপথাৰ আৰক্ষী থানা ঘেৰাও কৰিছে। ৰাজু শ্ৰেষ্ঠৰ গ্ৰেপ্তাৰৰ পিছতো বাকী দুজন অভিযুক্তক ধৰিব নোৱাৰি থকাৰ ফলত স্থানীয় লোকৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দেওবাৰেও স্থানীয় ৰাইজ আৰু দল-সংগঠনে বৰপথাৰ আৰক্ষী থানাত উত্তাল প্ৰতিবাদ প্ৰকাশ কৰে। ভুক্তভোগীৰ মাতৃসহ স্থানীয় লোকে অভিযুক্তসকলক শীঘ্ৰ গ্ৰেপ্তাৰৰ দাবী জনাইছে। এই ঘটনাই সমাজৰ বিভিন্ন স্তৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমতো এই কাণ্ডৰ তীব্ৰ নিন্দা প্ৰকাশ পাইছে। এজন স্থানীয় ব্যক্তিয়ে কয়, "এনে বৰ্বৰ ঘটনা অগ্ৰহণযোগ্য। অভিযুক্তসকলক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰা উচিত।" গেলাবিলৰ মৰেল পুলিচিঙৰ ঘটনাই গোলাঘাট জিলাৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। আৰক্ষীৰ তদন্ত আৰু অভিযুক্তৰ গ্ৰেপ্তাৰৰ প্ৰক্ৰিয়া অব্যাহত থকাৰ মাজতে ভুক্তভোগী কিশোৰৰ স্বাস্থ্যৰ অৱনতিয়ে এই ঘটনাৰ গুৰুত্ব আৰু জটিলতাৰ ওপৰত পোহৰ পেলাইছে। স্থানীয় ৰাইজৰ প্ৰতিবাদ আৰু দাবীয়ে প্ৰশাসনৰ ওপৰত ন্যায় প্ৰতিষ্ঠাৰ বাবে তীব্ৰ চাপৰ সৃষ্টি কৰিছে। আগন্তুক দিনত আৰক্ষীৰ পদক্ষেপ আৰু ভুক্তভোগীৰ স্বাস্থ্যৰ অগ্ৰগতি এই ঘটনাৰ পৰৱৰ্তী দিশ নিৰ্ধাৰণ কৰিব।

## সংখ্যালঘুসকলে আমাৰ

মাধ্যমৰ সৈতে হোৱা এক কথোপকথনত তেওঁ এই মন্তব্য প্ৰকাশ কৰে, য'ত তেওঁ AIUDFৰ নেতাসকলৰ শেহতীয়া কাৰ্যকলাপৰ প্ৰতিও সঁহাৰি জনায়। শৰ্মাৰ মতে, অসমৰ খিলঞ্জীয়া সম্প্ৰদায়ই সংখ্যালঘুৰ কাৰ্যকলাপৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। তেওঁ কয়, "তথাকথিত সংখ্যালঘুসকলে আমাৰ থলুৱা লোকসকলৰ ওপৰত অত্যাচাৰ কৰি আছে। তেওঁলোকে লাভ জিহাদ আৰু লেণ্ড জিহাদৰ জৰিয়তে ৰাজ্যৰ সম্পদ দখল কৰিছে, অথচ তেওঁলোকেই সৰ্বাধিক প্ৰতিবাদ কৰি ফুৰিছে। আমাৰ থলুৱা লোকসকল, যি সঁচাকৈয়ে ক্ষতিগ্ৰস্ত, তেওঁলোকৰ কথা কোনেও নুশুনে।" মুখ্যমন্ত্ৰীয়ে নিৰ্দিষ্ট উদাহৰণ উল্লেখ কৰি কয় যে উৰিয়ামঘাটত ৩০০ৰ পৰা ৪০০ বিঘা বনাঞ্চলৰ মাটি অবৈধভাৱে দখল কৰা হৈছে, য'ত তামোলৰ গছ ৰোপণ আৰু মীন পালনৰ ব্যৱসায় স্থাপন কৰা হৈছে। তেওঁ কয়, "মই নিজে উৰিয়ামঘাট পৰিদৰ্শন কৰিছো। বনাঞ্চল ধ্বংস কৰি বাণিজ্যিক কৃষিৰ বাবে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ বিপৰীতে আমাৰ খিলঞ্জীয়া লোকসকলে বাক্সা জিলাত মাটি আৱণ্টনৰ বাবে এতিয়াও অপেক্ষা কৰি আছে।" শৰ্মাই AIUDFৰ সাম্প্ৰতিক পদক্ষেপৰ সমালোচনা কৰি কয় যে তেওঁলোকে অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত স্মাৰকপত্ৰ দাখিল কৰি সংখ্যালঘুৰ ওপৰত বৈষম্যৰ অভিযোগ উত্থাপন কৰিছে। তেওঁ প্ৰশ্ন উত্থাপন কৰে, "আমিহে স্মাৰকপত্ৰ দাখিল কৰা উচিত। প্ৰকৃতাৰ্থত ভুক্তভোগী হৈছে আমাৰ খিলঞ্জীয়া সম্প্ৰদায়।" অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত সংখ্যালঘু মুছলমান সম্প্ৰদায় দীৰ্ঘদিন ধৰি এক গুৰুত্বপূৰ্ণ বিষয় হৈ আহিছে। স্থানীয়ভাৱে 'মিঞা' নামেৰে পৰিচিত এই সম্প্ৰদায়, মূলতঃ চৰ-চাপৰি অঞ্চলত বসবাস কৰে যদিও বৰ্তমান মধ্য আৰু নামনি অসমৰ বিভিন্ন জিলাত তেওঁলোকৰ জনসংখ্যা উল্লেখযোগ্য। কেতবোৰ জিলাত সংখ্যালঘু মুছলমান জনসংখ্যাই খিলঞ্জীয়া সম্প্ৰদায়ক অতিক্ৰম কৰিছে, যাৰ ফলত ৰাজনীতিত এই সম্প্ৰদায় এক গুৰুত্বপূৰ্ণ ফেক্টৰ হৈ পৰিছে। শেহতীয়াকৈ বিজেপি চৰকাৰে চৰকাৰী ভূমিৰ পৰা অবৈধ বসতি উচ্ছেদৰ অভিযান চলাইছে, য'ত অধিকাংশই সংখ্যালঘু মুছলমান পৰিয়াল। বিৰোধী দলসমূহে অভিযোগ কৰিছে যে এই উচ্ছেদ অভিযানে বিশেষভাৱে সংখ্যালঘু সম্প্ৰদায়ক লক্ষ্য কৰি চলোৱা হৈছে। সংখ্যালঘু সংগঠনসমূহে বিজেপিৰ বিৰুদ্ধে অমানৱীয় আচৰণৰ অভিযোগ উত্থাপন কৰি আদালতৰো দ্বাৰস্থ হৈছে। বিজেপিয়ে কংগ্ৰেছ আৰু AIUDFৰ বিৰুদ্ধে সংখ্যালঘু সম্প্ৰদায়ক ভোটবেংক হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগ কৰি আহিছে। আনহাতে, কংগ্ৰেছ, AIUDF আৰু ৰাইজৰ দলৰ দৰে বিৰোধী দলসমূহে বিজেপিৰ বিৰুদ্ধে সংখ্যালঘুৰ ওপৰত অত্যাচাৰৰ অভিযোগ তুলি নিজৰ ৰাজনৈতিক এজেণ্ডাৰ বাবে এই সম্প্ৰদায়ক বিভিন্ন প্ৰতিশ্ৰুতি দিয়া দেখা গৈছে। ২০২১ চনৰ পূৰ্বে হিমন্ত বিশ্ব শৰ্মাই সংখ্যালঘু ভোটৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰিছিল। কিন্তু শেহতীয়া বিধানসভাৰ উপ-নিৰ্বাচনত, বিশেষকৈ চামগুৰি সমষ্টিত বিজেপিৰ জয়ৰ পিছত, তেওঁ দাবী কৰে যে সংখ্যালঘু সম্প্ৰদায় এতিয়া বিজেপিৰ ওপৰত আস্থা ৰাখিছে। তথাপি, উচ্ছেদৰ বিষয়টোৱে পুনৰ এই সম্প্ৰদায়ৰ প্ৰসঙ্গক ৰাজনৈতিক আলোচনাৰ কেন্দ্ৰবিন্দু কৰি তুলিছে। মুখ্যমন্ত্ৰীৰ এই মন্তব্যই অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন বিতৰ্কৰ সূচনা কৰিছে। সংখ্যালঘু আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ মাজৰ সম্পৰ্ক, ৰাজনৈতিক দলৰ কৌশল, আৰু উচ্ছেদৰ দৰে পদক্ষেপে ৰাজ্যৰ সামাজিক গাঁথনিৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব পাৰে। এই বিষয়ে ভৱিষ্যতৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিয়ে অসমৰ জনগাঁথনিৰ ভাৰসাম্যত কেনে প্ৰভাৱ পেলাব, সেয়া লক্ষণীয় হ'ব।

## আমেৰিকাত অসমীয়াৰ

আৰু বষ্টন শিশু চিকিৎসালয়তৰ ষ্টেম চেল প্ৰগ্ৰেম, জিন সম্পাদনা আৰু প্ৰটিন ডিজাইনৰ কামত জড়িত সমল ব্যক্তি। তেওঁ বিশেষকৈ ৰক্ত সৃষ্টিকাৰী ষ্টেম চেল (HSCS) আৰু জিনীয় ৰোগৰ চিকিৎসাৰ বাবে টি-চেল ইঞ্জিনিয়াৰিঙৰ বাবে পৰিচিত। তেওঁ আন্তঃকোষীয় প্ৰটিন ডেলিভাৰী আৰু জিন সম্পাদনাৰ বাবে 'ই-টেগ' পদ্ধতিৰ দৰে প্ৰযুক্তি বিকশিত কৰিছে। জিন সম্পাদনা আৰু প্ৰ'টিন ডিজাইনৰ বাবে প্ৰযুক্তি বিকাশৰ ক্ষেত্ৰত ড° মাউতে অগ্ৰণী ভূমিকা পালন কৰি আহিছে। তেওঁ তেজৰ উৎপত্তিৰ জিনীয় ৰোগসমূহৰ সমাধানৰ বাবে এইচ এছ চি অভিযান্ত্ৰিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড° মাউতৰ গৱেষণাত বিভিন্ন ৰোগৰ বিৰুদ্ধে যুঁজিবলৈ আই পি এছ চিৰ পৰা আহৰণ কৰা 'টি চেল ট্ৰেইন' অন্তৰ্ভুক্ত হৈ আছে। এই পেটেণ্টযুক্ত প্ৰযুক্তিয়ে স্তন্যপায়ী প্ৰাণীৰ কোষত প্ৰটিন আৰু জিন সম্পাদনা প্ৰদানৰ অনুমতি দিয়ে। তেওঁ ৰোগীৰ পৰা আহৰণ কৰা আই পি এছ চি ব্যৱহাৰ কৰি HSCs সৃষ্টি কৰে, যাৰ জৰিয়তে চিকিৎসা প্ৰয়োগৰ বাবে অন্য কোষ-শ্ৰেণীলৈ পৃথক কৰিব পাৰি। ডং মাউতৰ প্ৰত্যাহ্বানমূলক পটভূমিৰ পৰা হাৰ্ভাৰ্ডৰ এজন আগশাৰীৰ গৱেষকলৈ যি যাত্ৰা সেয়া বিশেষকৈ ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিছে।

তেওঁ প্ৰতি দেওবাৰে বিশ্বৰ বিভিন্ন প্ৰান্তৰ কলেজ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে 'ৰবিবাৰৰ বিজ্ঞান সক্ৰিয়তা' শীৰ্ষক বিষয়বস্তুৰ ওপৰৰ 'জুম'ৰ জৰিয়তে মত বিনিময় কৰি নিজৰ বিশেষজ্ঞতা শ্বেয়াৰ কৰি বিজ্ঞানত কেৰিয়াৰ গঢ়িবলৈ উৎসাহিত কৰি আহিছে। জিন সম্পাদনা, প্ৰটিন ডিজাইন, আৰু টি-কোষ অভিযান্ত্ৰিকীত অসংখ্য প্ৰযুক্তিৰ উদ্ভাৱক, ৪০ টাৰো অধিক গৱেষণামূলক প্ৰবন্ধৰ সহ-লেখক ড° মাউতে বৈজ্ঞানিক আলোচনীত গৱেষণা পত্ৰ প্ৰকাশ কৰিছে। তেওঁ গ্ৰামাঞ্চলত ছটাকৈ পুথিভঁৰাল প্ৰতিষ্ঠা কৰি বহু হাজাৰ অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিছে।

ভাৰতত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল আৰু শিক্ষা গ্ৰহণ কৰা ড° মাউতে আমহাৰ্ষ্টৰ মাছাচ্যুচেটছ বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি লবলৈ আমেৰিকালৈ গৈছিল। হাৰ্ভাৰ্ড/ বষ্টন শিশু চিকিৎসালয় (বি চি এইচ)ত যোগদান কৰাৰ পূৰ্বে তেওঁ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ ইনষ্টিটিউট ফৰ প্ৰ'টিন ডিজাইনৰ 'ৱাশ্বিংটন ৰিচাৰ্চ ফাউণ্ডেশ্যন'ৰ উদ্ভাৱন ফেল' আছিল। হাৰ্ভাৰ্ড/ বি চি এইচত ড° মাউতে তেজৰ উৎপত্তিৰ জিনীয় ৰোগ নিৰাময়ৰ বাবে হাড়ৰ মজ্জাৰ ষ্টেম চেল (যাক ৰক্ত সৃষ্টিকাৰী ষ্টেম চেল বা এইচ এছ চি বুলিও কোৱা হয়) অভিযন্তা হিচাপে কাম কৰে। এইচ এছ চি হৈছে মানৱ শৰীৰক ৰোগৰ পৰা ৰক্ষা কৰা ৰক্ত কণিকাসমূহৰ 'মাতৃ' কোষ।

উল্লেখ্য যে ড° ৰুবুল মাউতৰ ঘৰ তিনিচুকীয়া জিলাৰ বৰডুমচা থানাৰ অন্তৰ্গত কৈলাসপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত টঙনা নগাঁৱত। ৰুবুলৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল টঙনা নগাঁও প্ৰাথমিক বিদ্যালয়ত। প্ৰয়াত ৰামেশ্বৰ ৰাজকোঁৱৰ আৰু একাধাৰে নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, কবি, সু-বক্তা, অভিনেতা, সংস্কৃতিক কৰ্মী বৰ্তমান কাকপথাৰৰ বাসিন্দা ইন্দ্ৰ কোঁৱৰ আছিল ৰুবুলৰ শিক্ষক। তেওঁ পঢ়া কৈলাসপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক বানেশ্বৰ গগৈ বৰ্তমান কৈলাসপুৰৰে বাসিন্দা। বাকীকেইগৰাকীয়ে ইহ সংসাৰ ত্যাগ কৰিছে। সেইসময়ত ভেঙ্গাৰ পৰ্যায়ত থকা কৈলাসপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ৰুবুলে সম্পন্ন কৰিছিল হাইস্কুলীয়া শিক্ষা। বিদ্যালয়খনৰ শিক্ষাগুৰুসকলৰ কেইগৰাকীমানে ইহলীলা সম্বৰণ কৰাৰ বিপৰীতে তেওঁৰ শাহুৱেক তথা বিদ্যালয়লয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী অনিমা বৰঠাকুৰ শৰ্মাক বাদ দি বাকীসকলে বৰ্তমানো পাঠ দান কৰি আছে। বিদ্যালয়খনৰ এগৰাকী প্ৰাক্তন শিক্ষক তথা বিশিষ্ট লিমাৰিক লেখক ভক্ত ধাদুমীয়াই এই সন্দৰ্ভত কয়, 'প্ৰায় তিনিবছৰ ধৰি কৈলাসপুৰ মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়খনত শিক্ষকতা কৰিছিলোঁ যদিও ৰুবুল মাউতক পঢ়োৱাৰ সৌভাগ্য নহ'ল। পিছে আমেৰিকাৰ পৰা অহাৰ খবৰ পালেই সাউতকৈ গৈ ৰুবুলক লগ ধৰোঁগৈ। বিয়া পাতিবলৈ আহি সৰ্বপ্ৰথমে এই অভাজনক নিমন্ত্ৰণ কৰা হ'ল নে নাই খবৰ লৈছিল।' কৈলাসপুৰ হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ৰুবুলে তিনিচুকীয়াৰ চেনাইৰাম স্কুলত উচ্চতৰ মাধ্যমিক আৰু তিনিচুকীয়া ক'লেজৰ পৰা স্নাতক ডিগ্ৰী লয়। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছতেই আমেৰিকা যাত্ৰাৰ বাট প্ৰশস্ত হৈছিল। মাতৃসহ এগৰাকীকৈ বায়েক আৰু ককায়েক, দুগৰাকী ভায়েক সহ ড° ৰুবুলৰ এটা ভৰপূৰ পৰিয়াল। তেওঁৰ দ্বাৰা ৰচিত দ্বিতীয়খন গ্ৰন্থ 'মোৰো এটা সপোন আছে' নামৰ আত্মজীৱনীমূলক উপন্যাসোপম গ্ৰন্থখন ইতিমধ্যে নাটকীয় ৰূপ দি গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰ চলোৱা বিষয়টো প্ৰায় সৰ্বজন বিদিত। তেওঁৰ প্ৰথনখন গ্ৰন্থৰ নাম 'ধূসৰতাত সংহত শ্ৰৱণ'। ড° মাউতৰ দ্বিতীয়খন গ্ৰন্থ 'মোৰো এটা সপোন আছে' ২০১৭ বৰ্ষৰ পৰা বৰ্তমানলৈকে দহটা মুদ্ৰণত প্ৰায় ৫০ হাজাৰ কপি বিক্ৰী হৈছে, যিটো অসমীয়া গ্ৰন্থ জগতৰ বাবে গৌৰৱৰ বিষয়। ই অসমমীয়া গ্ৰন্থৰ অন্যতম 'বেষ্ট ছেলাৰ'ৰ ভিতৰত পৰে। গ্ৰন্থখনত কঠোৰ সংগ্ৰামেৰে পাৰ কৰা ড° মাউতৰ শৈশৱ-কৈশোৰ তথা জীৱনৰ ঘাত-প্ৰতিঘাত, আমেৰিকাত কৰা বৈজ্ঞানিক উদ্ভাৱন আৰু শয্যাগত পিতৃৰ সৌতে সম্পৰ্কিত এক সংবেদনশীল কাহিনীৰ লগতে ভাৰতীয় সেনা আৰু আলফা উগ্ৰপন্থীৰ কাৰ্যকলাপৰ ৰেহ-ৰূপো সুন্দৰভাৱে প্ৰতিফলিত হৈছে। আজিও সহজ-সৰল ড° ৰুবুল মাউতে 'গ্ৰাম্য পুথিভঁৰাল' (আপলিফট্ লাইব্ৰেৰী) ৰ নামত আলমাৰীসহ কৈলাসপুৰ মধ্য ইংৰাজী বিদ্যালয়, টঙনা নগাঁও প্ৰাথমিক বিদ্যালয়, বিশ্ৰামপুৰ মধ্য ইংৰাজী বিদ্যালয়, কাকপথাৰ হায়াৰ চেকেণ্ডাৰী, তেজীপথাৰ উচ্চ ইংৰাজী বিদ্যালয় আৰু তালপথাৰ জ্ঞানপীঠ হাইস্কুললৈ বহু মূল্যৱান কিতাপ আগবঢ়াইছ। কভিডৰ সময়তো গাঁওবাসীক বিনামূলীয়া ৰেচনৰ যোগান ধৰি আনন্দ লভিছিল ৰুবুল মাউতে। তেওঁৰ জয়যাত্ৰা অক্ষুণ্ণ থকাটোৱেই কামনা কৰে অঞ্চলবাসীয়ে।

## ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

চিকিৎসাধীন হৈ আছিল আৰু যোৱা কেইদিনমানৰ পৰা তেওঁৰ অৱস্থা সংকটজনক হৈ আছিল। মিষ্টাৰ ছ'ৰেনৰ পুত্ৰ তথা ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছ'ৰেনে এ'ত তেওঁৰ পিতৃৰ মৃত্যুৰ খবৰ শ্বেয়াৰ কৰিছে। চিকিৎসালয়খনে এক বিবৃতিত কয় যে, ১৯ জুনত শিবু ছ'ৰেনক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল আৰু তেওঁ নেফ্ৰ'লজীৰ জ্যেষ্ঠ পৰামৰ্শদাতা ডাঃ এ কে ভল্লাৰ তত্বাৱধানত আছিল। বিবৃতিত লগতে উল্লেখ কৰা হৈছে, "আমাৰ বহুবিষয়ক চিকিৎসা দলৰ সৰ্বোচ্চ প্ৰচেষ্টা সত্ত্বেও ২০২৫ চনৰ ৪ আগষ্টত শিবু ছ'ৰেনে শান্তিপূৰ্ণভাৱে মৃত্যুবৰণ কৰে। তেওঁৰ পৰিয়াল, তেওঁৰ আপোনজন আৰু ঝাৰখণ্ডৰ জনসাধাৰণলৈ আমি আন্তৰিক সমবেদনা জ্ঞাপন কৰিছো।" ৰাজনীতিত চাৰি দশকৰ কেৰিয়াৰৰ ভিতৰত ছ'ৰেনে ৮ বাৰ লোকসভালৈ নিৰ্বাচিত হৈছিল আৰু দুটা কাৰ্যকাল ৰাজ্যসভাৰ সাংসদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল, তেওঁৰ দ্বিতীয়টো কাৰ্যকাল চলি আছে। সন্থাল জনগোষ্ঠীৰ অন্তৰ্গত শিবু ছ'ৰেনৰ জন্ম হৈছিল তেতিয়াৰ বিহাৰৰ অন্তৰ্গত ৰামগড় জিলাত। ১৯৭২ চনত তেওঁ বাঁওপন্থী ট্ৰেড ইউনিয়নৰ নেতা এ কে ৰয় আৰু কুৰ্মি মাহাটো নেতা বিনোদ বিহাৰী মাহাটোৰ সৈতে বান্ধ খাই ঝাৰখণ্ড মুক্তি মৰ্চা গঠন কৰে। বছৰ বছৰ ধৰি ছ'ৰেনে ৰাজ্য গঠন আন্দোলনৰ মূল ব্যক্তি হিচাপে আত্মপ্ৰকাশ কৰিছে, যাৰ ফলত ২০০০ চনত ঝাৰখণ্ড গঠন হয়। ছ'ৰেনে কেন্দ্ৰীয় মন্ত্ৰী আৰু ৩ বাৰৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল, যদিও কোনো কাৰ্যকাল সম্পূৰ্ণ কৰিব পৰা নাছিল। ২০০৫ চনত তেওঁ প্ৰথমবাৰৰ বাবে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হৈছিল, যদিও বিধানসভাত ফ্ল'ৰ টেষ্ট ক্লিয়াৰ কৰিব নোৱাৰাৰ বাবে মাত্ৰ ৯ দিনৰ পিছত পদত্যাগ কৰিবলগীয়া হৈছিল। ইয়াৰ পিছত শীৰ্ষ পদটোত আৰু দুটা কাৰ্যকাল আছিল, যদিও দুয়োটা কাৰ্যকাল মাত্ৰ কেইমাহমানহে চলিছিল। কেন্দ্ৰীয় মন্ত্ৰীসভাত তেওঁৰ যাত্ৰাৰ ক্ষেত্ৰতো একেই কথা ক'ব পাৰি। ২০০৪ চনত ছ'ৰেনে মনমোহন সিং চৰকাৰত যোগদান কৰিছিল, যদিও ১৯৭৪ চনত আদিবাসী আৰু মুছলমানৰ মাজত সংঘৰ্ষৰ সৈতে জড়িত চিৰুদিহ গোচৰত গ্ৰেপ্তাৰৰ পৰোৱানা জাৰি হোৱাৰ পিছত তেওঁক পদত্যাগ কৰিবলৈ কোৱা হৈছিল। জামিনত মুকলি হোৱাৰ পিছত তেওঁক পুনৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হয়, কিন্তু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব ল'বলৈ পদত্যাগ কৰে। ১০ দিনীয়া কাৰ্যকালৰ অন্তত ২০০৬ চনত কেন্দ্ৰীয় কয়লা মন্ত্ৰী হিচাপে ঘূৰি আহে। এবছৰ নৌহওঁতেই তেওঁৰ প্ৰাক্তন সম্পাদক শশীনাথ ঝাৰ হত্যাকাণ্ডৰ গোচৰত দোষী সাব্যস্ত হৈ পুনৰ পদত্যাগ কৰিবলগীয়া হয়। এটা হত্যাকাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগত কেন্দ্ৰীয় মন্ত্ৰীক দোষী সাব্যস্ত কৰা এইটোৱেই প্ৰথম দৃষ্টান্ত। পিছত দিল্লী উচ্চ ন্যায়ালয়ে তেওঁক এই গোচৰত দোষমুক্ত কৰে। ঝাৰখণ্ডত বিজেপিৰ মিত্ৰ দেশ হোৱাৰ পাছতো তেওঁৰ দলে সংসদত ইউ পি এ চৰকাৰে উত্থাপন কৰা প্ৰস্তাৱক সমৰ্থন কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ শেষ কাৰ্যকালৰ অন্ত পৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছ'ৰেনক "তৃণমূল পৰ্যায়ৰ নেতা" বুলি স্মৰণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এ'ত কয়, "শ্ৰী শিবু ছ'ৰেন জী আছিল জনজীৱনৰ মাজেৰে জনসাধাৰণৰ প্ৰতি অদম্য সমৰ্পণেৰে উন্নীত হোৱা এজন তৃণমূল পৰ্যায়ৰ নেতা। জনজাতীয় জনগোষ্ঠী, দুখীয়া আৰু নিপীড়িত লোকক সবলীকৰণৰ প্ৰতি বিশেষভাৱে আবেগিক আছিল। তেওঁৰ মৃত্যুত অত্যন্ত মৰ্মাহত হৈছো। ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছ'ৰেন জীৰ সৈতে কথা পাতিলোঁ আৰু শোক প্ৰকাশ কৰিলোঁ। ওম শান্তি।"

## ৰেংমা বানাঞ্চলত উচ্ছেদৰ

পোৱাৰ ফলত খিলঞ্জীয়া বাসিন্দাসকলৰ মাজত আশংকাৰ সৃষ্টি হৈছে। উচ্ছেদৰ জাননী জাৰিৰ পিছৰে পৰা স্থানীয় খিলঞ্জীয়া লোকসকলে আশংকা প্ৰকাশ কৰিছিল যে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকল আঁতৰি গ'লে নগা সম্প্ৰদায়ৰ লোকে এই ভূমি দখলৰ প্ৰয়াস কৰিব পাৰে। এতিয়া দক্ষিণ নামবৰ বনাঞ্চলৰ গেলাজান আৰু ৰজাপুখুৰীত উচ্ছেদ অভিযান চলি থকাৰ মাজতে নগা সম্প্ৰদায়ৰ লোকৰ উপস্থিতি দেখা গৈছে, যিয়ে স্থানীয় খিলঞ্জীয়া লোকৰ আশংকাক আৰও তীব্ৰ কৰিছে। দেওবাৰে গেলাজান আৰু ৰজাপুখুৰীত উচ্ছেদ চলি থকাৰ সময়ত নগা সম্প্ৰদায়ৰ কিছু লোকে এই অঞ্চলক নিজৰ ভূমি বুলি দাবী কৰাৰ লগতে সংখ্যালঘু সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ মাটি দখল কৰি আছিল বুলি অভিযোগ উত্থাপন কৰিছে। এই মন্তব্যই খিলঞ্জীয়া বাসিন্দাসকলৰ মাজত উদ্বেগ বৃদ্ধি কৰিছে। তেওঁলোকে আশংকা কৰিছে যে উচ্ছেদৰ পিছত নগা সম্প্ৰদায়ৰ লোকে এই মুক্ত হোৱা ভূমিত আগ্ৰাসন চলাব পাৰে। স্থানীয় খিলঞ্জীয়া লোকসকলে চৰকাৰৰ ওচৰত সুৰক্ষাৰ ব্যৱস্থাৰ দাবী জনাইছে। তেওঁলোকে বিশেষভাৱে গেলাজান আৰু ৰজাপুখুৰীত অসম বেটেলিয়নৰ কেম্প স্থাপনৰ প্ৰস্তাৱ দিছে। এগৰাকী স্থানীয় খিলঞ্জীয়া মহিলাই কয়, "নগাৰ লোকৰ উৎপাত সদায়েৰে। এতিয়া শুনিছো, সংখ্যালঘু সম্প্ৰদায়ৰ লোকক উচ্ছেদৰ পিছত নগাৰ লোকে এই অঞ্চলত প্ৰৱেশ কৰিছে আৰু উচ্ছেদিত স্থান পৰিদৰ্শন কৰিছে। যেনেকৈ সংখ্যালঘু সম্প্ৰদায়ক উচ্ছেদ কৰা হৈছে, তেনেকৈ আমাকো প্ৰশাসন আৰু চৰকাৰে সুৰক্ষাৰ ব্যৱস্থা কৰি দিয়ক। আমাৰ এতিয়া বাস কৰাটো ভয়ৰ হৈ পৰিছে।" আন এজন খিলঞ্জীয়া বাসিন্দাই মন্তব্য কৰে, "উচ্ছেদৰ ফলত আমি স্থানীয় লোক হিচাপে স্বস্তি পাইছো। কিন্তু সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলে অসম-নাগালেণ্ড সীমান্তত আমাৰ বাবে একপ্ৰকাৰ সুৰক্ষাৰ দৰে আছিল। এতিয়া নগাৰ লোকে আমাৰ ওপৰত উপদ্ৰৱ বা সংঘাতৰ সৃষ্টি কৰিব পাৰে বুলি ভয় হৈছে। গতিকে আমি চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো যে এই অঞ্চলত অসম বেটেলিয়নৰ কেম্প স্থাপন কৰি আমাৰ নিৰাপত্তা নিশ্চিত কৰা হওক।" দক্ষিণ নামবৰ বনাঞ্চলত চলি থকা উচ্ছেদ অভিযানৰ সময়ত নগা সম্প্ৰদায়ৰ লোকৰ উপস্থিতিৰ খবৰে স্থানীয় লোকৰ মাজত অস্থিৰতাৰ সৃষ্টি কৰিছে। স্থানীয় বাসিন্দাসকলে জানিবলৈ দিছে যে উচ্ছেদৰ ঘোষণাৰ পিছৰে পৰা নগা সম্প্ৰদায়ৰ লোকৰ আগমন বৃদ্ধি পাইছে। তেওঁলোকে আশংকা কৰিছে যে এই ভূমি মুক্ত হোৱাৰ পিছত নগা সম্প্ৰদায়ৰ লোকে নতুনকৈ দখলৰ প্ৰয়াস কৰিব পাৰে। স্থানীয় খিলঞ্জীয়া লোকসকলে চৰকাৰৰ পৰা তাৎক্ষণিক সুৰক্ষা ব্যৱস্থাৰ দাবী জনাইছে। তেওঁলোকে বিশেষভাৱে অসম-নাগালেণ্ড সীমান্তৰ এই স্পৰ্শকাতৰ অঞ্চলত স্থায়ী নিৰাপত্তা কেম্প স্থাপনৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিছে। এজন যুৱকে কয়, "আগৰ দৰে শান্তিপূৰ্ণভাৱে জীৱন-যাপন কৰিবলৈ আমি চৰকাৰৰ পৰা নিৰাপত্তাৰ নিশ্চয়তা বিচাৰো। উচ্ছেদৰ পিছতো যাতে আমি নিৰাপদে থাকিব পাৰো, তাৰ বাবে প্ৰশাসনৰ পদক্ষেপ অত্যন্ত জৰুৰী।" উচ্ছেদ অভিযানৰ পিছত দক্ষিণ নামবৰ বনাঞ্চলত চলি থকা এই কাৰ্যসূচীয়ে স্থানীয় খিলঞ্জীয়া লোকৰ মাজত নতুন আশংকাৰ জন্ম দিছে। নগা সম্প্ৰদায়ৰ বিচৰণ আৰু তেওঁলোকৰ দাবীয়ে এই অঞ্চলত উত্তেজনা বৃদ্ধি কৰিছে। স্থানীয় লোকৰ নিৰাপত্তাৰ দাবী আৰু চৰকাৰৰ পৰৱৰ্তী পদক্ষেপে এই পৰিস্থিতিৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব।

## উচ্চ ন্যায়ালয়ৰ বাবে

সংযোজন। গুৱাহাটী মহানগৰীৰ পাৰ্শ্ববৰ্তী তথা শৰাইঘাট দলঙৰ নিচেই কাষৰ কামৰূপ জিলাৰ আমিনগাঁৱত অসম পৰ্যটন বিভাগে নিৰ্মাণ কৰা অত্যাধুনিক "শৰাইঘাট লেক পাৰ্ক" আজি উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ড'হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া বহু লোকৰ উপস্থিতিত আনুষ্ঠানিক ভাৱে মুকলি কৰে নৱ নিৰ্মিত পাৰ্ক খন। পৰ্যটকক মনোৰঞ্জন দিবৰ বাবে "শৰাইঘাট লেকলৈ" অনা হৈছে বহু বিলাসী সামগ্ৰী। ঐতিহাসিক শৰাইঘাট সৰোবৰত চলিব সুদূৰ আমেৰিকাৰ পৰা অনা কোটি টকীয়া "Speed Boat", "Zetsky"। কেৱল এয়ে নহয় আহমেদাবাদৰ পৰা অনা হৈছে "একুৱা চাইকেল", "একুৱা ৰোলাৰ", Kayak, Bamper Boat, Zorbing Ball. উল্লেখ্য, যোৱা কেইবাদিন ধৰি পাইলট প্ৰজেক্ট হিচাপে চলি থকা পাৰ্কখনে পৰ্যটন বিলাসী লোকৰ পৰা অভূতপূৰ্ব সঁহাৰি লাভ কৰিছিল। পাইলট প্ৰজে"ৰ সময়ত থকা ভুল ত্ৰুটি সমূহ আঁতৰাই নতুন ৰূপত নিৰ্মাণ কৰা পাৰ্কখনে আজি পূৰ্ণতা লাভ কৰে। শৰাইঘাট লেক তথা উদ্যানখনে অসমৰ পৰ্যটন মানচিত্ৰত বিশেষ স্থান লাভ কৰিব বুলি আশা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অনুষ্ঠানত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰকে ধৰি পৰ্যটন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল। ইফালে, আমিনগাওস্থিত কামৰূপ জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত নিৰ্মাণ কৰা জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ এটা পূৰ্ণাৱয়ৱ মূৰ্তি উন্মোচন কৰে মুখ্যমন্ত্ৰীজনে। মূৰ্তিটো নিৰ্মাণ কৰিছে ৰাজ্যৰ বিশিষ্ট শিল্পী বীৰেণ সিংহই। কামৰূপ জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত অনুষ্ঠিত আন এক অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে হাজোৰ গেৰুৱা অঞ্চলৰ বিশেষ ভাৱে সক্ষম যুৱক অনাংগ দাসক এখন ই- ৰিস্কা প্ৰদান কৰে। ই ৰিস্কাখন আমিনগাও ইউক' বেংকে তেওঁলোক চি এছ আৰ কোষৰ পৰা আগবঢ়াইছে। ইফালে, উত্তৰ গুৱাহাটী ৰংমহলত নিৰ্মাণ কৰিবলগীয়া প্ৰস্তাৱিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাবে চৰকাৰে অধিগ্ৰহণ কৰা ১২৯ বিঘা ভূমিৰ ২৬টা পৰিয়ালৰ মাজত ১৬ কোটি টকা ভূমি আৰু জিৰাতৰ ক্ষতিপূৰণ আজি মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰে। মুখ্য মন্ত্ৰী গৰাকীৰ আজিৰ কাৰ্যসূচীত উপস্থিত থাকে অসম চৰকাৰৰ জেষ্ঠ্য মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ লগতে ৰণজিৎ দাস বিধায়ক ভবেশ কলিতা আৰু দিগন্ত কলিতা।

## প্ৰকৃত ভাৰতীয় হ'লে

তেন্তে এনে কথা নক'লেহেঁতেন।" ৰাহুল গান্ধীৰ পক্ষত জ্যেষ্ঠ অধিবক্তা এ এম সিংভী বিচাৰপীঠৰ সন্মুখত উপস্থিত হৈছিল। শুনানিৰ আৰম্ভত সিংভীয়ে যুক্তি দিয়ে যে বিৰোধী দলৰ নেতা হিচাপে গান্ধীৰ এনে বিষয় উত্থাপনৰ অধিকাৰ আছে। তেওঁ বিচাৰপীঠক গান্ধীৰ বক্তব্য পৰীক্ষা কৰিবলৈ আহ্বান জনায়। ইয়াৰ প্ৰত্যুত্তৰত ন্যায়াধীশ দত্তই প্ৰশ্ন কৰে, "ড° সিংভী, এই কথাবোৰ সংসদত কিয় উত্থাপন নকৰে? সামাজিক মাধ্যমত পোষ্টৰ জৰিয়তে কিয় এনে কথা ক'ব লাগে?" সিংভীয়ে ব্যাখ্যা কৰে যে গান্ধীয়ে জনস্বাৰ্থত কথা কৈছে আৰু সংসদৰ সদস্য হিচাপে তেওঁৰ এনে বিষয় উত্থাপনৰ কৌশল আছে। তেওঁ কয়, "এজন প্ৰকৃত ভাৰতীয় হিচাপে গান্ধীয়ে এই কথা ক'ব পাৰে যে ২০জন ভাৰতীয় জোৱানক মাৰপিট কৰি হত্যা কৰা হৈছে, যিটো উদ্বেগৰ বিষয়।" কিন্তু ন্যায়াধীশ দত্তই প্ৰশ্ন কৰে, "আপুনি কেনেকৈ জানিলে যে চীনে ২০০০ বৰ্গ কিলোমিটাৰ ভাৰতীয় ভূখণ্ড দখল কৰিছে? আপুনি তাত আছিল নেকি? আপোনাৰ হাতত কোনো বিশ্বাসযোগ্য তথ্য আছে নেকি?" ন্যায়াধীশ দত্তই লগতে কয়, "বিৰোধী দলৰ নেতা হিচাপে আপোনাৰ সংসদত প্ৰশ্ন উত্থাপনৰ সুযোগ আছে। অনুচ্ছেদ ১৯(১)(ক)ৰ অধীনত মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ থাকিলেও, দায়িত্বশীল নেতা হিচাপে আপুনি এনে বিষয় সংসদত উত্থাপন কৰা উচিত।" সিংভীয়ে যুক্তি দিয়ে যে মানহানিৰ গোচৰৰ জৰিয়তে কোনো ব্যক্তিক হাৰাশাস্তি কৰা উচিত নহয়। তেওঁ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২২৩ নং ধাৰাৰ উল্লেখ কৰি কয় যে এনে গোচৰত পূৰ্বৰ জ্ঞানৰ বাবে শুনানি আৰু স্বাভাৱিক ন্যায়ৰ প্ৰয়োজন। তেওঁ ২০২৫ চনৰ একটি ৰায়ৰ উল্লেখ কৰে, য'ত এই সংশোধনীক সুস্থ সংশোধনী বুলি উল্লেখ কৰা হৈছিল। সিংভীয়ে কয়, "কিছু আপত্তিজনক বা ভুল মন্তব্যৰ বাবে চৰম সীমা অতিক্ৰম কৰা উচিত নহয়। এই গোচৰৰ ভিত্তি স্বাভাৱিক ন্যায়ৰ ওপৰত নিৰ্ভৰশীল।" ইয়াৰ প্ৰত্যুত্তৰত ন্যায়াধীশ দত্তই প্ৰশ্ন কৰে, "আপুনি এই বিষয় উচ্চ ন্যায়ালয়ত উত্থাপন কৰিছিল নেকি?" সিংভীয়ে জৱাবত কয় যে উচ্চ ন্যায়ালয়ত অভিযোগকাৰীৰ 'ক্ষতিগ্ৰস্ত ব্যক্তি' নহয়, বৰং 'বদনামী ব্যক্তি'ৰ যুক্তিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা হৈছিল। উচ্চতম ন্যায়ালয়ে এই বিষয়ৰ পৰীক্ষণৰ বাবে সন্মতি প্ৰকাশ কৰি এলাহাবাদ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিৰুদ্ধে ৰাহুল গান্ধীৰ আবেদনৰ প্ৰেক্ষিতে জাননী জাৰি কৰে। কিন্তু গান্ধীৰ বিৰুদ্ধে লক্ষ্ণৌৰ আদালতত বিচাৰাধীন অপৰাধমূলক মানহানিৰ গোচৰৰ কাৰ্যবিধি বাতিলৰ আবেদন নাকচ কৰে। ২০২০ চনৰ গালৱান উপত্যকাৰ সংঘৰ্ষৰ প্ৰেক্ষাপটত ভাৰতীয় সেনাৰ বিষয়ে ৰাহুল গান্ধীৰ মন্তব্যৰ বিৰুদ্ধে সীমান্ত পথ সংস্থাৰ প্ৰাক্তন সঞ্চালকে মানহানিৰ গোচৰ দাখিল কৰিছিল। অভিযোগ অনুসৰি, ৰাহুল গান্ধীয়ে ভাৰত জোড়ো যাত্ৰাৰ সময়ত ২০২৪ চনৰ ডিচেম্বৰত অপমানজনক মন্তব্য কৰিছিল। এই বছৰৰ মে' মাহত এলাহাবাদ উচ্চ ন্যায়ালয়ে গান্ধীৰ আবেদন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ এই কঠোৰ সমালোচনাই ৰাহুল গান্ধীৰ মন্তব্যৰ দায়িত্বশীলতাৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। ন্যায়ালয়ে তেওঁক সংসদৰ মাধ্যমত এনে বিষয় উত্থাপনৰ পৰামৰ্শ দি সামাজিক মাধ্যমত অমূলক মন্তব্যৰ পৰা বিৰত থাকিবলৈ সতৰ্ক কৰিছে। এই গোচৰৰ পৰৱৰ্তী শুনানি আৰু লক্ষ্ণৌৰ আদালতত চলি থকা বিচাৰ প্ৰক্ৰিয়াই এই বিষয়ৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব।

## কংগ্ৰেছৰ চৰকাৰ হ'লে

ইয়াৰ উপৰিও এক নতুন ভূমি নীতিৰ জৰিয়তে অসমৰ খিলঞ্জীয়া জনগোষ্ঠী আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কাৰ্যনিৰ্বাহক সভাত গৌৰৱ গগৈয়ে উল্লেখ কৰে যে কংগ্ৰেছ দল অসমৰ সামগ্ৰিক বিকাশৰ বাবে এক সংস্কাৰমুখী অৰ্থনৈতিক নীতি গ্ৰহণ কৰিব। এই নীতিৰ মাধ্যমে ঋণগ্ৰস্ত অসমৰ অৰ্থনীতি পুনৰুদ্ধাৰ, নিয়োগ সৃষ্টি, আৰু সকলো শ্ৰেণীৰ নাগৰিকৰ সমবিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ জোৰ দি কয়, "আমি এক প্ৰগতিশীল ভূমি নীতিৰ জৰিয়তে অসমৰ খিলঞ্জীয়া লোকৰ ভূমি অধিকাৰৰ সুৰক্ষাৰ বাবে আন্দোলনৰ পথ ল'ম।" সভাত গৃহীত অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰস্তাৱত অসমৰ সামাজিক-অৰ্থনৈতিক পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই প্ৰস্তাৱৰ লক্ষ্য হৈছে ৰাজ্যৰ জনসাধাৰণৰ জীৱনযাত্ৰাৰ মান উন্নত কৰা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰা। গৌৰৱ গগৈয়ে বিজেপিৰ নেতৃত্বাধীন অসম চৰকাৰৰ বিৰুদ্ধে কঠোৰ সমালোচনা কৰি কয় যে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যৰ জনসাধাৰণ অতিষ্ঠ হৈ পৰিছে। তেওঁ অভিযোগ কৰে যে ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ ওপৰত অবিচাৰ চলোৱা হৈছে, আৰু উচ্ছেদৰ নামত জনগোষ্ঠীৰ লোকসকলৰ ওপৰত অমানৱীয় আচৰণ কৰা হৈছে। তেওঁ কয়, "উচ্ছেদৰ নামত আইন-আদালতৰ নিৰ্দেশ অমান্য কৰা হৈছে। এই অবিচাৰৰ বিৰুদ্ধে কংগ্ৰেছ দল সংস্কাৰমুখী নীতিৰ জৰিয়তে ৰাইজৰ পক্ষত থিয় দিব।" তেওঁ বিশেষভাৱে উল্লেখ কৰে যে বিজেপি চৰকাৰে উচ্ছেদৰ কাৰ্যসূচীত বাংলাদেশীৰ নাম ব্যৱহাৰ কৰি প্ৰচাৰ চলাইছে। গৌৰৱ গগৈৰ প্ৰশ্ন, "কিমান বাংলাদেশী ধৰা পৰিছে? প্ৰমাণ আৰু সংখ্যা দিয়ক।" তেওঁ এই দাবীৰ সত্যতা প্ৰমাণৰ বাবে চৰকাৰক প্ৰত্যাহ্বান জনায়। গৌৰৱ গগৈয়ে নিখিল ভাৰত কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীৰ প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰি কয় যে ৰাহুল গান্ধীয়ে ছয়গাঁৱৰ সভাত হিমন্ত বিশ্ব শৰ্মাক জেললৈ পঠোৱাৰ কথা কৈছিল। তেওঁ কয়, "ৰাহুল গান্ধীৰ এই ঘোষণা কাৰ্যকৰী কৰাটো মোৰ নৈতিক দায়িত্ব। তেওঁৰ কথা আখৰে আখৰে পালন কৰিম।" কাৰ্যনিৰ্বাহক সভাত উপস্থিত নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিঙে অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ সমালোচনা কৰি কয়, "ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে কেলেংকাৰী আৰু মাফিয়াৰাজৰ প্ৰভাৱ দেখা গৈছে। বিজেপি চৰকাৰৰ শাসনত যিকোনো বস্তুৰ ওপৰত অতিৰিক্ত টেক্স আৰোপ কৰা হৈছে।" তেওঁ লগতে কয় যে অসমৰ জনসাধাৰণৰ মনত "হিমন্ত ভগাও, আছাম বাঁচাও"ৰ ভাৱনা বিয়পি পৰিছে। গৌৰৱ গগৈয়ে ঘোষণা কৰে যে অহা মাহত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে এক বৃহৎ ৰাজনৈতিক প্ৰচাৰৰ পৰিকল্পনা কৰিছে। তেওঁৰ মতে, "এই প্ৰচাৰে বিজেপিৰ নেতাসকলৰ ৰাতিৰ নিদ্ৰা ভাঙি দিব।" এই প্ৰচাৰৰ জৰিয়তে কংগ্ৰেছ দল অসমৰ জনসাধাৰণৰ সমস্যাৰ প্ৰতি সৰৱ হৈ থিয় দিব। গৌৰৱ গগৈৰ এই ঘোষণাৰ জৰিয়তে কংগ্ৰেছ দলে অসমৰ ৰাজনৈতিক পৰিস্থিতিত এক নতুন দিশৰ সূচনা কৰিছে। অবৈধ ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে দৃঢ় পদক্ষেপ আৰু দুখীয়াৰ মাজত ভূমি বিতৰণৰ প্ৰতিশ্ৰুতিয়ে ৰাজ্যৰ জনসাধাৰণৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে। একে সময়তে, বিজেপিৰ শাসনৰ বিৰুদ্ধে কংগ্ৰেছৰ এই সৰৱ অৱস্থানে আগন্তুক নিৰ্বাচনত ৰাজনৈতিক সমীকৰণক নতুন ৰূপ দিব পাৰে।

## দুৰ্গা পূজাৰ পূৰ্বেই

২৫ তাৰিখৰ ভিতৰত বিটিচিৰ নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰা হ'ব। ছেপ্টেম্বৰৰ তৃতীয় সপ্তাহত নিৰ্বাচন অনুষ্ঠিত হ'ব, আৰু দুৰ্গা পূজাৰ পূৰ্বেই ফলাফল প্ৰকাশ কৰা হ'ব।" তেওঁ লগতে কয় যে পূজাৰ পিছত নৱেম্বৰ, ডিচেম্বৰ, জানুৱাৰী, আৰু ফেব্ৰুৱাৰীত জনসাধাৰণৰ বাবে কেইবাটাও আঁচনি ঘোষণাৰ পৰিকল্পনা আছে, আৰু এপ্ৰিলত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে জোৰ দি কয়, "আমাৰ হাতত এটা মাহ আৰু ২০ দিন সময় আছে। বিজেপি এই নিৰ্বাচনত এককভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব। আমি পূৰ্বৰ পৰা প্ৰস্তুতি অবিহনে নিৰ্বাচনত অৱতীৰ্ণ হ'ব নোৱাৰো। খেলা-নেখেলাৰ চিন্তাত সময় নষ্ট কৰিলে আমি পিছপৰি যাম। ফলাফলৰ পিছত আমি ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰিম।" মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰে যে বিজেপি এইবাৰ বিটিচি নিৰ্বাচনত কোনো দলৰ সৈতে মিত্ৰতা নকৰাকৈ এককভাৱে প্ৰতিদ্বন্দ্বিতা কৰিব। তেওঁ কয়, "লোকসভা নিৰ্বাচনৰ পিছত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত আমি স্থিৰ কৰিছিলোঁ যে বিজেপি বিটিআৰত পদুমফুলৰ প্ৰতীকত নিৰ্বাচনত অৱতীৰ্ণ হ'ব। আমাৰ সকলোৰে সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে, কিন্তু এই নিৰ্বাচনত আমি কাৰো সৈতে জোঁট গঠন নকৰো। বিটিচিত বিপিএফ বা ইউপিপিএল কোনোৱেই আমাৰ প্ৰতিদ্বন্দ্বী নহয়, কিন্তু বিজেপিয়ে এই অঞ্চলত শক্তিশালী ভূমিকা পালন কৰিব।" মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে ২০১৪ চনৰ পৰা বিটিচিত হোৱা উন্নয়নৰ পিছত বিজেপিৰ অৱদান প্ৰধান। তেওঁ কয়, "মই মুখ্যমন্ত্ৰী হোৱাৰ পিছৰে পৰা বিটিচিত এটাও গুলীবৰ্ষণ বা বোমা বিস্ফোৰণৰ ঘটনা ঘটা নাই।" তেওঁ উৰিয়ামঘাটত নগা সম্প্ৰদায়ৰ আগ্ৰাসনৰ অভিযোগ নস্যাৎ কৰি কয় যে ভূমি বিবাদ আৰু লাভ জেহাদৰ দৰে সমস্যাৰ পিছত এক বিশেষ সম্প্ৰদায় জড়িত। মুখ্যমন্ত্ৰীয়ে বিটিআৰৰ বাসিন্দাসকলৰ মাজত থকা 'দ্বিতীয় শ্ৰেণীৰ নাগৰিক'ৰ ধাৰণাৰ পৰিৱৰ্তনৰ ওপৰত জোৰ দিয়ে। তেওঁ কয়, "আমি বিটিআৰৰ জনসাধাৰণক প্ৰথম শ্ৰেণীৰ নাগৰিকৰ মৰ্যাদা প্ৰদান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। বিপিএফ আৰু ইউপিপিএলে নিজৰ নিজৰ ক্ষেত্ৰত কাম কৰি আছে, আৰু বিপিএফৰ শাসনকালতো ৰাস্তা-ঘাটৰ উন্নয়ন হৈছে। আমি কাৰো সৈতে সংঘাত নকৰাকৈ বিটিআৰত বিজেপিৰ শাসন প্ৰতিষ্ঠা কৰিবলৈ বদ্ধপৰিকৰ।" বাক্সা জিলা বিজেপিৰ সভাপতি দীনেশ বসুৱে বন্তি প্ৰজ্বলনৰ জৰিয়তে সভাৰ উদ্বোধন কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আদৰণী ভাষণ প্ৰদান কৰে। সভাত প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়ো, বিজেপিৰ মুখপত্ৰ ব্ৰজেন মহন্ত আদি উপস্থিত আছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এই ঘোষণাই বিটিআৰ নিৰ্বাচনৰ প্ৰস্তুতিৰ ক্ষেত্ৰত নতুন গতি সঞ্চাৰ কৰিছে। বিজেপিৰ একক প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত আৰু দুৰ্গা পূজাৰ পূৰ্বে নিৰ্বাচনৰ সময়সীমাই এই অঞ্চলৰ ৰাজনৈতিক পৰিস্থিতিক অধিক উত্তপ্ত কৰি তুলিব। আগন্তুক নিৰ্বাচনত বিজেপি, বিপিএফ, আৰু ইউপিপিএলৰ মাজৰ প্ৰতিদ্বন্দ্বিতাই বিটিআৰৰ ক্ষমতাৰ সমীকৰণক নতুন ৰূপ দিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।



## পিএম কিষাণ অনুষ্ঠানত বিভিএফচিএলৰ সক্ৰিয় অংশগ্ৰহণ

**অসম বাৰ্তা, নামৰূপ, ৪ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী কৃষক সম্মান নিধি (PM-KISAN) আঁচনিৰ অধীনত দেশজুৰি উদযাপিত অনুষ্ঠানত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পৰেচন লিমিটেড (বিভিএফচিএল) এ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত থকা নিজৰ Pradhan Mantri Kisan Samriddhi Kendra (PMKSK)-সমূহৰ জৰিয়তে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। মূল অনুষ্ঠানটো বনৌলি, সেৱাপুৰি, বাৰাণসীত অনুষ্ঠিত হৈছিল, য'ৰ পৰা মাননিয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ কৃষকসকলৰ সৈতে সংযোগ স্থাপন কৰে। বিভিএফচিএল-ৰ নামৰূপস্থিত নিজস্ব PMKSK'ত অনুষ্ঠানটো লাইভ ষ্ট্ৰিমৰ জৰিয়তে প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত বিভিএফচিএল-ৰ বিষয়া আৰু কৃষকসকল অংশগ্ৰহণ কৰে। পি এম-কিষান হৈছে কেন্দ্ৰীয় চৰকাৰৰ এক গুৰুত্বপূৰ্ণ আঁচনি, যিয়ে ক্ষুদ্ৰ আৰু সীমান্তীয় কৃষকসকলক বছৰি ৬,০০০ ধন সহায় হিচাপে প্ৰদান কৰে। PMKSK মডেলৰ জৰিয়তে এই সুবিধাসমূহ সহজভাৱে গ্ৰাম্য পৰ্য্যন্ত প্ৰেৰণ কৰা হয়। বিভিএফচিএলৰ অধ্যক্ষ আৰু পৰিচালক সঞ্চালক মোহন ৰাজ শেট্টী, পৰিচালক (বিত্ত) শ্ৰী সুভাষ চন্দ্ৰ দাস, পৰিচালক (উৎপাদন) শ্ৰী প্ৰদীপ কুমাৰ বাণিকে অনুষ্ঠানটো মৰিগাৱঁত থকা PMKSK এটাত উপস্থিত থাকি অংশগ্ৰহণ কৰে। এই অনুষ্ঠানৰ অংশ হিচাপে BVFCL-এ অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাত মুঠ ১৯০খন অনুষ্ঠান আয়োজন কৰে। ইয়াত মুঠ ১১,১১৬ গৰাকী কৃষকে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীয়ে চৰকাৰে কৃষকসকলৰ বাবে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ প্ৰশংসা কৰে। বিভিএফচিএলে সদায়ে কৃষকসকলৰ উন্নয়ন আৰু কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

### দখলকাৰীক উচ্ছেদৰ বাবে সাজু প্ৰশাসন ঃ নিদ্ৰাহৰণ বেদখলকাৰীৰ

# যোগীঘোপাৰ পাচনীয়াত ৫৩৩ বিঘা ভূমিত বেদখলকাৰীয়ে সাজিছে ঘৰ-দুৱাৰ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৪ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত পাচনীয়া গো-মাঠত থকা ৫৩৩ বিঘা ভূমিত একাংশ সন্দেহযুক্ত নাগৰিকে বেদখল কৰি ঘৰ-দুৱাৰ সাজি থিতাপি লোৱাৰ পাছত প্ৰশাসনে এসপ্তাহৰ সময়সীমা দি বেদখলকাৰীক স্ব-ইচ্ছাৰে আঁতৰি যাবলৈ নিৰ্দেশ দিয়াৰ পাছতে উচ্ছেদৰ আশংকাত নিদ্ৰাহৰণ হৈছে পৰিয়ালবোৰৰ। জানিব পৰা মতে যোৱা ২৯ জুলাইত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষকৰ নেতৃত্বত প্ৰশাসনৰ উচ্চস্তৰীয় দলে গো-মাঠত উপস্থিত হয় আৰু বেদখলকাৰীক এসপ্তাহৰ সময় দি গো-মাঠ এৰিবলৈ মৌখিক জাননী দিয়াত বহুতে ইতিমধ্যে আঁতৰি গৈছে যদিও থাকি যোৱা বেদখলকাৰী এতিয়া উচ্ছেদৰ আশংকাত ভোগা পৰিলক্ষিত হৈছে। উল্লেখ্য যে জিলাখনৰ অভয়াপুৰী সমজিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত পাচনীয়া-খোৰাগাঁও পঞ্চায়তৰ পাচনীয়া ৰাজহ গাঁৱৰ মাজত থকা গোমাঠৰ ৫৩৩ বিঘা ভূমিত একাংশ সন্দেহজনক নাগৰিকে বে-দখলকৃত ভূমিত ঘৰ-দুৱাৰ সাজি স্থায়ীভাৱে বসতি কৰিবলৈ লোৱাত পাৰ্শ্ববৰ্তী অঞ্চলত বসতি কৰা খিলঞ্জীয়া লোকসকল সংকিত হৈ পৰে। জানিব পৰা মতে ১৯৯৮ চনৰ পৰাই গো-মাঠত বেদখল আৰম্ভ হোৱাৰ পাছত বৰ্তমানে ডেৰ শতাধিক পৰিয়ালে ভূমি বেদখল কৰি থিতাপি লৈ আছে। প্ৰথমাৱস্থাত প্ৰশাসনে বানপীড়িত কেইঘৰ মান লোকক অস্থায়ীভাৱে থাকিবলৈ দিছিল যদিও ইয়াৰ গইনালৈ উক্ত পৰিয়ালবোৰৰ লগতে এদেও দুদেও লোটা নিয়াৰ চেওকৈ বহু সন্দেহযুক্ত নাগৰিক পৰিয়ালে গো-মাঠৰ ভূমি বেদখল কৰি নিগাজিকৈ থাকিবলৈ লয়। মন কৰিবলগীয়া যে বঙাইগাঁও, গোৱালপাৰা জিলাৰ উপৰিও আনকি ধুবুৰী, বৰপেটা জিলাৰ পৰা আহিও উক্ত গো-মাঠৰ ভূমি বেদখল কৰিবলৈ লয়। এনে অৱস্থাত পাচনীয়া গোমাঠ সংৰক্ষণ সমিতিয়ে বেখলৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰে। উক্ত আবেদনৰ ভিত্তিত ন্যায়ালয়ত এক গোচৰো পঞ্জীয়ন হয়। তাৰ পাছত গোচৰ মৰ্মে উচ্চ ন্যায়ালয়ৰ তদানীন্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ আৰু ন্যায়াধীশ ঋষিকেশ ৰয়ৰ আদালতে পাচনীয়া গো-মাঠ সংৰক্ষণৰ সপক্ষে বিগত ২০০৯ চনতে ৰায় প্ৰদান কৰে। উক্ত ৰায় মৰ্মে তেতিয়াৰ জিলা উপায়ুক্তই উত্তৰ শালমাৰা মহকুমা প্ৰশাসনক ব্যৱস্থা লোৱাৰ বাবে নিৰ্দেশ দিয়ে যদিও ১৭ বছৰ ধৰি কাৰ্যকৰী নহ'ল ন্যায়ালয়ৰ ৰায়। তদপৰি ন্যায়ালয়ে উচ্ছেদৰ সৱিশেষ তথ্য দুমাহৰ ভিতৰত ন্যায়ালয়ক জমা দিয়াৰ বাবে নিৰ্দেশো দিছিল বুলি জানিব পৰা গৈছে। জানিব পৰা মতে শেহতীয়াভাৱে এই সন্দৰ্ভত পাচনীয়া উন্নয়ন সমিতিয়ে মুখ্যমন্ত্ৰীক সবিশেষ তথ্যৰে এক পত্ৰ প্ৰেৰণ কৰে। তাৰ পিছতে ৰাজহ বিভাগে গো-মাঠত জৰীপ চলাইছিল।



## বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস




**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৪ আগষ্ট ঃ** ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ পঞ্চম প্ৰতিষ্ঠা দিৱস বৃহস্পতিবাৰে দিনজোৰা কাৰ্য্যসূচীৰে উদযাপন কৰা হয়। আৰম্ভণিতে অধ্যক্ষ ড০ অমৰজিৎ শইকীয়াই পতাকা উত্তোলন কৰে। ইয়াৰ পাছত জ্যেষ্ঠ সাংবাদিক ধীৰেন ডেকাৰ সভাপতিত্বত প্ৰতিষ্ঠা দিৱসৰ সভাখন অনুষ্ঠিত হয়। কলেজৰ ছাত্ৰ- ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰাৰ পাছত অধ্যক্ষ ড০ অমৰজিৎ শইকীয়াই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাপতি ধীৰেন ডেকাই মহাবিদ্যালয়খনৰ নিউজ লেটাৰ 'জাগৃতি'ৰ পঞ্চম সংখ্যাটো উন্মোচন কৰে। কাৰ্য্যসূচীৰ অন্যতম উল্লেখযোগ্য দিশ আছিল বিশিষ্ট বুৰঞ্জীবিদ শ্ৰীকুমাৰ দহোতীয়াক অনুশীনন অধ্যাপক ৰূপে নিযুক্তি পত্ৰ প্ৰদান। পৰিচালনা সমিতিৰ সদস্য প্ৰভাত শৰ্মাই তেখেতক আনুষ্ঠানিক ভাৱে নিযুক্তি পত্ৰখন প্ৰদান কৰে। প্ৰভাত শৰ্মাৰ উপৰিও শ্ৰীকুমাৰ দহোতীয়াই ছাত্ৰ -ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। সভাৰ শেষত পৰিচালনা সমিতিৰ সদস্য প্ৰভাত শৰ্মাই ছাত্ৰীসকলৰ নৱনিৰ্মিত প্ৰসাধন গৃহটো উন্মোচন কৰে। অন্যহাতে শ্ৰীকুমাৰ দহোতীয়াই নতুনকৈ মেৰামতি কৰা বতাহত বিধ্বস্ত কলেজ কেণ্টিনখন উদ্বোধন কৰে। অধ্যক্ষ ড০ অমৰজিৎ শইকীয়াই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত সভাৰ কাৰ্য্যসূচী অন্ত পৰে।

## বাসুগাঁৱক সমজিলাৰ স্বীকৃতি দিবলৈ আহ্বান মুখ্যমন্ত্ৰীক

### অসম ৰাজ্যিক শিৱ সেনাৰ স্মাৰক পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, বাসুগাঁও, ৪ আগষ্ট ঃ** চিৰাং জিলাৰ অন্তৰ্গত বাসুগাঁও চহৰ। জিলা খনৰ সীমামূৰীয়া চহৰখন সকলো ক্ষেত্ৰতে বঞ্চিত হৈ আহিছে। কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ গাঁতে লাগি থকা চহৰখন দিনক দিনে উন্নয়নৰ সলনি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান ইয়াৰ পৰা লৈহে গৈ আছে। এই বাবে উদ্বিগ্ন হৈ পৰিছে ইয়াৰ জনসাধাৰণ। যাৰ ফলত বাসুগাঁও চহৰক কেন্দ্ৰ কৰি অঞ্চলটিক সম জিলা ঘোষণা কৰিবলৈ আহ্বান জনাইছে অসমৰ ডাইনেমিক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক। অসম ৰাজ্যিক শিৱসেনা দলৰ উদ্যোগত, সৰ্বশক্তি সেনা আৰু ই-ৰিস্কা ইউনিয়নৰ সহযোগত স্মাৰক পত্ৰখন প্ৰেৰণ কৰা হয়। অসম ৰাজ্যিক শিৱসেনা দলৰ ৰাজ্যিক প্ৰচাৰ সম্পাদক শিৱ চন্দ স্বাক্ষৰিত স্মাৰক পত্ৰখন চিৰাং জিলাৰ আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে বাসুগাঁওখন সম জিলা ঘোষণা হ'লে সৰ্বক্ষেত্ৰতে উন্নয়নৰ মুখ দেখিবলৈ সক্ষম হ'ব বুলি এক আছুতীয়া সাক্ষাৎকাৰত ব্যক্ত কৰে শিৱ সেনাৰ নেতা শিবু চন্দই।

### বিধায়ক শশীকান্ত দাসৰ উপস্থিতিত কাৰ্যভাৰ গ্ৰহণ

## কচুৱাত পঞ্চায়তৰ নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিৰ কাৰ্যভাৰ গ্ৰহণ

**অসম বাৰ্তা, কচুৱা, ৪ আগষ্ট ঃ** নগাঁৱৰ ৰহা সমষ্টিৰ কচুৱাৰ মাধৱপাৰা, নিউ জুৰিৰপাৰ আৰু গেৰজাইপাম গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিয়ে কাৰ্যভাৰ গ্ৰহণ কৰে। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ উপস্থিতিত ৰঙা ফিতা কাটি নৱগঠিত পঞ্চায়ত সমিতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰে। এই উপলক্ষে তিনিখন পঞ্চায়তত অনুষ্ঠিত হোৱা মুকলি সভাত পঞ্চায়ত সমূহৰ নৱ নিৰ্বাচিত ৱাৰ্ড সদস্য সদস্যাসকলক একোখনকৈ ফুলাম গামোচাৰে বিধায়কে আদৰণি জনাই। মাধৱপাৰা পঞ্চায়তৰ নৱ নিৰ্বাচিত সভানেত্ৰী পাৰবিনা খাতুন, নিউ জুৰিৰপাৰ গাওঁ পঞ্চায়তৰ সভানেত্ৰী ৰুণা লাইলা, গেৰজাইপাম পঞ্চায়তৰ সভাপতি বাপন দাসে নিজৰ পঞ্চায়তৰ নিৰ্বাচিত সদস্য সদস্যাসকলক লগত লৈ নিজ কাৰ্যালয়ত কাৰ্যভাৰ গ্ৰহণ কৰে। সভাৰ শেষত সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত বিধায়ক শশীকান্ত দাসে এয়া অত্যন্ত গৌৰৱৰ বিষয়, অসমৰ মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ অধিকাংশ পঞ্চায়ত ভাৰতীয় জনতা পাৰ্টিয়ে দখল কৰাত দ্ৰুত উন্নয়ন হবলৈ সক্ষম হৈছে আৰু পিছপৰা অঞ্চলৰ ৰাইজে ভুগি থকা বহুদিনীয়া সমস্যাৰ সমাধান হব বুলি মন্তব্য কৰে। সভাত ৰহা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ মণ্ডল সভাপতি ভাস্কৰ দাস, পঞ্চায়ত সমূহৰ বিষয়ববীয়া সকলৰ লগতে উদীয়মান যুৱ নেতা মতিউৰ ৰহমান, ওমৰ আলী, জহুৰ আলী, মৃনাল বৰা, মোহন বৰা কে আদি কৰি দুই শতাধিক ৰাইজ উপস্থিত থাকে।




## কলিয়নী কৃষ্টি কলা সংঘৰ সাধাৰণ সভা

**অসম বাৰ্তা, নিমাতীঘাট, ৪ আগষ্ট ঃ** উত্তৰ যোৰহাটৰ ছখন গাঁৱৰ সন্মিলিত অনুষ্ঠান কলিয়নী শ্ৰীশ্ৰী শংকৰদেৱ কৃষ্টি কলা সংঘৰ সাধাৰণ সভাখন ৩ আগষ্টৰ দিনৰ ১-০০ বজাত অনুষ্ঠিত হ'ব। সংঘ ভৱনত অনুষ্ঠিত হ'বলগীয়া সভাত পৰৱৰ্তী কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হ'ব। সভাত সকলো সদস্য - সদস্যাৰ উপস্থিতি সভাপতি মুকুল শইকীয়া আৰু সম্পাদক বিনীত দত্তই কামনা কৰিছে।

## বিসম্বাদৰ বাবেই নগাঁৱৰ নিজ ধিং আঞ্চলিক পঞ্চায়ত গঠনত কিং মেকাৰ হ'ল ৰাইজৰ দল

**অসম বাৰ্তা, মৈৰাবাৰী, ৪ আগষ্ট ঃ** আজি নগাঁও জিলাৰ নিজ- ধিং আঞ্চলিক পঞ্চায়তখন গঠন হ'ল যদিও নিৰংকুশ সংখ্যাগৰিষ্ঠতা থকাৰ পাছতো কংগ্ৰেছ দলে একক ভাৱে গঠন কৰিব নোৱাৰিলে আঞ্চলিক পঞ্চায়ত খন। যাৰ বাবে নিজ ধিং আঞ্চলিক পঞ্চায়ত গঠনত কিং মেকাৰ হ'ল ৰাইজৰ দল। আঞ্চলিক পঞ্চায়ত খনৰ সভানেত্ৰীৰ আসনখন কংগ্ৰেছ দলৰ প্ৰতিনিধিয়েই দখল কৰিলে যদিও ১০টা পঞ্চায়তৰ ৮ টাতেই জয়ী হোৱাৰ পাছতো ২টা পঞ্চায়তত জয়ী হোৱা ৰাইজৰ দলৰ প্ৰাৰ্থীক উপ-সভানেত্ৰী আসনত বহুৱাইহে কোনো মতে কংগ্ৰেছ দলৰ নেতৃত্বত গঠন হ'ল নিজ-ধিং আঞ্চলিক পঞ্চায়ত খন। জানিব পৰা মতে নিজ ধিং আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ১০টা পঞ্চায়তৰ ৮ খনকৈ আঞ্চলিক সদস্যৰ আসনত কংগ্ৰেছৰ প্ৰাৰ্থীয়ে জয় লাভ কৰিছিল যদিও পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষনাৰ পাছতে দুই কংগ্ৰেছী সাংসদ ক্ৰমে ৰকিবুল হুছেইন আৰু প্ৰদ্যুত বৰদলৈৰ লবি কেন্দ্ৰীক ৰাজনীতিৰ বাবে দুটা শিবিৰত বিভক্ত হয় কংগ্ৰেছৰ বিজয়ী প্ৰাৰ্থী সকল। যাৰ বাবে কংগ্ৰেছৰ ৮ বিজয়ী প্ৰাৰ্থী শেষ মুহূৰ্ততো একত্ৰিত হব নোৱাৰিলে। অৱশেষত ৰাইজৰ দলৰ দুই প্ৰাৰ্থীৰ সমৰ্থনত ৰকিবুল হুছেইন পন্থীৰ চাৰি কংগ্ৰেছ সদস্যাই গঠন কৰিবলৈ সক্ষম হ'ল নিজ- ধিং আঞ্চলিক পঞ্চায়ত খন। নিজ ধিং উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কাশ্মিৰী বেগমৰ উপস্থিতিত গোপন ভোটত ৬ সদস্যৰ সমৰ্থনত নিজ ধিং আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ তছলিমা আক্তাৰ সভানেত্ৰী আৰু ৰাইজৰ দলৰ জোচনাৰা বেগম উপ-সভানেত্ৰী হিছাবে নিৰ্বাচিত হয়।

## কৌতূহল উদ্ৰেক কৰা দুবিঘা মাটি কালি আগুৰি থকা বঙাইগাঁৱৰ খোৰাগাঁৱৰ মহীৰুহ বটবৃক্ষ ঃ সংৰক্ষণৰ দাবী



**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৪ আগষ্ট ঃ** প্ৰায় দুবিঘা মাটি কালি আগুৰি থকা এডাল বিয়াগোম বটবৃক্ষ। যেন এডাল নহয় কুৰিডালতকৈও অধিক প্ৰকাণ্ড প্ৰকাণ্ড বটবৃক্ষৰ এক সমষ্টিহে। চেদেলি-ভেদেলি হৈ পৰা ঠাল-ঠেঙুলিৰে বৈচিত্ৰ্যপূৰ্ণ হৈ পৰা মহীৰুহ বটবৃক্ষ জোপাৰ ঘাইগছ বিচাৰি উলিওৱা কথাটো পৰ্বতত কাছকণী বিচৰাৰ লেখীয়া। অভয়াপুৰীৰ পৰা প্ৰায় ১০ কিলোমিটাৰ আৰু যোগীঘোপাৰ পৰা প্ৰায় ৬ কিলোমিটাৰ উত্তৰলৈ আহিলে পাব পাৰি বিয়াগোম বটবৃক্ষ জোপা। বঙাইগাঁও জিলাৰ পাচনীয়া - খোৰাগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত খোৰাগাঁও গেৰামাৰী অঞ্চলত অৱস্থিত মহীৰুহ বটবৃক্ষ জোপা দৰ্শন কৰিবলৈ ইতিমধ্যে ইতিমধ্যে অষ্ট্ৰেলিয়াকে ধৰি বিভিন্ন দেশৰ প্ৰকৃতি প্ৰথমে তথা অনুসন্ধিৎসলোকে উক্ত স্থানত পদাৰ্পণ কৰিছে যদিও ৰাজ্যখনৰে বহুলোকে জ্ঞাত নহয় বটবৃক্ষ জোপা সন্দৰ্ভত। গাঁওখনৰ বয়োজ্যেষ্ঠ লোকৰ পৰা গছডালৰ বয়স জানিবলৈ বিচৰাত কয় যে তেওঁলোকেতো দুৰৈৰে কথা, তেওঁ লোকৰ ককা-আজোককায়ো গছডালৰ আৰম্ভণি সন্দৰ্ভত জ্ঞাত নহয়। এনে অৱস্থাত বৃক্ষ জোপাৰ বয়স দুশবছৰৰ কম নহ'ব বুলি জানিবলৈ দিয়ে। তেওঁলোকে আকৌ জানিবলৈ দিয়ামতে বৃক্ষ জোপাৰ অধিকাংশ ইতিমধ্যে ধ্বংস হৈছে। উল্লেখ্য যে ৰোগাক্ৰান্ত হোৱা উক্ত অংশত এজন খৰিকটীয়াই শীতকালত জুই জ্বলাই গা-সেকিবলৈ উক্ত অংশত জুই লাগি ধ্বংসপ্ৰাপ্ত হয়। তদুপৰি গছডালৰ বিভিন্ন অংশ বহু খেতিয়কে নাঙল বনাবলৈ ৰুটাৰ ফলতেই পূৰ্বতকৈ বৃক্ষজোপা সংকুচিত হয়। অৱশ্যে বৰ্ত্তমানে বৃক্ষজোপাৰ চাৰিওপিনে বসবাস কৰা লোকসকল বৃক্ষজোপা সন্দৰ্ভত সচেতন। আৰু ইয়াক লৈ গৰ্বিতও। গছজোপা বৰ্ত্তমানে গাঁওবাসীয়ে সংৰক্ষণ কৰি থকাৰ মূলতে অন্য এটা দিশো জড়িত হৈ আছে। জানিব পৰা মতে বৃক্ষজোপাৰ তলতে আছে এটি পুৰণি শিৱ মন্দিৰ। স্থানীয় লোকৰ বিশ্বাসমতে প্ৰভাত চন্দ্ৰ দেৱনী ওৰফে চন্দ্ৰ বৰ্মন নামৰ লোক এজনে সপোনত শিৱই গছৰ তলতে গৃহহীনভাৱে থকাৰ কথা কৈ মন্দিৰ নিৰ্মাণ কৰিবলৈ কয়। এনে কাৰণতে গছডালৰ তলত গঢ়ি উঠে এটা শিৱ মন্দিৰ। শিৱই পুষ্টি হোৱাৰ ভয়তে বৃক্ষজোপা সংৰক্ষণ গুৰত্ব দিয়া বুলি ধাৰণা কৰে অনেকেই। বহু বছৰ পূৰ্বে গা-গছৰ পৰা স্বাভাৱিকতে ফেৰ মেলি আঁতৰি যোৱা ডালৰ পৰা অস্থানিক শিপাৰ সৃষ্টি হৈ ক্ৰমে তলমুৱাকৈ গৈ মাটিত পোত খাই ধৰেগৈ। এই অস্থানিক শিপাবোৰে ডাল-পাত বহন কৰাৰ লগতে প্ৰতিটো অস্থানিক মূল একো-একোটা খুটা বা স্তম্ভৰ দৰে হোৱাত বিয়াগোম হৈ পৰে এই গছজোপা। বিভিন্ন চৰাই-চিৰিকতি তথা গ্ৰীষ্মকালত গাওঁবাসীৰ আশ্ৰয় স্থল হৈ পৰা এই বৃহৎ বৃক্ষজোপা সংৰক্ষণৰ প্ৰয়োজন হৈছে জৈৱ বৈচিত্ৰ্য অটুট ৰখাৰ বাবে। অথচ গ্ৰামোন্নয়ন, প্ৰকৃতিপ্ৰেমী সংগঠন কোনো এটা বিভাগে গছজোপা সন্দৰ্ভত গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। জানিব পৰা মতে কেইবছৰমান পূৰ্বে বঙাইগাঁও জিলাৰ তদানীন্তন উপযুক্ত এম, অংগমথু আৰু উত্তৰ শালমাৰা মহকুমাৰ তদানীন্তন মহকুমাধীপতি এম, এছ মনিবন্নৰ সময়চোৱাত গ্ৰামোন্নয়ন বিভাগৰ বি, আৰ, জি, এফ আপনি সম্বলিত প্ৰাককলন পুথিৰ বেটুপাতত উক্ত বট বৃক্ষজোপাৰ স্থান দি আঁচনি গ্ৰহণৰ বাবে দিল্লীলৈ প্ৰেৰণ কৰে। কিন্তু আজি পৰ্যন্ত বৃক্ষজোপা সংৰক্ষণৰ বাবে ফুটা কড়ি এটাও আবণ্টিত নহ'ল। যি সময়ত কলকাতা হাওৰাৰ আচাৰ্য জগদীশ চন্দ্ৰ বোস ইণ্ডিয়ান বটানিকেল গাৰ্ডেনৰ বট বৃক্ষজোপাই বিশ্বজুৰি খ্যাতি লাভ কৰিছে সেই সময়ত বঙাইগাঁও জিলাৰ খোৰাগাঁও গেৰামাৰীৰ বট বৃক্ষজোপাই সংৰক্ষণ বিহীনভাৱে থকা কাৰ্যই বিভিন্ন মহলত উদাসীনতাৰে প্ৰতিপন্ন কৰিছে।

## শিক্ষা গুণগত মানদণ্ড উন্নয়নত গুৰুত্ব আৰোপ মৰিগাঁও জিলা প্ৰশাসন

**ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ৪ আগষ্ট ঃ** শিক্ষাৰ গুণগত মান বৃদ্ধিৰ লগতে চৰকাৰী আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণ নিশ্চিত কৰাৰ লক্ষ্যৰে মৰিগাঁও জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) নীতিশা বৰাই যোৱা ১ আগষ্ট, ২০২৫ তাৰিখে জিলাখনৰ কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেখেতে কিছুমান বিদ্যালয়ত মধ্যাহ্ন ভোজন আঁচনিৰ কাৰ্যকাৰিতাৰ ক্ষেত্ৰত কিছু অসুবিধা তথা অসম্পূৰ্ণতা লক্ষ্য কৰে। বিষয়টোক মনযোগৰে লৈ তেখেতে বিদ্যালয় কৰ্তৃপক্ষক আঁচনিৰ নিয়ম-কানুন অনুসৰি আগবঢ়াবলৈ অনুৰোধ জনায়, লগতে শিক্ষাৰ্থীসকলৰ স্বাৰ্থত আঁচনিখন ভালদৰে কাৰ্যকৰী কৰিবলৈ উপদেশ প্ৰদান কৰে। ইয়াৰ ফলস্বৰূপে আজি জিলাখনৰ বহুতো বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সক্ৰিয় সহযোগিতাৰে শৃংখলাপূৰ্ণভাৱে ছাত্ৰ-ছাত্ৰীসকলক স্বাস্থ্যসন্মত পৰিৱেশত মধ্যাহ্ন ভোজন প্ৰদান কৰা হয়। শিক্ষা বিভাগৰ এই পদক্ষেপে ভৱিষ্যতে আঁচনিসমূহ সঠিকভাৱে ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি অতিৰিক্ত জিলা আয়ুক্তগৰাকী আশাবাদী।



